● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

দুগৰাকী লোকে পৰস্পৰৰ স'তে কিমান শব্দ বিনিময় কৰিলে তাৰ জৰিয়তে তেওঁলোকৰ মাজৰ মৰমক জুখিব নোৱাৰি।

মিলান কুন্দেৰা
*চেক ঔপন্যাসিক*



www.dainikagradoot.in

৭ বিশ্বৰ শীৰ্ষ ধনাঢ্যৰ তালিকাত এতিয়া এছিয়াৰ দপ্‌দপনি
১১ ৰাষ্ট্ৰীয় ক্ৰীড়াত স্বৰ্ণ জয়ৰ হেট্ৰিক নয়নমণিৰ
৪ অলিয়ে-গলিয়ে কিতাপঘৰ থকা গাঁওখন

RNI-Regd No. 62953/96 ■ অষ্টাবিংশতিতম বছৰ ● ১ ম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ১৯ আহিন ১৪২৯ ভাস্কৰাব্দ ৬ অক্টোবৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 6 October 2022 মূল্য ঃ ৯.০০ টকা

■ জম্মু-কাশ্মীৰৰ পাহাৰী সম্প্ৰদায়ক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদানৰ সিদ্ধান্ত ঘোষণা গৃহমন্ত্ৰী অমিত শ্বাহৰ ■ নিয়ম নাই সংবিধানত, আইন সংশোধন কৰিব কেন্দ্ৰীয় চৰকাৰে

# প্ৰথমবাৰলৈ ভাষাৰ ভিত্তিত জনজাতিকৰণ

**শিক্ষা আৰু চাকৰিৰ ক্ষেত্ৰত অনুসূচিত জনজাতিৰ মৰ্যাদা লাভ কৰিব সংশ্লিষ্ট জনগোষ্ঠীয়ে**

■ নিউজ ব্যুৰ'
জম্মু/নতুন দিল্লী, ৫ অক্টোবৰ ঃ পৰম্পৰাগত জনজাতীয় চৰিত্ৰৰ ভিত্তিত নহয়, এইবাৰ ভাষাৰ ভিত্তিত অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান কৰিবলৈ সিদ্ধান্ত লৈছে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে। স্বাধীন ইতিহাসৰ ইতিহাসত প্ৰথমবাৰলৈ ভাষাৰ ভিত্তিত জনজাতিৰ মৰ্যাদা প্ৰদানৰ সিদ্ধান্তৰ বিষয়ে ঘোষণা কৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। জম্মু-কাশ্মীৰৰ পাহাৰী জনগোষ্ঠীক শিক্ষা আৰু চাকৰিৰ ক্ষেত্ৰত সংৰক্ষণৰ সুবিধাযুক্ত এছ টি অৰ্থাৎ অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান কৰা হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে



কালি ৰজৌৰীত অনুষ্ঠিত এখন জন-সমাবেশত ঘোষণা কৰে। জম্মু-কাশ্মীৰত বসবাস কৰা গুজ্জৰ আৰু বকৰৱাল সম্প্ৰদায়ৰ লোকসকলে ইতিপূৰ্বে লাভ কৰি অহা সংৰক্ষণৰ দৰে পাহাৰী সম্প্ৰদায়ৰ লোকসকলকো অনুৰূপ সুবিধা প্ৰদানৰ কথা ঘোষণা কৰে শ্বাহে। জম্মু-কাশ্মীৰ ভ্ৰমণৰত গৃহমন্ত্ৰীয়ে লগতে কয় যে জম্মু-কাশ্মীৰে পূৰ্বে সংবিধানৰ ৩৭০ ধাৰাৰ অধীনত বিশেষ মৰ্যাদা লাভৰ নীতি বাতিল হোৱাৰ সূত্ৰে এই ধৰণৰ সংৰক্ষণ এতিয়া সম্ভৱ হৈছে। এইবাৰ জম্মু-কাশ্মীৰৰ সংখ্যালঘু, দলিত, আদিবাসী, পাহাৰীসকলে ন্যায্য অধিকাৰ লাভ *আঠ পৃষ্ঠাত চাওক*

---

শংকৰ জন্মোৎসৱত বৰগীত গোৱা নহ'ল

## প্ৰতিভাৱান শিশু শিল্পী তেজস্বিতাৰ আকস্মিক মৃত্যুত শোক



অগ্ৰদূত বাৰ্তা
কমলাবাৰী, ৫ অক্টোবৰ ঃ গীত-নৃত্যৰে জনতাক মোহাচ্ছন্ন কৰা মাজুলী কমলাবাৰীৰ দৰিয়া গাঁৱৰ জনপ্ৰিয় শিশু শিল্পী তেজস্বিতা বৰুৱা (১৪)ৰ আজি আকস্মিক *আঠ পৃষ্ঠাত চাওক*

---

■ কেন্দ্ৰৰ স্বচ্ছ সৰ্বেক্ষণ গ্ৰামীণ-২০২২ প্ৰতিবেদন ■ দেশৰ ৭০৯ খন জিলাৰ ভিতৰত সবাতোকৈ লেতেৰা গোলাঘাট ■ চৰকাৰী শৌচালয় স্থাপনত অনিয়মৰ ফলতে পয়ালগা অৱস্থা

## আটাইতকৈ লেতেৰা গ্ৰামাঞ্চল অসমত

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ৫ অক্টোবৰ ঃ ঘৰে ঘৰে শৌচাগাৰ, খোৱাপানী, ৰাজহুৱা স্থানৰ জাবৰ-জোঁথৰ পেলোৱাৰ ব্যৱস্থাকে ধৰি স্বচ্ছতাৰ বাবে চৰকাৰে বিগত সময়ত ৰাজকোষৰ পৰা শ শ কোটি টকা ব্যয় কৰাৰ পাছতো দেশৰ ভিতৰতে অস্বচ্ছ অৰ্থাৎ লেতেৰা গ্ৰামাঞ্চলৰ ৰাজ্যৰূপে চিহ্নিত হৈছে অসম। কেন্দ্ৰীয় চৰকাৰৰ স্বচ্ছ সৰ্বেক্ষণ গ্ৰামীণ ২০২২ প্ৰতিবেদনত উন্মোচিত হৈছে অসমৰ গ্ৰামাঞ্চলৰ এই কদৰ্য ৰূপ। দেশৰ ভিতৰতে তেলেংগানাৰ গ্ৰামাঞ্চল পৰিষ্কাৰ বুলি চিহ্নিত হোৱাৰ বিপৰীতে এই তালিকাৰ শেষৰ তিনিখন ৰাজ্য ক্ৰমে বিহাৰ আৰু জম্মু-কাশ্মীৰৰ স'তে স্থান পাইছে অসমেও। কেৱল এয়াই নহয়, দেশৰ ৭০৯ খন জিলাৰ অসমৰ গোলাঘাট জিলাই সবাতোকৈ কদৰ্য জিলাৰূপে এই তালিকাত চিহ্নিত হৈছে। ৭০৯ নম্বৰ স্থানলৈ পৰ্যবসিত হোৱা দেশৰ ভিতৰতে সবাতোকৈ লেতেৰা জিলাৰ স্বীকৃতিৰে অসমলৈ দুৰ্নাম কঢ়িওৱা জিলাখনে উন্মোচিত কৰিছে ৰাজ্যৰ গ্ৰামাঞ্চলত চৰকাৰী আঁচনিসমূহৰ ৰূপায়ণত ব্যৰ্থতাৰ দিশটো। স্বচ্ছ সৰ্বেক্ষণ গ্ৰামীণৰ তালিকাত শীৰ্ষত তেলেংগানাৰ পাছতে হাৰিয়ানাৰ দ্বিতীয় স্থানত আৰু তামিলনাডুৱে গ্ৰামীণ অনাময়ৰ ক্ষেত্ৰত তৃতীয় স্থান দখল কৰিছে। আকৌ এই তালিকাত হাৰিয়ানাৰ ভিৱানী জিলাই দেশৰ *আঠ পৃষ্ঠাত চাওক*

---



■ মহানগৰীৰ ছটা স্থানত ৫৩০টা পূজা মণ্ডপৰ প্ৰতিমা বিসৰ্জন ■ লাচিত ঘাটত বিসৰ্জনৰ মাজতে ব্ৰহ্মপুত্ৰত পিছলি পৰিল মহিলা

## লোকে লোকাৰণ্য পৰিৱেশত 'গান চেল্যুট' দি দেৱী দুৰ্গাক বিসৰ্জন

**■ ক'ভিডসৃষ্ট দুটা বৰ্ষৰ বিৰতিত ব্যাপক আনন্দ-উল্লাসৰ মাজেৰে দেৱীক আৰাধনা ■ আজি পাণ্ডু প'ৰ্টত পুনৰ বিসৰ্জনৰ কাৰ্যসূচী**

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ৫ অক্টোবৰ ঃ ঠায়ে ঠায়ে কিনকিনীয়া বৰষুণৰ টোপালৰ মাজেৰে দুৰ্গতিনাশিনী দেৱী দুৰ্গাক বিসৰ্জন দিলে ৰাজ্যবাসীয়ে। হাতীত উঠি অহা দেৱী দুৰ্গাই পহিলা অক্টোবৰত ষষ্ঠীৰ বেদীত প্ৰাণ প্ৰতিষ্ঠা লাভ কৰা পাছৰে পৰা যোৱা পাঁচটা দিন আনন্দমুখৰ পৰিৱেশত পূজা-অৰ্চনা সম্পন্ন হয়। আজি আধ্যাত্মিক নীতি-নিয়মৰ মাজেৰে দেৱী দুৰ্গাই ধৰাৰ বুকু এৰি পুনৰ নৌকাৰে গমন কৰাৰ পাছতে নিজম পৰে পূজাস্থলীসমূহ। উল্লেখ্য যে দুৰ্গা পূজাৰ আনন্দ-উল্লাসত বিগত দুটা বৰ্ষ ক'ভিডে ম্লান পেলোৱাৰ পাছত এইবাৰ ব্যাপক উল্লাস-আনন্দৰ মাজেৰে দুৰ্গা পূজা পালন কৰে ৰাজ্যবাসীয়ে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজধানী মহানগৰীতো *আঠ পৃষ্ঠাত চাওক*

---

সহস্ৰাধিক গুণমুগ্ধৰ উপস্থিতিত শেষকৃত্য

## প্ৰাক্তন বিধায়ক কৰেন্দ্ৰ বসুমতাৰীৰ দেহাৱসান



অগ্ৰদূত বাৰ্তা
টংলা, ৫ অক্টোবৰ ঃ বড়ো ৰাজনীতিৰ অন্যতম অগ্ৰণী নেতা কৰেন্দ্ৰ বসুমতাৰী আৰু নাই। যোৱা তিনি অক্টোবৰৰ বিয়লি গুৱাহাটী বি বৰুৱা কেন্সাৰ হাস্পতালৰ পৰা বৌতাস্থিত নিজ গৃহলৈ গৈ থকা অৱস্থাত পথতে *আঠ পৃষ্ঠাত চাওক*

---

■ অসমৰ যুৱতী পৰ্বতাৰোহীসহ কে'বাজনো সন্ধানহীন

## উত্তৰাখণ্ডত হিমালয়ৰ হিমবাহ খহি দুৰ্ঘটনাত পতিত ৪১ পৰ্বতাৰোহী

অভিলেখ স্থাপনকাৰীৰ মৃত্যু ঃ অব্যাহত উদ্ধাৰ অভিযান ঃ ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীৰ শোক



■ নিউজ ব্যুৰ'/ষ্টাফ ৰিপ'ৰ্টাৰ
ডেৰাডুন/গুৱাহাটী, ৫ অক্টোবৰ ঃ উত্তৰাখণ্ডৰ উত্তৰাখণ্ড জিলাত সংঘটিত এক ভয়াৱহ প্ৰাকৃতিক দুৰ্যোগৰ বলি হ'ল দেশৰ পৰ্বতাৰোহণৰ দুঃসাহসিক ক্ষেত্ৰখন। কালি পুৱা প্ৰায় ৮.৪৫ বজাত নামি অহা এক হিমবাহৰ কবলত আজিলৈকে সন্ধানহীন হৈ আছে দেশৰ কে'বাখনো ৰাজ্যৰ কে'বাগৰাকী পুৰুষ আৰু মহিলা পৰ্বতাৰোহীৰ লগত প্ৰশিক্ষকসহ ২৬ জনীয়া এটা দল। গাড়োৱাল হিমালয়ৰ গংগোত্ৰী ৰেঞ্জৰ সমীপত অৱস্থিত 'মাউণ্ট দ্ৰৌপদী কা দাণ্ডা-২' শৃংগত এই ভয়াৱহ দুৰ্ঘটনাটো সংঘটিত হয়। সাগৰপৃষ্ঠৰ পৰা উক্ত স্থানৰ *দুই পৃষ্ঠাত চাওক*

---

## জনগোষ্ঠীৰ দাবী অনুসৰি শিক্ষাৰ মাধ্যম প্ৰদানৰ যোজা ৰাজ্য চৰকাৰৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ৫ অক্টোবৰ ঃ মাতৃভাষা মাধ্যমৰ শিক্ষানুষ্ঠানসমূহলৈ বিপৰ্যয় কঢ়িয়াই অনাৰ অভিযোগৰ বিপৰীতে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে বড়োৰ পাছত অন্যান্য জাতি-জনগোষ্ঠীৰ বাবেও দাবী অনুসৰি বিদ্যালয়ত শিক্ষাৰ মাধ্যম প্ৰৱৰ্তনৰ তৎপৰতা আৰম্ভ কৰিছে। অৱশ্যে শিক্ষাৰ মাধ্যম আৰু মাধ্যম ধ্বংস কৰিব বিচৰাৰ মাজত সম্পৰ্ক নাই বুলি মন্তব্য কৰি চৰকাৰৰ মাধ্যম বিৰোধী কাৰ্যৰ বিৰুদ্ধে প্ৰতিবাদ চলিবই বুলি আজি জানিবলৈ দিয়ে *আঠ পৃষ্ঠাত চাওক*

---

■ জনসংখ্যা নিয়ন্ত্ৰণৰ চৰকাৰী নীতিৰ পোষকতা আৰ এছ এছৰ মুৰব্বীৰ ■ নৱপ্ৰজন্মক মাতৃভাষাত অধ্যয়নৰ সুবিধা দিয়াৰ পৰামৰ্শ

## ধৰ্মভিত্তিক জনবিন্যাসক লৈ পদক্ষেপ নল'লে ভৱিষ্যতে দেশ ভাঙি যাব

■ নিউজ ব্যুৰ'
নাগপুৰ, ৫ অক্টোবৰ ঃ 'যেতিয়াই কোনো দেশত জনসংখ্যা বৃদ্ধিত বিকৃত ৰূপ দেখিবলৈ পোৱা যায়, তেতিয়াই ইয়াৰ প্ৰভাৱ ভৌগোলিক সীমাত স্পষ্টকৈ দেখিবলৈ পোৱা যায়। ধৰ্মান্তৰকৰণ আৰু অবৈধ প্ৰৱেশে কেনেকৈ গা কৰি উঠে সেই কথা আজি সকলোৱে অনুভৱ কৰিছে। এই সকলো ক্ষেত্ৰত আমি সজাগ হোৱাটো অত্যন্ত দৰকাৰ। জনসংখ্যা নিয়ন্ত্ৰণৰ লগতে জনসংখ্যাৰ ভাৰসাম্যৰ বিষয়টোও অত্যন্ত গুৰুত্বপূৰ্ণ।' আহিনৰ শুক্ল দশমীৰ দিনা প্ৰতি বছৰৰ *দুই পৃষ্ঠাত চাওক*



---

## নৱমীত ৰাজ্যত ১০টা অগ্নিকাণ্ড, গুৱাহাটী-তিনিচুকীয়াত বিধ্বংসী জুই

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ৫ অক্টোবৰ ঃ শাৰদীয় দুৰ্গোৎসৱৰ আনন্দ-উল্লাসৰ মাজতে কালি মহানৱমীৰ দিনা ৰাজ্যত ১০টাকৈ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন বিভাগে সদৰী কৰা অনুসৰি উল্লিখিত এই অগ্নিকাণ্ডৰ ভিতৰত মহানগৰীৰ ৰূপনগৰ আৰু তিনিচুকীয়াত *আঠ পৃষ্ঠাত চাওক*

---

**হেকাৰমুক্ত টেলি যোগাযোগৰ বাবে পদাৰ্থ বিজ্ঞানৰ-মানুহৰ বিৱৰ্তন আৱিষ্কাৰৰ বাবে মেডিচিনৰ ন'বেল বঁটা**

## অণু সংযোজনৰ পদ্ধতি উদ্ভাৱন ঃ দুই দেশৰ তিনি বিজ্ঞানীলৈ ৰসায়নৰ ন'বেল



■ নিউজ ব্যুৰ'
ষ্টকহ'ম, ৫ অক্টোবৰ ঃ অণুৰ গঠনৰ বাবে আহিলা উদ্ভাৱন তথা সংযোগ সম্পৰ্কীয় গৱেষণাত প্ৰদৰ্শন কৰা সফলতাৰ বাবে আমেৰিকা আৰু ডেনমাৰ্কৰ তিনি বিজ্ঞানীলৈ আগবঢ়োৱা হৈছে ২০২২ৰ ৰসায়নৰ ন'বেল পুৰস্কাৰ। ৰয়েল ছুইডিছ একাডেমী অৱ ছায়েন্সে আজি আমেৰিকাৰ

---

নামমাত্ৰ এজাহাৰ দি দায় সাৰিছে বন বিভাগে

## চোৰাংকৈ হেজাৰ হেজাৰ শাল গছ কটা ভাৰত পেট্ৰ'লিয়ামক ৰক্ষণাবেক্ষণ

অগ্ৰদূত বাৰ্তা
মাটিয়া, ৫ অক্টোবৰ ঃ বন্যহস্তীৰ আশ্ৰয়স্থল তথা কৰিড'ৰ অঞ্চলৰ পৰা চোৰাংকৈ হেজাৰ হেজাৰ শাল গছ কাটি নিৰ্মাণ কাৰ্য আৰম্ভ কৰা ভাৰত পেট্ৰ'লিয়াম কৰ্প'ৰেছন লিমিটেড (বিপিচিএল)ক গোৱালপাৰা বন বিভাগ তথা জিলা প্ৰশাসনে *আঠ পৃষ্ঠাত চাওক*

---

■ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মজয়ন্তীত উখল-মাখল পৰিৱেশ চৌদিশে

## ৫৭৪ গছি বন্তিৰে আলোকিত বটদ্ৰৱা থান



বিশেষ সংবাদদাতা
নগাঁও, ৫ অক্টোবৰ ঃ 'অসমীয়া জাতিৰ প্ৰথম পৰিচয় হ'ল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। শংকৰদেৱৰ আদৰ্শৰে যুগে যুগে অসমীয়া মহাজাতি জগত সভাত জিলিকি থাকিব।' এই মন্তব্য শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি তথা ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী শলগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্তৰ। আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মজয়ন্তীৰ বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰি সত্ৰাধিকাৰ মহন্তই এই মন্তব্য কৰি কয় যে অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ বৰভেটি বটদ্ৰৱা মহাগ্ৰামতেই আৰম্ভ হৈছিল।

উল্লেখ্য যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানত কালিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হৈছে গুৰুজনাৰ জন্মজয়ন্তী। কালি বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ পাছত নিশা অনুষ্ঠিত হয় সদৌ অসম ভিত্তিত বৰগীত *আঠ পৃষ্ঠাত চাওক*

---



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৬° |
| ডিব্ৰুগড় | ২৭° | ২৩° |
| দিল্লী | ৩৩° | ২৪° |
| কলকাতা | ৩০° | ২৬° |
| মুম্বাই | ৩১° | ২৭° |
| চেন্নাই | ২৯° | ২৬° |
| বাংগালুৰু | ২৮° | ১৯° |
| শ্বিলং | ২৩° | ১৭° |

৫ অক্টোবৰ, ২০২২

---

**চেঙা তেল**



*আপুনি যি সংস্থাতে নাথাকক, আজিৰ পৰা কিন্তু লেনদেনত আমি দুয়ো ভাই ভাই!*

---

■ লোকসভা-পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰস্তুতিৰ অংশ ■ গঠন হ'ল বিত্ত-অনুশাসন সমিতিও ■ অন্তৰ্ভুক্ত সাংসদ-মন্ত্ৰীসহ শীৰ্ষ নেতা

## ৰাজ্যিক বিজেপিৰ শীৰ্ষ নীতি নিৰ্ধাৰণ, নিৰ্বাচনসহ চাৰি গুৰুত্বপূৰ্ণ সমিতি গঠন

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ৫ অক্টোবৰ ঃ লোকসভা নিৰ্বাচনৰ লগতে আগন্তুক বৰ্ষত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডাই দলৰ অসমৰ চাৰিখন শীৰ্ষ সমিতি গঠন কৰিলে। এইকেইখন হ'ল শীৰ্ষ নীতি নিৰ্ধাৰণ সমিতি, নিৰ্বাচন সমিতি, বিত্ত সমিতি আৰু অনুশাসন সমিতি। ৰাজ্যিক সভাপতি ভবেশ কলিতাৰ নেতৃত্বত গঠন কৰা শীৰ্ষ নীতি নিৰ্ধাৰণ সমিতি আৰু নিৰ্বাচন সমিতিত স্বাভাৱিকতে স্থান লাভ কৰিছে দলৰ অসমৰ শীৰ্ষ নেতৃবৃন্দৰ লগতে অধিকাংশ সাংসদে।

শীৰ্ষ নীতি নিৰ্ধাৰণ সমিতিত সভাপতি কলিতাৰ লগতে আছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী তথা দলৰ সংসদীয় ব'ৰ্ডৰ সদস্য সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া, অসম চৰকাৰৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মা, *আঠ পৃষ্ঠাত চাওক*

---

## সন্তানপ্ৰাপ্তিৰ নামত প্ৰবঞ্চনা কৰা তিনিজনক গ্ৰেপ্তাৰ চাপৰত

অগ্ৰদূত বাৰ্তা
চাপৰ, ৫ অক্টোবৰ ঃ ধুবুৰী, কোকৰাঝাৰ আৰু বঙাইগাঁও জিলাৰ সীমান্তৱৰ্তী তথা চাপৰৰ ৰঙামাটি, বাঙালডোবা আৰু পাৰ্শ্বৱৰ্তী ঢোলমাৰা, দুৰ্গামাৰী আদি অঞ্চলক কেন্দ্ৰ কৰি গঢ়ি উঠা এটা সংগঠিত প্ৰৱঞ্চক চক্ৰই একাংশ লোকৰ অন্ধবিশ্বাসৰ সুযোগ গ্ৰহণ কৰি দীৰ্ঘদিন হনুমানৰ ছবি থকা মুদ্ৰা, বন মানুহৰ হাড়, হুদু পক্ষী, কেঁকো সাপ আদিৰ নামত প্ৰৱঞ্চনাৰে লাখ *আঠ পৃষ্ঠাত চাওক*

---

■ নিয়মীয়া উৰণৰ বাবে যাওতে খণ্ডবিখণ্ড হৈ পৰিল হাবিত

## টাৱাঙত সেনাৰ চিতা হেলিকপ্টাৰ দুৰ্ঘটনাগ্ৰস্ত, হতাহত দুই পাইলট

ষ্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী/তেজপুৰ, ৫ অক্টোবৰ ঃ অৰুণাচলৰ টাৱাঙৰ কাষতে আজি দুৰ্ঘটনাগ্ৰস্ত হয় ভাৰতীয় সেনাবাহিনীৰ এখন চিতা হেলিকপ্টাৰ। নিয়মীয়া উৰণৰ সময়তে খণ্ড-বিখণ্ড হৈ হাবিত পৰা হেলিকপ্টাৰখনত থকা দুয়োজন পাইলটক গুৰুতৰভাৱে আহত অৱস্থাত উদ্ধাৰ কৰি চিকিৎসাধীন কৰা হয় যদিও চিকিৎসাধীন অৱস্থাতে *আঠ পৃষ্ঠাত চাওক*





দৈনিক অগ্ৰদূত
গুৱাহাটী, ৬ অক্টোবৰ, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি



## শ্ৰীশ্ৰী বিল্বেশ্বৰ দেৱালয়ত অগণন ভক্তৰ সমাগম

### মহানৱমীত ৪২ টা ম'হ বলি

অগ্ৰদূত বাৰ্তা
**চামতা, ৫ অক্টোবৰ ঃ** অসমৰ অন্যতম প্ৰাচীন শৈৱপীঠ নলবাৰীৰ শ্ৰীশ্ৰীবিল্বেশ্বৰ দেৱালয়ত চলি থকা শাৰদীয় দুৰ্গা পূজাত ৰাইজৰ পাৰভঙা উছাহ আৰু সঁহাৰি পৰিলক্ষিত হৈছে। নাগাক্ষ ৰজাই নলবাৰীৰ বেলশৰত প্ৰতিষ্ঠা ছয় পৃষ্ঠাত চাওক

## মথাউৰিৰ ওপৰতেই বছৰ বছৰ ধৰি ঠিকনাবিহীন জীৱন কটাইছে বহু দুৰ্ভগীয়া পৰিয়ালে

# নদীৰ দাঁতিত তম্বুৰ তলত উচ্ছেদিত পৰিয়াল



বিশেষ সংবাদদাতা
**নগাঁও, ৫ অক্টোবৰঃ** ম্যাদ উকলা বিধ্বস্ত মথাউৰি কিম্বা ব্ৰহ্মপুত্ৰৰ পাৰেই নগাঁও আৰু মৰিগাঁও জিলাৰ খহনীয়া আক্ৰান্ত শ শ পৰিয়ালৰ শেষ আশ্ৰয় হৈ পৰিছে। মূলতঃ এই দুৰ্ভগীয়া লোকসকলৰ অধিকাংশই ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কৱলত পৰি ঘৰ-মাটি হেৰুওৱা লোক। এই দুৰ্ভগীয়া লোকসকল কে'বাটাও দশক ধৰি স্থায়ী ঠিকনাবিহীন হৈ আছে। উল্লেখ্য যে নগাঁও জিলাৰ শিলঘাট-ধিং মথাউৰি আৰু মৰিগাঁও জিলাৰ ভজাইখাইতি-হিলৈখুন্দা মথাউৰি আৰু কেতবোৰ ৰিং বান্ধৰ ওপৰত জুপুৰি সাজি বছৰ বছৰ ধৰি বাস কৰি আছে জিলা দুখনৰ ভেটি মাটিকণো নথকা এই সৰ্বহাৰা পৰিয়ালসমূহে। এই লোকসকলৰ ভাষ্য হ'ল-বলিয়া লুইতে তেওঁলোকক স্থায়ী ঠিকনা নাইকিয়া কৰাৰ পাছত তেওঁলোকৰ পিঠিত একাংশ দল-সংগঠনে লগাই দিছে 'সন্দেহযুক্ত নাগৰিক'ৰ এক লেৱেল। সেয়েহে কেতিয়াবা এওঁলোকে মথাউৰিৰ কাষেদি বৈ যোৱা বলিয়া লুইতখনলৈ চাই হা-হুমুনিয়াহ কাঢ়ে। কেতিয়াবা ক্ৰোধান্বিত হৈ লুইতলৈ কোপদৃষ্টি নিক্ষেপ কৰি লুইতকে গালি পাৰে এই দুৰ্ভগীয়া লোকসকলে। কিয়নো এই সৰ্বহাৰা লোকসকলৰ অধিকাংশৰেই দুৰ্দশাৰ অন্যতম কাৰণ এই বলিয়া লুইত খন। লুইতৰ প্ৰতিৰোধবিহীন গৰাখহনীয়াৰ কৱলত পৰি নিজৰ ঘৰ-মাটি হেৰুৱাই ঠিকনাবিহীন যাযাবৰী জীৱন কটাবলগীয়া হোৱা এই লোকসকলৰো এদিন একোটা স্থায়ী ঠিকনা আছিল। প্ৰত্যেকৰে একোখনকৈ স্বচ্ছল ঘৰ আছিল, শস্যে-মৎস্যে নদন- বদন পথাৰ, ধান ভৰ্তি ভড়াল, এগোহালি গৰু, নাৰিকল-তামোল গছে ভৰ্তি প্ৰকাণ্ড প্ৰকাণ্ড বাৰী আছিল। জিলা দুখনত বিগত কে'বাটাও দশক ধৰি অব্যাহত থকা ব্ৰহ্মপুত্ৰৰ অপ্ৰতিহত বিধ্বংসী গৰাখহনীয়াই এওঁলোকৰ সকলো কাঢ়ি নি ঠিকনা পৰ্যন্ত নাইকিয়া কৰিলে। নগাঁও জিলাৰ লাওখোৱা, বৰঘূলি, ভূৰবন্ধা, ভগামুখ, ধিং আদি অঞ্চলত ব্ৰহ্মপুত্ৰৰ অপ্ৰতিহত গৰাখহনীয়াই সকলো কাঢ়ি লৈ যোৱা শ শ সৰ্বহাৰা পৰিয়ালে বছৰ বছৰ ধৰি ম্যাদ উকলি যোৱা মথাউৰিৰ ওপৰতে আশ্ৰয় লৈ আছে। জিলাখনৰ ধিং অঞ্চলতো শিলঘাট-ধিং মথাউৰিটোৰ ওপৰতে অসংখ্য জুপুৰি সাজি লৈ বছৰ বছৰ ধৰি বাস কৰি আছে ধিং-মৈৰাবাৰী অঞ্চলৰ শ শ দুৰ্গত পৰিয়াল। ঠিক একেদৰে, মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ ভজাইখাইতিৰ পৰা মায়ং পৰ্যন্ত মৈৰাবাৰী-হিলৈখুন্দা মথাউৰিটোৰ ওপৰতো মৈৰাবাৰী, দলৈগাঁও, লাহৰিঘাট, ছয় পৃষ্ঠাত চাওক

## শুৱালকুছিত পহু মাংসসহ যুৱকক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ৫ অক্টোবৰ ঃ** পূব শুৱালকুছি গাঁও পঞ্চায়তৰ অধীনৰ চন্দ্ৰপুৰ আগৰ্শ গাঁৱত আজি শুৱালকুছি আৰক্ষী আৰু হাজো বনাঞ্চলিক বিষয়াৰ যুটীয়া অভিযানত পহু মাংসসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা যুৱকজন সমুদ্ৰ দাসৰ পুত্ৰ নীলকান্ত দাস। আৰক্ষীয়ে জানিবলৈ দিয়া মতে, নীলকান্ত নামৰ যুৱকজনে নিশা ছিটিকা ফান্দ পাতি চন্দ্ৰপুৰ পাহাৰৰ নিজ জমিত এটা কেটেলা পহু ধৰে। পহুটো কালি দিনৰ ভাগত নিজৰ ঘৰতে বধ কৰি কাটি থকা অৱস্থাত আৰক্ষীয়ে মাংসসহ গ্ৰেপ্তাৰ কৰে। প্ৰায় ছয় কিলোগ্ৰাম ওজনৰ কেটেলা পহুটো নীলকান্তই গোপনে নিজ ঘৰত কাটি গোপনে ক'লা বজাৰত বিক্ৰীৰ কৌশল ৰচনা কৰিছিল। বন বিভাগৰ অভিযোগ মতে উক্ত অঞ্চলত বিভিন্ন বন্যপ্ৰাণী, হৰিণা, জহামাল, কেটেলা পহু আদি বধ কৰি তাৰ মাংস অধিক দামত ক'লা বজাৰত বিক্ৰী কৰে। যুৱকজনৰ গ্ৰেপ্তাৰে অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

### আত্মত্যাগৰ দিনক মাতৃভাষা দিৱস হিচাপে উদ্‌যাপন দৰং গৰিয়া-মৰিয়া-দেশীৰ

## মঙলদৈত আজি ছহিদ মোজাম্মিল হকক স্মৰণ

বিশেষ সংবাদদাতা
**মঙলদৈ, ৬ অক্টোবৰ ঃ** মাধ্যম আন্দোলনৰ প্ৰথমজন জাতীয় বীৰ ছহিদ মোজাম্মিল হকৰ কাইলৈ পৱিত্ৰ ছহিদ দিৱস। ৫০ বছৰ পূৰ্বে ১৯৭২ৰ কাইলৈৰ দিনটোতে মাতৃভাষাৰ মাধ্যম ৰক্ষাৰ হকে কলিজাৰ কেঁচা তেজ ঢালি আত্মত্যাগৰ দৰে চৰম অৰ্ঘ্যৰে আইৰ চৰণ পূজিছিল ফুলকুমলীয়া কিশোৰ মঙলদৈৰ মোজাম্মিল হকে। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত চলা '৭২'ৰ মাধ্যম আন্দোলনৰ অংশৰূপে পাঁচ অক্টোবৰত অসম বন্ধৰ কাৰ্যসূচীত স্বেচ্ছাসেৱক হিচাপে মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আন আন ছাত্ৰৰ লগতে 'চিৰ চেনেহী ভাষা জননী'ৰ ভক্ত মোজাম্মিল হকো এখন ট্ৰাকত উঠি খাৰুপেটীয়ালৈ গৈছিল বন্ধত খোলা ৰখা দোকানসমূহ বন্ধৰ কৰাৰ আহ্বান লৈ। কিন্তু পূৰ্বৰ পৰা পৰিকল্পিতভাৱে খাপ পিটি থকা দুৰ্বৃত্তই জধে-মধে লোৰ মাৰি, ইটা, টোকোন আদিৰে নিৰ্মমভাৱে কিশোৰ ছাত্ৰসকলক ট্ৰাকৰ পৰা নমাই খেদি ছয় পৃষ্ঠাত চাওক

## হেটামতোলাত উদণ্ড যুৱকৰ মটৰ চাইকেলৰ খুন্দাত ছাত্ৰৰ কৰুণ মৃত্যু

অগ্ৰদূত বাৰ্তা
**দুমুনিচকী, ৫ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গা পূজাৰ আনন্দ-উল্লাসৰ মাজতে ছিপাঝাৰত যোৱা নিশা সংঘটিত হয় এক ভয়ানক পথ দুৰ্ঘটনা। দুৰ্ঘটনাত মৃত্যু হয় এগৰাকী ছাত্ৰৰ। দুমুনিচকী-কুৰুৱা পথৰ খানাপাৰাত সংঘটিত হয় দুৰ্ঘটনাটো। গণেশকুঁৱৰীৰ পৰা নিশা এক বজাত পূজা চাই চাইকেলেৰে ঘৰলৈ ওভতিছিল চহৰীয়াপাৰাৰ যুৱক তথা উদয়ন, বেজেৰাৰ ছাত্ৰ কিশোৰ চহৰীয়া। সমুখৰ পৰা অহা উদণ্ড মটৰ চাইকেল আৰোহীৰ মটৰ চাইকেলৰ খুন্দাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকত অধ্যয়নৰত ছাত্ৰজনক জিএমচিএইছ হাস্পতাললৈ প্ৰেৰণ কৰা হয় যদিও চিকিৎসাধীন অৱস্থাত মৃত্যু হয় কিশোৰৰ। প্ৰত্যক্ষদৰ্শীৰ মতে, দুৰ্ঘটনা সংঘটিত কৰা মটৰ চাইকেলখনত উঠি আহিছিল তিনিজনকৈ যুৱক। কুৰুৱা অভিমুখী এএছ-০১এএল-১৫৪৫ পালছাৰ মটৰ চাইকেলখনেৰে প্ৰচণ্ড জোৰেৰে খুন্দিয়াইছিল চাইকেল আৰোহী ছাত্ৰজনক। ছয় পৃষ্ঠাত চাওক

## বগা হাতীত পৰিণত ডিগবৈৰ বন বিভাগ

### ছয় কোটি টকা অবৈধ কৰ সংগ্ৰহ কৰাৰ লক্ষ্যৰে নিবিদাৰ অনুমতি প্ৰদান নকৰাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা
**মাৰ্ঘেৰিটা, ৫ অক্টোবৰ ঃ** দুৰ্নীতিমুক্ত অসম গঢ়াৰ প্ৰতিশ্ৰুতিৰে ক্ষমতালৈ আহি দুৰ্নীতিৰ বিৰুদ্ধে শূন্যসহনশীলতা নীতি গ্ৰহণ কৰি অসম লোকসেৱা আয়োগকে আদি কৰি বহুকেইজন বিভাগীয় বিষয়াকে ৰঙাঘৰৰ আলহী কৰোৱাবলৈ সক্ষম হৈছিল বিজেপি চৰকাৰ। অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি চৰকাৰখনে বিগত প্ৰায় দুটা কাৰ্য কালৰ ভিতৰত দুৰ্নীতিমুক্ত প্ৰশাসন গঢ়াৰ লগতে ৰাজ্যখনৰ উন্নয়নৰ স্বাৰ্থত যি পদক্ষেপ আছিল নিশ্চিতভাৱে বিজেপি চৰকাৰ প্ৰশংসাৰ যোগ্য। কিন্তু শেহতীয়াকৈ একাংশ চৰকাৰী বিষয়াই চৰকাৰৰ কঠোৰ নিৰ্দেশ অৱমাননা কৰাই নহয় সৰ্বোচ্চ ন্যায়ালয়ৰো নীতি-নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন কৰি অবৈধভাৱে প্ৰাকৃতিক সম্পদৰ লুণ্ঠনৰাজ চলাই যোৱাৰ অভিযোগ উঠিছে মাৰ্ঘেৰিটাত। এনে লুণ্ঠনৰাজৰ বাবেই চৰকাৰে হেৰুৱাব লগাত পৰিছে কোটি কোটি টকাৰ ৰাজহ। এনে ক্ষেত্ৰত বিজেপি দলৰেই মন্ত্ৰী-বিধায়কৰ ঘনিষ্ঠতাৰ সুবিধা লৈ একাংশ লোকে নিৰ্বিঘ্নে প্ৰাকৃতিক সম্পদৰ ধ্বংসযজ্ঞ অব্যাহত ৰখাত একমাত্ৰ কমিছনৰ বাবেই দেখিও নেদেখাৰ ভাও জোৰে বিভাগীয় লোকে। প্ৰাপ্ত অভিযোগ অনুসৰি, তিনিচুকীয়া জিলাৰ ডিগবৈ বনসংমণ্ডলৰ অধীনত থকা পাঁচটাকৈ আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত ১৭ টাকৈ শিল-বালি মহলৰ নিবিদা চৰকাৰী নীতি-নিয়মৰ মাজেদি চৰকাৰৰ তৰফৰ পৰা বি/এম-ছয়/এমচিএ, বিক্ৰী জাননী/ ১১৬ আৰু এএমএমচি ৰোল ২০১৩ ৰ অধীনত ডিগবৈ/ ১৪৪০ নম্বৰযোগে দুবাৰকৈ নিবিদা জাননী দিয়া হৈছিল যদিও প্ৰথমবাৰ নিবিদা বাতিল হৈ দ্বিতীয় বাৰহে নিবিদাৰ অনুমতি পোৱা লোকৰ নাম ঘোষণা কৰা হৈছিল। কিন্তু ইয়াৰে পশ্চিম মাৰ্ঘেৰিটা আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ পৰা প্ৰায় দুশ মিটাৰ দূৰত্বত থকা ঘন জনবসতিপূৰ্ণ অঞ্চলত মেচিনৰ দ্বাৰা খননৰত অৱস্থাত থকা জয়মতী ঘাটটো বিভাগে জৈৱ সংবেদনশীল অঞ্চলৰূপে ঘোষণা কৰাৰ পাছতো কাৰ সেউজ সংকেটত এনেদৰে অবৈধ বালি খনন চলি আছে বুলি একাংশই প্ৰশ্ন উত্থাপন কৰিছে। এইক্ষেত্ৰত অসম জাতীয়তাবাদী ছয় পৃষ্ঠাত চাওক

### আৰক্ষীৰ জালত দুই হত্যাকাৰী সতীৰ্থ

## বহিঃৰাজ্য কেৰালাত কৰ্মৰত তামুলপুৰৰ যুৱকক হত্যা



অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ৫ অক্টোবৰ ঃ** বহিঃৰাজ্য কেৰালাত কৰ্মৰত তামুলপুৰৰ এজন যুৱক এক নিৰ্মম হত্যাৰ বলি হৈছে। হত্যাৰ বলি হোৱা যুৱকজন তামুলপুৰ জিলা সদৰ সৌৰাগুৰীৰ প্ৰয়াত মিলন ৰাজবংশীৰ কনিষ্ঠ পুত্ৰ ডুলু ৰাজবংশী (২৬)। প্ৰাপ্ত তথ্য মতে, কেৰালাৰ কোজিক'ড জিলা কৈলান্দি বীচ্চত ডিঙি চেপি হত্যা কৰি সাগৰৰ পানীত পেলাই দিছিল দুই বন্ধু মনোৰঞ্জন আৰু লক্ষ্মীয়ে। এটা মাছৰ কোম্পানীত কৰ্মৰত আছিল হত্যাৰ বলি ডুলুসহ হত্যাকাৰী দুই বন্ধু। কালি সন্ধিয়া সংঘটিত হৈছিল এই হত্যাকাণ্ড। মৃত ডুলুৰ পৰিয়ালে সদৰী কৰা মতে, বিগত কে'বা বছৰ ধৰি কেৰালা কোজিক'ড জিলাৰ কৈলান্দিত এটা মাছৰ কোম্পানীত কৰ্মৰত হৈ আছিল ডুলু। পৰিয়ালৰ স'তে নিয়মিত যোগাযোগ ৰখা ডুলুই তামুলপুৰ জিলাৰে বটিয়ামাৰীৰ লাকি বড়ো ওৰফে লক্ষ্মী আৰু আন এজন অসমৰে সতীৰ্থ মনোৰঞ্জনৰ লগতে একেলগে আছিল। কালি সন্ধিয়া সময়ত তিনিওজনে সমুদ্ৰ তীৰলৈ ফুৰিবলৈ যাওঁতে কিবা কথাত তিনিওজনৰ মাজত তৰ্কাতৰ্কি লাগে। এটা সময়ত মনোৰঞ্জন আৰু লক্ষ্মীয়ে ডুলুক ডিঙিত বেল্টেৰে চেপি ধৰি ছয় পৃষ্ঠাত চাওক

### সাংসদ নৱ কুমাৰ শৰণীয়াৰ সংবাদমেল সম্বোধন

## অহা লোকসভা নিৰ্বাচনত ধুবুৰী-মঙলদৈ ডিফুতো থাকিব গণ সুৰক্ষা পাৰ্টিৰ প্ৰাৰ্থী



অগ্ৰদূত বাৰ্তা
**মাটিয়া, ৫ অক্টোবৰ ঃ** অহা লোকসভাৰ নিৰ্বাচনত কোকৰাঝাৰৰ লগতে ধুবুৰী, মঙলদৈ আৰু ডিফু সমষ্টিতো প্ৰাৰ্থী প্ৰক্ষেপ কৰিব গণ সুৰক্ষা পাৰ্টি চমুকৈ জিএছপিয়ে। গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ কাৰ্যালয়ত যোৱা তিনি অক্টোবৰত এক সংবাদমেল সম্বোধন কৰি এইদৰে ঘোষণা কৰে কোকৰাঝাৰৰ সাংসদ নৱ কুমাৰ শৰণীয়াই। সাংসদগৰাকীয়ে আৰু কয় যে ভাৰতবৰ্ষৰ সৰু সৰু প্ৰায় ১২৫ টাতকৈ অধিক ৰাজনৈতিক দল একত্ৰিত কৰি ইতিমধ্যে ইণ্ডিয়ান ৰিজঅ'নেল পাৰ্টি ফৰাম চমুকৈ আইআৰপিএফ গঠন কৰা হৈছে। উক্ত ফৰামত নৱ কুমাৰ শৰণীয়াৰ গণ সুৰক্ষা পাৰ্টিও আছে। এই দলসমুহে একত্ৰিত হৈ আগন্তুক লোকসভা নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে প্ৰায় এশটা সমষ্টিত যুঁজ দিয়াৰ পৰিকল্পনা কৰা বুলি সদৰী কৰে শৰণীয়াই। ইয়াৰে ছয় পৃষ্ঠাত চাওক

## লাহৰীঘাটত পুনৰ ড্ৰাগছসহ তিনি ড্ৰাগছ সৰবৰাহকাৰীক আটক



অগ্ৰদূত বাৰ্তা
**লাহৰীঘাট, ৫ অক্টোবৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। লাহৰীঘাটত আৰক্ষীয়ে অভিযান চলাই পুনৰ ড্ৰাগছসহ তিনিজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে। আটক কৰা ড্ৰাগছ সৰবৰাহকাৰীকেইজন অমৰাগুৰি গাঁৰৰ ক্ৰমে আব্দুল কাদিৰ (৪০), মজিবুৰ ৰহমান (৩৫) আৰু দিলদাৰ হুছেইন (২১)। বিশেষ সূত্ৰৰ গোপন খবৰৰ ভিত্তিত যোৱা তিনি অক্টোবৰৰ নিশা মৰিগাঁও আৰু লাহৰীঘাট আৰক্ষীয়ে যৌথভাৱে থানাৰ অন্তৰ্গত অমৰাগুৰি গাঁৱত অভিযান চলাই ড্ৰাগছ সৰবৰাহকাৰীকেইজনক আটক কৰাৰ লগতে ধৃত ড্ৰাগছ সৰবৰাহকাৰীকেইজনৰ পৰা আৰক্ষীয়ে ড্ৰাগছভৰ্তি দুটা চাবোনৰ বাকচ আৰু দুটা ম'বাইল জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ২৬ গ্ৰাম। ধৃত লোককেইজনৰ বিৰুদ্ধে দীৰ্ঘদিন ধৰি অমৰাগুৰি অঞ্চলত নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায় চলাই থকাৰ অভিযোগ উত্থাপিত হৈ আছিল। ছয় পৃষ্ঠাত চাওক

## গোৱালপাৰাৰ পৰা দুষ্কৃতিকাৰীয়ে কটা চোৰাং চেগুনৰ কুণ্ডা উদ্ধাৰ

অগ্ৰদূত বাৰ্তা,
**মাটিয়া, ৫ অক্টোবৰ ঃ** গোৱালপাৰা চহৰৰ নিকটৱৰ্তী ভালুকডুবি সাপ্তাহিক বজাৰৰ দাঁতি-কাষৰীয়া অঞ্চলৰ পৰা দুষ্কৃতিকাৰীয়ে চোৰাংকৈ কটা এটা প্ৰকাণ্ড চেগুন গছৰ কুণ্ডা উদ্ধাৰ কৰিছে ভালুকডুবি বন খণ্ডৰ বিষয়াই। দুষ্কৃতিকাৰীয়ে চোৰাংকৈ কটা চেগুনৰ কুণ্ডাসমূহ উদ্ধাৰ কৰি আজি ভালুকডুবি কেন্দ্ৰীয় কাঠ ভড়াললৈ নিয়ে। জব্দকৃত চোৰাং কাঠখিনিৰ বজাৰ মূল্য প্ৰায় ৪০ হেজাৰ টকা হ'ব বুলি খণ্ড বন বিষয়া দেৱেন বৈশ্যই জানিবলৈ দিয়ে। উল্লেখ্য যে একাংশ ছয় পৃষ্ঠাত চাওক

### হৰিনামৰ ধ্বনিৰে মুখৰিত চৌদিশ

## লখিমপুৰত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ তিথি উদ্‌যাপন



অগ্ৰদূত বাৰ্তা
**লখিমপুৰ, ৫ অক্টোবৰ ঃ** 'শ্ৰীমন্ত শংকৰে প্ৰকাশিলা/গোবিন্দৰ গুণ নাম যশ/জগতৰ লোকে পৰম আনন্দে গাৱে/হেনয় শংকৰে গুৰু বিনে/কমন কাৰণে আনজনে/লোকৰ মাজতে আপুনি গুৰু বোলাৱে'-সৰ্ব গুণাকৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ আদৰ্শ, গুণানুকীৰ্তনেৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে লখিমপুৰতো আজি গুৰুজনাৰ ৫৭৪ সংখ্যক জন্মজয়ন্তী পালন কৰা হয়। উল্লেখ্য যে শ্ৰীমন্ত ছয় পৃষ্ঠাত চাওক

## বনগাঁৱত ঘাইপথত দুৰ্ঘটনাত এজনৰ মৃত্যু, আহত এজন



**খুমটাই, ৫ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ দেৰগাঁও আৰক্ষী চকীৰ অন্তৰ্গত বনগাঁৱৰ বজাৰৰ সমীপৰ ৩৭ নম্বৰ ঘাইপথ দুৰ্গা পূজাৰ আনন্দ-উল্লাসৰ মাজতে এক পথ দুৰ্ঘটনা সংঘটিত হয়। আৰক্ষী সূত্ৰই সদৰী কৰা অনুসৰি নৱমীৰ নিশা প্ৰায় আঠ বজাত এখন নম্বৰবিহীন কে টি এম মটৰ চাইকেল তীব্ৰবেগত ঘাইপথেৰে আহি থকা অৱস্থাত বনগাঁৱৰ বজাৰৰ সমীপত নিয়ন্ত্ৰণ হেৰুৱাই একেটা দিশতে গৈ থকা অচিনাক্ত বাহনত খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত ৰঙাগড়া চাহ বাগিচা অঞ্চলৰ বাপী বৰুৱা (১৯) আৰু অনিৰ্বান গোৱালা (১৭) গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। ঘটনাস্থলীত তাৎক্ষণিকভাৱে দেৰগাঁৱৰ যানবাহন আৰক্ষী উপস্থিত হৈ ১০৮ এম্বুলেন্স সেৱা আৰু আৰক্ষীৰ বাহনেৰে চিকিৎসালয়ত ভৰ্তি কৰায় যদিও নিশাই দুয়োজন আঘাতপ্ৰাপ্তকে পৰিয়ালৰ লোকে যোৰহাট মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰায় যদিও অনিৰ্বান গোৱালা নামৰ যুৱকজনৰ চিকিৎসাধীন ছয় পৃষ্ঠাত চাওক

## হোজাইত ১১১ খন দেৱী প্ৰতিমা বিসৰ্জন



অগ্ৰদূত বাৰ্তা
**হোজাই, ৫ অক্টোবৰ ঃ** হোজাইৰ মুঠ ১১২ খন শাৰদীয় দুৰ্গা পূজাৰ এখনক বাদ দি ১১১খন পূজা মণ্ডপৰ আজি প্ৰতিমা বিসৰ্জন দিয়া হয়। ইয়াৰে কিছু সংখ্যকে নিজা পুখুৰীত, অধিকাংশই শিৱবাৰী, কালীবাৰী আৰু নতুন বজাৰৰ ৰাজহুৱা পুখুৰীত প্ৰতিমা বিসৰ্জন দিয়ে। হোজাইৰ কেৱল নতুন বজাৰৰ ইমা পান্থইবি মন্দিৰৰ দেৱীৰ বাহিৰে সকলো প্ৰতিমা বিসৰ্জন দিয়া হয়। এই প্ৰক্ৰিয়া নিশা প্ৰায় এঘাৰ বজাত সামৰণি পৰে। ইফালে আজি সন্ধিয়াতে হোজাইৰ ডবকাত ১১১খন দেৱী প্ৰতিমাক বিসৰ্জন দিয়া হয়। অতি আনন্দ মনেৰে দলে-বলে আহি কে'বা সহস্ৰাধিক লোকৰ উপস্থিতিত ডবকাৰ যমুনা নদীত এটা এটাকৈ দেৱীক বিসৰ্জন দিয়া হৈছে। আজি বিজয়া দশমীৰ অন্তিম দিনা ৰাজ্যৰ ভিন্ন প্ৰান্তৰ সমান্তৰালকৈ হোজাই জিলাৰ ডবকাতো ডবকা পুৰণা বজাৰস্থিত যমুনা নদীৰ ঘাটত দেৱীৰ প্ৰতিমা বিসৰ্জন দিয়া হয়। বিসৰ্জনৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গঢ়ি তুলিছে। সন্ধিয়াৰ পৰা হোজাইৰ অতিৰিক্ত উপায়ুক্ত মানস জ্যোতি নাথ, ডবকা ৰাজহ চক্ৰ বিষয়া অংকিতা বৰা, ডবকা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মিন্টি সন্দিকৈ, ডবকা পৌৰসভাৰ পৌৰপতি মিনাৰা বেগম, এছডিআৰএফ বাহিনীৰ দল বিসৰ্জনস্থলীত উপস্থিত থাকে।

### কৃষ্ণাই বাবুপাৰাৰ দুৰ্গা পূজাথলীত অঘটন

## পূজা মণ্ডপৰ কাষতে মৃতদেহ উদ্ধাৰ

**কৃষ্ণাই, ৫ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গা পূজাৰ আনন্দ-উলাহৰ মাজতে গোৱালপাৰা জিলাৰ কৃষ্ণাইত অঘটন। কৃষ্ণাই বাবুপাৰাৰ স্প'ৰ্টিং ক্লাবৰ দুৰ্গা পূজাৰ মণ্ডপৰ ভিতৰত এজন লোকৰ আকস্মিক মৃত্যু। মৃত লোকজন ভেলাখামাৰ গাঁৱৰ প্ৰদীপ ৰাভা। বয়স প্ৰায় ৫০ বছৰ। তথ্য মতে, প্ৰদীপ ৰাভাই বাবুপাৰা দুৰ্গা পূজাথলীত অস্থায়ীকৰ্মীৰূপে কৰ্মৰত আছিল। যোৱা মহাষ্টমীৰ শেষ নিশা পূজাথলী নিজম পৰাৰ পাছত দুৰ্গা মণ্ডপৰ কাষতে শুই পৰিছিল প্ৰদীপ ৰাভা। পিছে আজি নিচেই পুৱা মৃত অৱস্থাত উদ্ধাৰ হ'ল প্ৰদীপ ৰাভা। মৃত প্ৰদীপ ৰাভাৰ বুকুত ষ্টেণ্ড ফেন এখন পৰি থকালৈ চাই আৰক্ষীয়ে বিদ্যুৎস্পৃষ্ট হৈ নিহত হোৱাৰ সন্দেহ প্ৰকাশ ছয় পৃষ্ঠাত চাওক

## শোকাৱহ দুৰ্ঘটনাত মৃত্যু শোণিতপুৰ এবছুৰ জনসংযোগ সম্পাদক নৱজ্যোতি বড়োৰ



ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ৫ অক্টোবৰ ঃ** যোৱা নিশা প্ৰায় ১১ বজাত ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথত সংঘটিত এক শোকাবহ দুৰ্ঘটনাত শোণিতপুৰ জিলা নিখিল বড়ো ছাত্ৰ সন্থাৰ জনসংযোগ বিভাগৰ সম্পাদক নৱজ্যোতি বড়ো (৩৪)ৰ মৃত্যু হোৱা ঘটনাই সমগ্ৰ জিলাখনতে শোকৰ ছাঁ পেলাইছে। সকলো স্তৰৰ লোকৰ মাজতে জনপ্ৰিয় যুৱকজনে তেওঁৰ নতুনকৈ ক্ৰয় কৰা মটৰ চাইকেলখনেৰে ঢেকিয়াজুলিৰ পৰা তেজপুৰৰ নিকটৱৰ্তী বাঁহবাৰী মৌজাৰ বান্দৰমাৰীৰ নিজা বাসগৃহলৈ উভতি অহাৰ পথত কেহেৰুখন্দাৰ সমীপত দুৰ্ঘটনাটো সংঘটিত হয়। উল্লেখ্য যে জনপ্ৰিয় যুৱকজনে পূৰ্বে পশ্চিম তেজপুৰ আঞ্চলিক এবছুৰ সাধাৰণ সম্পাদকৰূপেও দায়িত্ব পালন কৰিছিল। নিজা অঞ্চলৰ সামাজিক-সাংস্কৃতিক-শৈক্ষিক উন্নয়নৰ বাবে সদা তৎপৰ তথা নিবনুৱাসকলৰ বাবে এজন পথ প্ৰদৰ্শকৰ দৰে কাম কৰা নৱজ্যোতিয়ে স্থানীয় সকলো জাতি-জনগোষ্ঠীৰ লোকৰ মাজত গভীৰ সম্পৰ্ক বজাই ৰাখিছিল। উল্লেখ্য যে নিশা ৰাষ্ট্ৰীয় পথৰ দাঁতিত বহুসংখ্যক ট্ৰাক ছয় পৃষ্ঠাত চাওক

## শাওতলিত কিশোৰীক চোকা অস্ত্ৰৰে আক্ৰমণ দুৰ্বৃত্তৰ

### কিশোৰসহ এজনক গ্ৰেপ্তাৰ আৰক্ষীৰ

অগ্ৰদূত বাৰ্তা
**খুমটাই, ৫ অক্টোবৰ ঃ** গোলাঘাট জিলাৰ খুমটাই আৰক্ষী চকীৰ অন্তৰ্গত শাওতলিৰ নতুনমাটি চাহ বাগিচাত তিনি অক্টোবৰত আবেলি প্ৰায় চাৰি বজাত এগৰাকী ১৩ বছৰীয়া কিশোৰীক দুৰ্বৃত্তই চোকা অস্ত্ৰৰে আক্ৰমণ কৰা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ যে তিনি অক্টোবৰ দিনা ঘৰৰ পৰা ছয় পৃষ্ঠাত চাওক

### তেজপুৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মোৎসৱ পালন

## শোভাযাত্ৰা, হৰিনাম, কীৰ্তনৰে মুখৰিত তেজপুৰ



ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ৫ অক্টোবৰ ঃ** অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মোৎসৱ ৰাজ্যজুৰি পালন কৰাৰ সমান্তৰালভাৱে তেজপুৰতো পালন কৰা হয়। গুৰুজনাৰ আৱিৰ্ভাৱ তিথি উপলক্ষে আজি পুৱাৰে পৰা তেজপুৰৰ বিভিন্ন সত্ৰ-নামঘৰ তথা অঞ্চল শোভাযাত্ৰা, নাম-কীৰ্তনৰে মুখৰিত হৈ পৰে। কাহিলি পুৱাৰ পৰাই প্ৰাতঃপ্ৰসংগ আৰু প্ৰভাত ফেৰী কাৰ্যসূচীৰে বৃহত্তৰ তেজপুৰ অঞ্চলত আৰম্ভ হয় গুৰুজনাৰ আৱিৰ্ভাৱ উৎসৱ। উল্লেখ্য যে প্ৰতি বছৰেই মহাপুৰুষগৰাকীৰ জন্মোৎসৱৰ দিনটোত তেজপুৰ আঞ্চলিক শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ সমিতিয়ে তেজপুৰৰ বিভিন্ন গ্ৰামাঞ্চলত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰি অহাৰ দৰে এইবাৰো আজিৰে পৰা দুদিনীয়াকৈ তেজপুৰৰ নিকটৱৰ্তী পক্ষীয়াঝাৰত আয়োজন কৰা জন্মোৎসৱৰ আজিৰ প্ৰথম দিনটোত বৃহৎ আকাৰৰ কীৰ্তন পুথি সন্মুখত লৈ উলিওৱা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাই সমগ্ৰ অঞ্চলটোত এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰে। শোণিতপুৰৰ অতিৰিক্ত উপায়ুক্ত ৰাজ বৰুৱাই আৰম্ভ কৰা এই শোভাযাত্ৰা পক্ষীয়াঝাৰৰ উদ্‌যাপনস্থলী অৰ্থাৎ ৰাজহুৱা নামঘৰৰ পৰা আৰম্ভ কৰাৰ সময়ত হৰিনাম কীৰ্তন, আয়তীৰ দিহানাম, বিভিন্ন ভাওৰীয়াসহ ভাওনাৰ আকৰ্ষণীয় দৃশ্যাংশ, হুঁচৰি, বিহু নৃত্য, চাহ জনগোষ্ঠীয় ঝুমুৰ নৃত্যৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠীৰ গীত-নৃত্যৰে মুখৰিত হৈ পৰে। শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ সমিতিৰ সভাপতি জিতেন বৰঠাকুৰ, কাৰ্যকৰী সভাপতি সপোনটি গোস্বামী, সম্পাদক ৰবীন্দ্ৰ বৰা, উদ্‌যাপন সমিতিৰ সভাপতি ৰণজিৎ বৰাৰ নেতৃত্বত এই ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ১৯ আহিন ১৪২৯ ভাস্কৰাব্দ ৬ অক্টোবৰ ২০২২



# কোন দিশে যুদ্ধ!

ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত অব্যাহত থকা যুদ্ধৰ অন্তিম পৰিণতি কি হ'ব, ই কোন দিশলৈ গতি কৰিছে— সেয়া যেন সময় আগবঢ়াৰ লগে লগে অধিক অনিশ্চিত হৈ পৰিছে। যোৱা ২৪ ফেব্ৰুৱাৰীত প্ৰথমে ৰাছিয়াই যেতিয়া চুবুৰীয়া ইউক্ৰেইনত আক্ৰমণ সংঘটিত কৰে, সেই মুহূৰ্তত ৰাছিয়াৰ এই আক্ৰমণৰ লক্ষ্য কি কোনেও স্পষ্টকৈ ক'ব পৰা নাছিল। সকলো নিৰ্ভৰ কৰিছিল ইউক্ৰেইনৰ প্ৰতিৰক্ষা ক্ষমতাৰ ওপৰত; কিন্তু সৰু দেশ হ'লেও ইউক্ৰেইনৰ প্ৰতিৰক্ষা ক্ষমতা অবিশ্বাস্যভাৱে শক্তিশালী হৈ পৰিল যুদ্ধৰ এক-ডেৰ মাহৰ ভিতৰতে। প্ৰথম সপ্তাহকেইটাত ৰুছ সেনাবাহিনী ক্ষিপ্ৰগতিৰে ইউক্ৰেইনৰ ভিতৰলৈ অগ্ৰসৰ হৈছিল আৰু বৃহৎ বা শক্তিশালী বাধাৰ সন্মুখীন হ'বলগীয়া নহৈছিল। বহুতে ভাবিছিল সোনকালে ইউক্ৰেইনৰ ৰাজধানী চহৰ কিয়েভ ৰুছ সেনাৰ দখললৈ যাব; কিন্তু সময় যোৱাৰ লগে লগে ইউক্ৰেইনৰ প্ৰতিৰক্ষা বাহিনীয়ে দুগুণ সাহস আৰু শক্তিৰে প্ৰতিৰোধ আৰু প্ৰত্যাক্ৰমণ কৰিবলৈ ধৰিলে। ঠায়ে ঠায়ে ৰুছ সেনা আগবাঢ়ি গৈ পুনৰ পিছুৱাবলৈ বাধ্য হ'ল। কে'বা হেজাৰ ৰুছ সেনা যুদ্ধত নিহত হোৱা বুলি ইতিমধ্যে বিভিন্ন মাধ্যমত প্ৰকাশ পাইছে। ইতিমধ্যে ৰুছ সৈন্যৰ অগ্ৰগতি স্তব্ধ হৈ পৰিছে; কিন্তু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে অতি কৌশলেৰে তেওঁৰ এটা লক্ষ্য পূৰণ কৰিলে বুলি ক'ব পাৰি। ৰুছ সেনাৰ দখলত থকা সীমান্ত অঞ্চলৰ চাৰিটা অঞ্চলত গণভোট অনুষ্ঠিত কৰিলে। এই গণভোট অনুষ্ঠিত কৰা হ'ল দখলীকৃত চাৰিটা অঞ্চলৰ বাসিন্দাসকলে কাৰ লগত থাকিব বিচাৰে, সেই প্ৰশ্নৰ ভিত্তিত। বেলট কাকতত লিখা আছিল ৰাছিয়া নে ইউক্ৰেইন— কাৰ স'তে থাকিব বিচাৰে। ৰাছিয়াৰ চৰকাৰে দাবী কৰা মতে ৮০-৯৮ শতাংশই ৰাছিয়াৰ স'তে থাকিব বিচাৰে বুলি ভোটদান কৰে। এই গণভোটৰ ফলাফল প্ৰকাশৰ পাছতে পলম নকৰি ৰুছ সেনাৰ দখলত থকা আৰু গণভোট অনুষ্ঠিত কৰা খেৰছন, জাপৰিজিয়া, লুহানস্ক আৰু ডনেস্ক— এই চাৰিওটা অঞ্চলক ৰাছিয়াৰ অংগ হিচাপে স্বীকৃতি দি ৰাছিয়াৰ অন্তৰ্ভুক্ত কৰা হ'ল বুলি ৰাষ্ট্ৰপতি পুটিনে ঘোষণা কৰিছে। উল্লেখ্য যে ৰাছিয়াৰ সীমান্ত অঞ্চলত অৱস্থিত এই চাৰিটা অঞ্চল একে শাৰীতে আছে। একেটা শাৰীতে লগ লাগি আছে ২০১৪তে ৰাছিয়াই নিজৰ দখললৈ নিয়া ক্ৰিমিয়া অঞ্চলটো। এতিয়া ক্ৰিমিয়াৰ লগতে একে শাৰীতে থকা আন চাৰিটা অঞ্চল ৰাছিয়াৰ অন্তৰ্ভুক্ত কৰি অংগৰাজ্য হিচাপে স্বীকৃতি দিয়া হ'ল। ইয়াৰ ফলত এতিয়া এই অঞ্চলকেইটাত ইউক্ৰেইন বা আন কোনোৱে আক্ৰমণ কৰিলে ৰাছিয়াৰ ওপৰত আক্ৰমণ কৰা বুলি গণ্য কৰিব ৰাছিয়াই। ৰাছিয়াৰ অন্তৰ্ভুক্ত হোৱা এই চাৰিওটা অঞ্চলত এতিয়া ৰুছ সেনাবাহিনীয়ে সকলো সময়তে নিৰাপত্তা দি থাকিব। সেয়ে সকলো ধৰণৰ যুদ্ধাস্ত্ৰ, ক্ষেপণাস্ত্ৰ, টেংক আৰু আনকি পাৰমাণৱিক ক্ষেপণাস্ত্ৰ অথবা বোমা আদি এই চাৰিটা অঞ্চলত সাজু কৰি ৰাখিব বুলি কোৱা হৈছে। ইয়াৰ জৰিয়তে ৰাষ্ট্ৰপতি পুটিনে অতি কৌশলেৰে যুদ্ধক্ষেত্ৰক ৰাছিয়াৰ মূল ভূমিৰ পৰা আঁতৰাই ৰাখিবলৈ সক্ষম হ'ল। এতিয়া ৰুছ সেনাই ইউক্ৰেইনৰ ভূমিকেই যুদ্ধক্ষেত্ৰ হিচাপে লৈ অব্যাহত ৰাখিব সকলো ধৰণৰ আক্ৰমণ-প্ৰত্যাক্ৰমণ।

ৰাছিয়াই সীমান্তৰ যিকেইটা অঞ্চল দখল কৰি নিজৰ অন্তৰ্ভুক্ত কৰিলে, সেই অঞ্চলকেইটাত ৰুছপন্থী, ৰুছভাষী পৃথকতাবাদী সংগঠনসমূহ সক্ৰিয়। এই পৃথকতাবাদী সংগঠনবোৰে আগৰে পৰাই ৰাছিয়াৰ স'তে চামিলৰ বাবে দাবী কৰি আহিছে। তেওঁলোকৰ বিৰুদ্ধে ইউক্ৰেইনৰ চৰকাৰী বাহিনী তথা আৰক্ষী প্ৰশাসনে অভিযান আৰু নিৰ্যাতন চলাই আহিছে। ৰুছভাষীসকলৰ বিৰুদ্ধে নানান বিদ্বেষমূলক আচৰণ কৰি আহিছে ইউক্ৰেইনৰ চৰকাৰে। ৰাছিয়াই সেয়ে পৃথকতাবাদী সংগঠনবোৰক সহায়-সমৰ্থন দি আহিছে। ক্ৰিমিয়াৰ প্ৰায় সকলো লোকেই ৰুছভাষী আৰু তেওঁলোকে ৰাছিয়াৰ স'তে চামিল হোৱাৰ বাবে দীৰ্ঘ সংগ্ৰাম চলাই আহিছিল। গণভোট অনুষ্ঠিত কৰোতে ৰুছ সেনাই হেঁচা দিয়া বুলি পশ্চিমীয়া সংবাদ মাধ্যম তথা নেতাসকলে কৈ আহিছে যদিও এনে ঘটনাৰ যথেষ্ট সংখ্যক প্ৰমাণ দাঙি ধৰিব পৰা নাই। সেয়ে পশ্চিমীয়া প্ৰচাৰ মাধ্যমৰ খবৰবোৰ বিনাদ্বিধাই বিশ্বাস কৰিবলৈ বহুতেই টান পায়।

সি যি কি নহওক, ইউক্ৰেইনৰ চাৰিটা অঞ্চলক গণভোট অনুষ্ঠিত কৰি ৰাছিয়াৰ অন্তৰ্ভুক্ত কৰাৰ পাছত যুদ্ধখনৰ গতি হয়তো অন্য ধৰণৰ হ'বগৈ পাৰে। ৰাছিয়াই ইউক্ৰেইনৰ আন আন অঞ্চলত আক্ৰমণ বা দখলৰ কথা চিন্তা নকৰি এই চাৰিটা অঞ্চলকে নিজৰ বুলি লৈ প্ৰতিৰক্ষা ব্যৱস্থা গঢ়ি তুলিব পাৰে। যুদ্ধ সম্প্ৰসাৰণৰ সম্ভাৱনা সেয়ে ক্ষীণ হৈ আহিছে বুলি একাংশ বিশেষজ্ঞই ক'ব খোজে। আনহাতে, ৰাছিয়াৰ বিৰুদ্ধে আমেৰিকা আৰু ইয়াৰ নেতৃত্বাধীন পশ্চিমীয়া সামৰিক গোষ্ঠী নাটো অধিক আক্ৰমণাত্মক আৰু আগ্ৰাসী হৈ পৰাৰ ইংগিত দেখা গৈছে। ইউক্ৰেইনক পুনৰ হেজাৰ হেজাৰ কোটি টকাৰ অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ সাহায্য আগবঢ়াইছে আমেৰিকাই। স্মৰ্তব্য যে আমেৰিকা আৰু নাটোৰ অস্ত্ৰসাহায্য, প্ৰশিক্ষণ আৰু বিশেষজ্ঞৰ বাবেই যুদ্ধৰ ডেৰ-দুমাহমানৰ পাছত ইউক্ৰেইন অধিক শক্তিশালী ৰূপত ৰুছ সেনাৰ বিৰুদ্ধে থিয় দিবলৈ সক্ষম হ'ল আৰু ৰুছ সেনা পিছ হোঁহকিবলৈ বাধ্য হৈছে; কিন্তু আমেৰিকাই অস্ত্ৰসাহায্য দি যিমানেই যুদ্ধখন দীঘলীয়া হোৱাত সহায় কৰিব— এই যুদ্ধই সিমানেই বিপজ্জনক দিশলৈ গতি কৰাৰ সম্ভাৱনা দেখা গৈছে। আনকি পাৰমাণৱিক অস্ত্ৰ প্ৰয়োগৰো ভাবুকি আহিছে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আলোচনাই সমাধানৰ পথ হিচাপে দাঙি ধৰিছে; কিন্তু আমেৰিকাই এতিয়াও আলোচনাৰ নামেই লোৱা নাই।

## খোলা মঞ্চ

# এবাৰ মন্ত্ৰীৰ গাদীত বহিলে...



**অঞ্জন শৰ্মা**, লেখক

**স্বামী** বিবেকানন্দই কৈছিল—'দৰিদ্ৰতাৰ কৰাল গ্ৰাসৰ পৰা দেশৰ জনতাক মুক্ত কৰিব পৰাজনেই প্ৰকৃত ৰাজনীতিবিদ।' আকৌ গান্ধীয়ে কৈছিল—'দৰিদ্ৰ আৰু নিঃকিন মানুহৰ মুখবোৰ মনত পেলাই এবাৰ ভাবিবা তুমি কৰিবলৈ ওলোৱা কামটোৱে তেওঁলোকৰ কি উপকাৰ সাধিব, কিন্তু বাস্তৱ ক্ষেত্ৰত ইয়াৰ সম্পূৰ্ণ ওলোটাহে দেখা যায়। বৰ্তমানৰ জন প্ৰতিনিধিসকলে জনতাৰ দুখৰ ফালে পিঠি দি সম্পত্তিৰ পাহাৰ গঢ়াৰ অঘোষিত প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে। নিৰ্বাচনৰ সময়ত নানান ভুৱা প্ৰতিশ্ৰুতি দি এবাৰ গাদীত বহি ল'লে চৰকাৰী দৰমহাৰ উপৰি অন্যান্য বানচ আৰু কাৰ্যকাল শেষ হোৱাৰ পাছত তেওঁলোকে বুজন পৰিমাণৰ পেঞ্চন লাভ কৰি বিলাসী জীৱন যাপন কৰে। জনপ্ৰতিনিধি হোৱা কালছোৱাত বহুতে তেওঁলোকৰ ল'ৰা-ছোৱালীক কোনো ধৰণৰ যোগ্যতা অবিহনেই ৰাজপত্ৰিত বিষয়া পদত মকৰল কৰোৱাৰ ফলত বহু প্ৰতিভা সম্পন্ন যুৱক-যুৱতী চাকৰিৰ পৰা বঞ্চিত হয় আৰু প্ৰশাসনীয় ক্ষেত্ৰত অৰাজকতাৰ সৃষ্টি হয়। চৰকাৰী দৰমহা আৰু অন্যান্য সুবিধা পোৱাৰ উপৰি সমষ্টি উন্নয়নৰ ধন আত্মসাৎ কৰাৰ ফলত জনসাধাৰণে দুৰ্ভোগ ভুগিব লগা হয়।

চৰকাৰে জনসাধাৰণক বিনামূলীয়াকৈ যোগান ধৰা চাউল, গৃহ, বিদ্যুৎ ইত্যাদিয়েই জনসাধাৰণক দৰিদ্ৰতাৰ পৰা পৰিত্ৰাণৰ উপায় বুলি বহুতে ক'ব খোজে; কিন্তু প্ৰকৃতাৰ্থত সেয়া সঁচা নহয়। বাংলাদেশৰ বিখ্যাত অৰ্থনীতিবিদ মঃ ইউছুফে কৈছিল; 'দানে দৰিদ্ৰৰ সমস্যা সমাধান নকৰে বৰঞ্চ ই সমস্যা সমাধানৰ সলনি বিবেকৰ এক সুৰঙাহে তৈয়াৰ কৰি দিয়ে।' ভাৰতৰ প্ৰয়াত প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে কৈছিল—'শিক্ষা, স্বাস্থ্য আৰু ন্যায়ৰ বাহিৰে জনসাধাৰণক একো বস্তু বিনামূলীয়াকৈ দিব নালাগে।'

এবাৰ মন্ত্ৰীৰ গাদীত বহিলে চৈধ্য পুৰুষলৈ চিন্তা নাই বোলা কথাষাৰ সকলোৰে ক্ষেত্ৰত সঁচা বুলি প্ৰযোজ্য নহয়। উদাহৰণস্বৰূপে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লালুপ্ৰসাদ যাদৱে পশু খাদ্য কেলেংকাৰিত জড়িত হৈ ৰঙা ঘৰৰ ভাত খাব লগা হৈছে।

*ফোন ঃ ৮৭৫৩৯৪৭৩৪৮*

# অলিয়ে-গলিয়ে কিতাপঘৰ থকা গাঁওখন

**ভাৰতখনৰ কেৰালা প্ৰদেশৰ কোল্লাম জিলাৰ কোত্তাৰাক্কাৰে চহৰৰ পৰা পাঁচ মাইল আঁতৰৰ এখনি সৰু গাঁও পেৰুমকুলামৰ কথা। এই গাঁওখনৰ পথ-প্ৰান্তৰত খোজ কাঢ়ি গৈ থাকি বিচাৰি পাব কিতাপ-ঘৰ। তাতেই বহি-বহি কিতাপৰ পৰা আৰম্ভ কৰি বাতৰি-কাকতো পঢ়িবলৈ পাব। ২০১৭ত এই গাঁওখনে 'গ্ৰন্থ-গ্ৰাম' বুলি খ্যাতি লভিছে**

**ড° খনীন চৌধুৰী**

অকল সেয়ে নহয়, এসময়ত এখন চহৰৰ হাটীয়ে-হাটীয়ে আছিল পুথিভঁৰাল, লগতে 'পৰমানন্দ-পুথিভঁৰাল'। এয়া তাৰেই অলপ অৱলোকন। তাতেই আৰম্ভ হৈছিল আমাৰ জ্ঞানান্বেষণৰ যাত্ৰা—এক মাত্ৰা জড়িত হৈ। সেয়া যোৱাটো শতিকাৰ পাছৰ ভাগৰ কথা।

পোনতে আৰম্ভ কৰিছো সেই গাঁওখনৰ কথাৰে। ২১ শতিকাৰ যিখন গাঁৱৰ অলি-গলিত আছে পুথিভঁৰাল। আচৰিত সেইখন গাঁও, য'ত কিতাপ বিচাৰি আপুনি যাব নালাগে কোনো পুথিভঁৰাললৈ বুলি।

গোটেই গাঁও জুৰিয়েই সিঁচৰতি হৈ ৰৈছে কিতাপ, কেৱল কিতাপ। গাঁওখনৰ প্ৰতিটো ভাঁজতেই ৰখা হৈছে— 'বুক-চেল্‌ফ'। আৰু তাতেই সজাই থোৱা হৈছে ঠাকে-ঠাকে কিতাপ—কেৱল কিতাপ।

এয়া আমাৰেই ভাৰতখনৰ কেৰালা প্ৰদেশৰ কোল্লাম জিলাৰ কোত্তাৰাক্কাৰে চহৰৰ পৰা পাঁচ মাইল আঁতৰৰ এখনি সৰু গাঁও পেৰুমকুলামৰ কথা। এই গাঁওখনৰ পথ-প্ৰান্তৰত খোজ কাঢ়ি গৈ থাকি বিচাৰি পাব কিতাপ-ঘৰ। তাতেই বহি-বহি কিতাপৰ পৰা আৰম্ভ কৰি বাতৰি-কাকতো পঢ়িবলৈ পাব। ২০১৭ত এই গাঁওখনে 'গ্ৰন্থ-গ্ৰাম' বুলি খ্যাতি লভিছে। কিতাপ পঢ়াৰ সংস্কৃতি এটা গঢ়ি তোলাৰ মানসেৰে ১৯৪৮তেই আৰম্ভ হৈছিল এই গ্ৰন্থ-গ্ৰামৰ ধাৰণাটো আৰু ইয়াৰ লগতে কাৰ্যক্ৰমখিনি। সদ্য স্বাধীন ভাৰতে যেতিয়া মহাত্মা গান্ধীৰ হত্যাকাণ্ডত শোক প্ৰকাশ কৰি ৰৈছিল, সেই সময়তে কেৰালাৰ এই গাঁওখনত এদল যুৱকে এশখন কিতাপ সংগ্ৰহৰ এক লক্ষ্য লৈ কিতাপ সংগ্ৰহৰ কামত নিজকে নিয়োজিত কৰি ৰাখিছিল। পেৰুমকুলামৰ বাসিন্দা কৃষ্ণ পিল্লাই নামৰ এজন যুৱক আৰু তেওঁৰ বন্ধুসকলে মিলি কিতাপ সংগ্ৰহ কৰে। সংগ্ৰহিত কিতাপবোৰ পিল্লাই পৰিবাৰৰে এটি ঘৰত জমা কৰা হয়। এনেদৰেই গাঁওখনত প্ৰথম গ্ৰন্থাগাৰ স্থাপিত হয়। নাম দিয়া হয়— 'বাপুজী মেম'ৰিয়েল লাইব্ৰেৰী।'

১৯৫৭ত গ্ৰন্থাগাৰটোৱে নিজাকৈ এটা ভৱন পায়। ভৱনটো ২০০৮ত ক্ষতিগ্ৰস্ত হোৱাত গাঁওবাসীয়ে মিলি পুনৰ্নিৰ্মাণ কৰে। ২০১৬ত ইয়াক পুনৰ মেৰামতি কৰা হয়। পেৰুমকুলামৰ ৰাজীৱ নামৰ এজন বাসিন্দা এই গ্ৰন্থাগাৰটোৰ সভাপতি। ১৯৯৭ৰ পৰা তেওঁ ইয়াৰে স'তে জড়িত হৈ আছে। পুথিভঁৰালটোৱে বছৰি ৩২ হেজাৰ টকাকৈ ৰাষ্ট্ৰীয় ভাট্টা পায়।

এশখন কিতাপেৰে আৰম্ভ হোৱা এই লাইব্ৰেৰীটোত আজি প্ৰায় আঠ হেজাৰখন কিতাপ আছে। পিছে গাঁওখননো কেনেকৈ 'গ্ৰন্থ-গ্ৰাম' হিচাপে গঢ় ল'বলৈ পালে?

ইয়াৰ কাহিনীটো এনে ধৰণৰ—২০১৬ৰ ফালে বৰ্তমানৰ প্ৰজন্মই ঠিক কৰিলে যে গোটেই পেৰুমকুলামকেই গ্ৰন্থাগাৰ হিচাপে গঢ়ি তোলা হ'ব। পিছে সেয়ানো সম্ভৱ হ'ব কি দৰে? গাঁওখনৰ অলিবাটৰ ভাঁজে-ভাঁজে সৰু-সৰু কিতাপঘৰ গঢ়ি তোলাৰ সিদ্ধান্ত লোৱা হ'ল। আচলতে ৰাস্তাৰ কাষতেই গঢ়ি তোলা হয় সৰু-সৰু বুকচেল্‌ফ। সেই বুকচেল্‌ফৰ দৰ্জা খুলিয়েই কিতাপ লোৱা হয়। আৰু পুনৰ বন্ধ কৰি দিলেই ভিতৰত কিতাপ নিৰাপদে থাকে।

কাঠৰ বাকচৰ আকাৰৰ বুকচেল্‌ফবোৰ বৰষুণত যাতে নিভিজে তাৰো ব্যৱস্থা কৰা হয় উপযুক্ত আচ্ছাদনৰ সহায়ত।

পেৰুমকুলামৰ আলিকাষৰ এই একোটা কিতাপঘৰত থাকে ৫০ খনকৈ কিতাপ। এই পথ গ্ৰন্থাগাৰৰ পৰা কিতাপ লৈ পঢ়াৰ এক অভিনৱ নিয়মো আছে। এই কিতাপঘৰবোৰৰ পৰা কিতাপ পঢ়াৰ নামত কোনো মাচুল দিব নালাগে হয়, পিছে তাৰ ঠাইত পঢ়োতাজনে কিতাপ-ঘৰত কোনো কিতাপ লৈ পঢ়িব নিলে, তাৰ ঠাইত নিজৰ এখন কিতাপ ৰাখিব লাগিব।



এইবাৰ আহিছো আমাৰ অভিজ্ঞতালব্ধ তাহানিৰ পুথিভঁৰালৰ সোঁৱৰণখিনিলৈ। এক বৰ্গ মাইল মাটি কালিৰ সৰু চহৰখন। মুঠতে ২২খন হাটী বা পাৰা। ন-হাটীৰ 'ঔ-ৰ তল'ত 'মথুৰাদাস বুঢ়া আতা পুথিভঁৰাল'। দক্ষিণহাটীৰ বাটচ'ৰা পাৰ হৈ-'মাধৱদেৱ পুথি ভঁৰাল', উত্তৰ হাটীৰ বাটচ'ৰাৰ কাষত 'ড° ৰাজেন্দ্ৰ প্ৰসাদ লাইব্ৰেৰী'। মাজৰ হাটীৰ চ'কত 'শংকৰ হল লাইব্ৰেৰী', দহাটীত 'গগন চৌধুৰী পুথি ভঁৰাল', গলিয়া হাটীত 'প্ৰগতিসংঘ লাইব্ৰেৰী', 'বৰবাৰী কৃষ্টি-সংঘ', আমবাৰী হাটীৰ 'তৰুণ-সংঘ লাইব্ৰেৰী', আদি কে'বাটাও ওপৰৰ ধৰণৰেই পুথিভঁৰাল বা লাইব্ৰেৰী। আমি ন-হাটীৰ বাসিন্দা আছিলো। প্ৰতি দেওবাৰে একোখন কিতাপ এসপ্তাহৰ বাবে লৈছিলো—এক অনাৰ বিনিময়ত (ছয়পইচা) এটা সপ্তাহত এজনে চাৰিখনকৈ কিতাপ ল'ব পাৰিছিল চাৰি অনাতে। মথুৰাদাস বুঢ়া আতা লাইব্ৰেৰীৰ পৰায়েই আমি কিতাপ জগতখনৰ আৰম্ভ কৰিছিলোঁ—অসমীয়া কিতাপেৰে। মইনাৰ-সাধু, জোলোঙাৰ-সাধু, ঈছপৰ-সাধু, ল'ৰাৰ-জাতক, বুঢ়ী আইৰ সাধু, গ্ৰীমৰ-সাধু, মোঁপাচাৰ-গল্প, চেখভৰ-অনুপম গল্প, পাপ আৰু পৰাচিত, অপমানিত আৰু লাঞ্চিত, ডন-ধীৰে বয়, পশ্চিম সীমান্ত স্তব্ধ,পা-ফু ছিৰিজ, গুড-আৰ্থ, অদৃশ্য-মানৱ, চন্দ্ৰলোকলৈ,এৰাউণ্ড-দ্য-ৱৰ্ল্ড-ইন-এইটি-ডেজ, জাৰ্ণি-টু-দ্য চেণ্টাৰ-অফ-দ্য-অৰ্থ, জীৱন-লালসা, শ্বেক্সপীয়েৰৰ গল্প, জীন ভালজীনৰ কাহিনী, কাউণ্ট অফ্ মণ্টা ক্ৰিষ্টো, মাৰ্ক টোৱেইনৰ জীৱনী, মোৰ সত্য অন্বেষণৰ কাহিনী, ইলিয়াড, ওডিছি, বিলাতী হোজা, নগৰ দুখনৰ কথা, গ্ৰীচ আৰু ৰোমৰ সাধু, টলষ্টয়ৰ সাধু। তেতিয়াও হিতেশ ডেকা, পদ্ম বৰকটকী, মহিম বৰা, আব্দুল মালিক.. আদি আহি পোৱা নাই।

প্ৰাক-স্বাধীনতা কালৰ কথা। অসমত ব্ৰিটিছশাসক গোষ্ঠীয়ে বিভাগীয় পুথিভঁৰাল স্থাপন কৰিছিল—তেওঁলোকৰ সুবিধাৰ্থে। ইয়াৰ বাহিৰে পৰিয়ালৰ ব্যক্তিগত পুথিভঁৰালবোৰৰ বাদে আৰু সত্ৰসমূহৰ পুথিভঁৰালবোৰত বাদে গাঁৱৰ নামঘৰসমূহত আছিল বুজন পৰিমাণৰ পাণ্ডুলিপি—ধৰ্মীয় জ্ঞান দিব পৰাকৈ। আধুনিক যুগৰ লাইব্ৰেৰীৰ ধাৰণা অসমলৈ আহিছিল ১৯০৩ত। অসম চৰকাৰে থাপিছিল ৰাজহুৱা লাইব্ৰেৰী শ্বিলং চহৰত। প্ৰধানকৈ চৰকাৰী বিষয়াসকলৰ কামত লগাকৈ। অসমৰ পুথিভঁৰালৰ স্থাপন আৰু বিকাশৰ ক্ষেত্ৰখনত উল্লেখযোগ্য বৰঙণি আগবঢ়াই গৈছে এজন স্কুল শিক্ষক, 'গোলাই-ছিৰিজ'ৰ স্ৰষ্টা-কুমুদেশ্বৰ বৰঠাকুৰে। অসমৰ পুথিভঁৰালৰ এক সু-প্ৰতিষ্ঠিত বিকাশৰ বাবে তেওঁ সেইকালৰ বৰোদা ৰাজ্য ভ্ৰমণ কৰিছিল এক মিছনেৰে। এই কামত সহযোগিতা আগবঢ়াইছিল সেই সময়ৰ অসমৰ প্ৰধানমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে। গুৱাহাটীত এই উদ্দেশ্যে এখন বৰ ডাঙৰ সভা হৈছিল। বহুতো অশিক্ষিত লোকক ধৰি পণ্ডিত সকলৰ আগমন হৈছিল সেই সভাত। বৰঠাকুৰৰ দৰে এই মহান ব্যক্তিজনাৰ বাবেই এছ'চিয়েছনখনে সেই পোহৰৰ ৰেশ পাইছিল। পুথিভঁৰালৰ ধাৰণাটোৱে গাঁৱলৈকেও বিয়পি পৰিছিল। গ্ৰামাঞ্চলৰ ছাত্ৰসকলে আগভাগ লৈছিল। বৰঠাকুৰে বৰোদাত হোৱা সদৌ ভাৰত পুথিভঁৰাল সন্মিলনত যোগ দিছিল। সময়ে সময়ে। তেওঁৰ এই প্ৰচেষ্টা পিছে প্ৰায় অকলেই আছিল যদিও, অত্যুত্তম স্তৰৰ আছিল। ১৯৩৮ত আৰম্ভ হৈছিল 'সদৌ অসম পুথিভঁৰাল সংঘ'। ইয়াৰ গুৰি ধৰিছিল এই জনা অসম হিতৈষী কুমুদেশ্বৰ বৰঠাকুৰে।

অসমীয়া মানুহৰ কিতাপ পঢ়াৰ প্ৰতি ধাউতি বঢ়াবলৈ তেওঁ অসমৰ গাঁৱে-ভূঞে পুথিভঁৰাল স্থাপন কৰি এক পুথিভঁৰাল আন্দোলন গঢ়ি তোলে। এটা চকা লগোৱা আলমাৰীৰে তেওঁ পৰমানন্দ পুথিভঁৰাল আৰম্ভ কৰিছিল। কুমুদেশ্বৰ বৰঠাকুৰ বৰদলৈৰ পৰম বন্ধু আছিল। তেওঁৰ এই পুথিভঁৰাল আন্দোলনৰ প্ৰতি সঁহাৰি জনাই বৰদলৈয়ে প্ৰতিখন গাঁৱতে পুথিভঁৰাল আৰু যুৱসংঘ স্থাপন কৰিবলৈ নিৰ্দেশ জাৰি কৰে। তেওঁৰ এই পুথিভঁৰাল আন্দোলনত সহায় কৰিছিল ছাত্ৰ আৰু উৎসাহী ডেকাসকলে।

*ফোন ঃ ৮৭৫৩০৮০৩২৭*

# ক'ত মোৰ চেনেহৰ মা

## সদ্যপ্ৰয়াত আইৰ সোঁৱৰণত অশ্ৰু শিক্ত নয়নেৰে একাজলি শ্ৰদ্ধাঞ্জলি



**অৱলোকন**

**চাইৰা ইছলাম বড়া**



**মানুহ** মাত্ৰেই অনুভূতিপ্ৰৱণ। জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ সমান্তৰালভাৱে সকলোৰে মনে নিজাকৈ এখন অনুভৱৰ জগতত বিচৰণ কৰে। মনৰ গভীৰ অনুভৱত কেতিয়াবা আমি কল্পনাৰ কাৰেং সাজো, আন কেতিয়াবা বাস্তৱৰ কঠিন আঘাতৰ ভৰ সহিব নোৱাৰি আপোনজনক মৃত্যুৰ পাছতো হৃদয়ত আলফুলে সাৰটি ৰখাৰ বৃথা প্ৰয়াস কৰো। মৃত্যুৰ পাছত জীৱন দান দিব নোৱাৰা ধ্ৰুৱ সত্যক সকলোৱে অকপটে স্বীকাৰ কৰো যদিও আপোনজনক হেৰুওৱাৰ পাছতো তেওঁৰ অস্তিত্ব আমাৰ চাৰিওকাষে সদায়েই অনুভূত হৈ থাকে। সেই অস্তিত্বৰ আৱৰণত আমি নিজকে সুৰক্ষিত অনুভৱ কৰি আত্মসন্তুষ্টি লভাৰ চেষ্টা কৰো। জীৱনৰ ৰহস্য প্ৰকৃততে কি? জীৱন সম্পৰ্কে ভিন্ন লোকৰ ভিন্ন মত। মৃত্যু জীৱনৰ অনিবাৰ্য পৰিণতি। বাৰ্ণাৰ্ড শ্বৰ মতে— 'জীৱন মৃত্যুতকৈ শ্ৰেষ্ঠ আৰু ই কেতিয়াও হতাশা নহয়, আশা।' জন্মিলে এদিন মৃত্যু হ'বইস্ এয়াই চিৰসত্য। এই পৃথিৱীত মৃত্যুতকৈ হৃদয়বিদাৰক নিষ্ঠুৰ বাস্তৱ আন একোৱেই হ'ব নোৱাৰে। এই মৃত্যু যাৰেই নহওক সহজ অৰ্থত কোনেও মানি ল'ব নোৱাৰে। আপোনক হেৰুওৱাৰ যন্ত্ৰণা ভুক্তভোগীজনৰ বাহিৰে আনে হৃদয়ংগম কৰাটো সম্ভৱ নহয়। কঠিন সময়ৰ সন্মুখীন নোহোৱালৈকে আমি অনুভৱেই কৰিব নোৱাৰো যে এনে যন্ত্ৰণা কিমান হৃদয়বিদাৰক। এই পৃথিৱীত সময়েই একমাত্ৰ সত্য, যি নেকি কালৈও অপেক্ষা কৰিব নোৱাৰে। আপোন গতিত সময় আগুৱাই গৈ থাকে জীৱনৰ প্ৰকৃত সত্য অনুধাৱন কৰি। আমি মনুষ্যই একো উৱাদিহেই নাপাওঁ জন্ম মৃত্যুৰ গভীৰ ৰহস্য, তীব্ৰ যাতনা সহ্য কৰিবলৈ সময়েই আমাক ধৈৰ্য আৰু সাহস দিয়ে, মৃত্যুৰ দৰে নিদাৰুণ সত্যকো মানি লৈ জীৱন সংগ্ৰামত আমি ব্ৰতী হৈ পৰো দায়িত্ব পালনৰ উদ্দেশ্যে। মানৱীয় শক্তিৰে মহীয়ান অফুৰন্ত জ্ঞান বুদ্ধিৰে নিজকে চম্ভালি লওঁ সমাজৰ এজন হৈ। সমস্ত ঘাত-প্ৰতিঘাত একাষৰীয়া কৰি সময়ৰ স'তে হাঁহিমুখে যুঁজ দি যাবলৈ একমাত্ৰ এক ঐশ্বৰিক শক্তিয়েহে আমাক অদ্ভুত প্ৰেৰণা দি যায়। এই ধৰালৈ আমি সকলো অকলে আহিছো আৰু এদিন অকলেই যামগৈ, পৃথিৱীৰ খন্তেকীয়া মায়া-মোহত বন্দী সকলো। দৰাচলতে জীৱনটো হাঁহি-কান্দোনৰ মাজত সংমিশ্ৰিত এক অনিশ্চিত ৰোমাঞ্চকৰ যাত্ৰা। বহুজনক পোৱাৰ উল্লাসত হাঁহিছো, আনহাতে বহুজনক হেৰুৱাই দিশহাৰা হৈ পৰিছো। কঠিন বাস্তৱত জীৱনৰ ৰহস্য অনুধাৱন কৰি কেতিয়াবা ভাগৰি পৰিছো। কোনেও নাজানে কোন মুহূৰ্তত মৃত্যুৰ ছাঁয়াই আৱৰি ধৰিব, খন্তেকতে নিজৰ অথবা অতিকৈ আপোনজনৰ শৰীৰটো নিঠৰ হৈ পৰিব। আপোনজনক চিৰকাললৈ হেৰুৱাব লগা বিৰহ বেদনা আমৃত্যু বুকুৰ মাজত কেঁচা ঘাঁ হৈয়েই থাকে। সংসাৰৰ এই চিৰাচৰিত ৰীতি মানি ল'বলৈ কষ্ট হ'লেও আমি সকলো বাধ্য সময়ৰ আহ্বানক নতশিৰে স্বীকাৰ কৰি ল'বলৈ। জীৱন কালত কৰ্মই ধৰ্ম, সময়ৰ সোতত বয়সবোৰ উটি-ভাঁহি গৈ থাকে, সেয়ে প্ৰতিটো মূহূৰ্তত নিজৰ দায়বদ্ধতা এনেদৰে পালন কৰা উচিত যাতে জীৱন স্মৰণীয় হৈ ৰয়।

এয়াই ধ্ৰুৱ সত্য যে যুগৰ যিমানেই পৰিৱৰ্তন নহওক মৃত্যুক কোনেও সহজভাৱে ল'ব নোৱাৰে। তাতে সেই মৃত্যু যদি পিতৃ বা মাতৃৰ হয় সেই দুখে জীৱনজুৰি আমাক দহি মাৰে। মাত্ৰ আজি কিছুদিনৰ আগতে মোৰ জীৱনলৈও নামি অহা এজাক কাল ধুমুহাই সন্মুখৰ পথ আন্ধাৰ কৰি গ'ল। যোৱাটো মাহৰ কোনোবা এটা অশুভ ক্ষণত জন্মদাত্ৰী মাতৃক চিৰকাললৈ হেৰুৱাব লগা দু:সহ বেদনাৰ গধুৰ বোজা অহৰহ বুকুত কঢ়িয়াই লৈ ফুৰিছো। উমি উমি জ্বলি থকা অপ্ৰকাশিত বেদনাৰ পৰা কিছু হ'লেও উপশম পোৱাৰ নিমিত্তে অত্যধিক ব্যস্ততাৰ মাজত নিজকে আত্মনিয়োগ কৰাৰ অপ্ৰাণ চেষ্টা কৰিছো। মাতৃৰ সান্নিধ্যৰ অভাৱ অনুভৱ কৰি আজিও ক্লান্ত উদাসী দুচকুৱে বিচাৰি ফুৰে মাৰ অস্তিত্ব। মোৰ শেতা পৰা মৌন ওঠৰ হাঁহি আজিও যেন নিস্প্ৰভ। চৌদিশে কেৱল নিজান নিস্তব্ধ অন্ধকাৰাচ্ছন্ন। মাৰ আঙুলিৰ পৰশত দৈনিক বহুবাৰ বাজি উঠা মোৰ ম'বাইল ফোনটো এতিয়া যেন নিঠৰ, শব্দহীন, বিকল হৈ পৰিল। পুৱাৰ পৰা নিশালৈ অতিবাহিত কৰা প্ৰতিটো দিনৰ সবিশেষ মায়ে ফোনতে মোক অৱগত কৰি এক অনন্য সন্তুষ্টি লভিছিল। তেওঁৰ মৰমৰ বহুতো সম্পদ আজি কিছুদিনৰ পৰা মোলৈ পঠিয়াই স্বস্তিৰ নিঃশ্বাস এৰিছিল। তেনেদৰেই বহু কথাৰ, ভাৱৰ আদান প্ৰদানৰ লগতে সম্পূৰ্ণ ব্যক্তিগত সামগ্ৰী কেতবোৰ মোলৈ ঘনাই প্ৰেৰণ কৰাত কেতিয়াবা মই অস্বস্তিত পৰিছিলো; কিন্তু আজি সেইসমূহ স্মৃতি বিজড়িত সামগ্ৰী বৰ্তমান মোৰ বাবে এপদ এপদ অমূল্য ৰত্নৰ দৰে। দিনটোত উপৰ্যুপৰি বাৰম্বাৰ অহা মাতৃৰ ফোনটোত কেতিয়াবা ব্যস্ততাৰ বাবে অৱহেলা কৰাৰ বাবেই হয়তো এতিয়া যেন মায়ে ঠেহ পাতি চিৰদিনলৈ মোক ব্লেক লিষ্টেড কৰি আঁতৰি গ'ল। কিছুদিনৰ পৰা মাৰ চকু জুৰিৰ দুৰ্বলতাৰ বাবে বৃহস্পতিবাৰৰ সংখ্যাৰ বিশেষ লেখনি কিছুমান ম'বাইলতে পঢ়ি শুনাইছিলো, মায়ে শুনি অন্তঃকৰণেৰে আত্মসন্তুষ্টি প্ৰকাশ কৰিছিল চেনেহৰ জীয়ৰীৰ অনুসন্ধিৎসু মনটোৰ উমান পাই। মাক হেৰুৱাই বহু উজাগৰি নিশা পাৰ কৰাৰ লগতে হৃদয়ত হেজাৰ প্ৰশ্নৰ উদ্‌গীৰণৰ ঢৌ উঠে, এই বিশাল পৃথিৱীত ক'ত মোৰ মা হেৰাই গ'ল? চিকিৎসা সম্পূৰ্ণ কৰি ঘৰলৈ উভতি অহাৰ দুদিনৰ পাছত হঠাতে হোৱা মাৰ আকস্মিক মৃত্যুত বাকৰুদ্ধ হৈ পৰা মোৰ কণ্ঠ আজিও দুৰ্বল, অসহায়। দুখৰ এটা এটা দিন নাযায় নুপুৰায়। এনে ভাৱ হয় দেহ-মনৰ সমস্ত শক্তি যেন হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। পামনে বাৰু কেতিয়াবা মাৰ আদৰ-চেনেহৰ এষাৰি মাত, মাক হেৰুৱাই ভাৰিছিলো জীৱনত হয়তো আৰু কোনো দিনেই মোৰ অনুভৱবোৰ, ৰিক্ত হৃদয়ৰ হাঁহি- কান্দোনবোৰ অনুৰাগীসকলৰ মাজত ব্যক্ত কৰিব নোৱাৰিম, মনৰ চিঞৰাহীবোৰ যেন গোট মাৰি গ'ল; কিন্তু বহু আত্মসংযমৰ পাছত দায়িত্ববোধৰ তাগিদাত সেমেকা মনেৰে কম্পিত হাতেৰে পুনৰ মই কলম তুলি ল'লো যিহেতু মোৰ দায়িত্ব আছে প্ৰিয় কাকতখনৰ প্ৰতি মোৰ দায়িত্ব আছে। শ্ৰদ্ধাৰ পাঠকবৃন্দৰ প্ৰতি যিহেতু সপ্তাহৰ এটা দিন 'অগ্ৰদূত'ৰ জড়িয়তে মোৰ কলমৰ অনুৰাগীসকলৰ স'তে ভাৱ-বিনিময় কৰাৰ সুবিধা 'অগ্ৰদূত'-এ মোক দিছে, সেয়ে মনৰ সুখ দুখবোৰ ভাগ-বাটোৱাৰা কৰিবলৈয়ে মাতৃক হেৰুওৱা বেদনাৰ দুখৰ সময়তো মোৰ কলম থমকি ৰোৱা নাই। প্ৰকৃত অৰ্থত এয়াই জীৱনৰ বাস্তৱতা। সুখ-দুখ, পোৱা-নোপোৱা জীৱনৰ চিৰলগৰীয়া। জীৱনৰ লগত কৰ্তব্যবোধৰো ওতঃপ্ৰোত সম্বন্ধ আছে। দৈনন্দিন জীৱনৰ প্ৰতিটো খোজক আমি তেতিয়াহে উপলব্ধি কৰিব পাৰিম, যেতিয়া কৰ্তব্যবোধক জীৱনৰ স'তে একাত্মভাৱে সাঙুৰি ল'ম। কৰ্তব্যবোধ কেৱলমাত্ৰ অনুভৱ হ'ব নোৱাৰে, কৰ্তব্যবোধ হ'ল সমগ্ৰ জীৱনজোৰা এক সাধনা। দুখৰ দিনত বাস্তৱ পৰিস্থিতিৰ স'তে সহাৱস্থান কৰি আগুৱাই যোৱাৰ নামেই যে জীৱন! মা-দেউতাৰ স্মৃতি সযতনে বুকুত বান্ধি, আশীৰ্বাদ শিৰত লৈ এতিয়া মাথোঁ আপোন মনে নিজৰ কৰ্তব্য কৰি যাম। মা তুমি য'তেই আছা নিৰ্ভয়ে-নিচিন্তে শান্তিত থাকা। মোৰ দৃঢ় বিশ্বাস আছে যে তুমি আৰু দেউতাই দি যোৱা আদৰ্শৰে জীৱন সংগ্ৰামৰ বাধা নেওচি নিজ কৰ্তব্য সুচাৰুভাৱে পালন কৰি যাবলৈ ভগৱানে মোক শক্তি দিব।

জীৱন জীয়াই থকাৰ  
দুৰ্বাৰ হেপাঁহ  
জীৱন সময়ৰ কুটিল হাতোৰাত বন্দী হোৱা  
এক নিৰ্মম যন্ত্ৰণা।।

*ফোন ঃ ৯১০১৫১৭৮৪৭*

# বিত্তীয় সংকটত ৰাজ্য

**যোৱা** ২১ ছেপ্টেম্বৰৰ সংখ্যাত প্ৰকাশ পোৱা সম্পাদকীয় পৃষ্ঠাৰ সম্পাদকৰ কলম 'বিত্তীয় সংকটত ৰাজ্য' শীৰ্ষক লেখাটোৰ জৰিয়তে বৰ্তমান ৰাজ্যৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে ভালেখিনি কথা কোৱা হৈছে। শেহতীয়াকৈ কেগে অসম বিধানসভাত দাখিল কৰা প্ৰতিবেদনত ৰাজ্যত সংঘটিত এই ভয়াবহ বিত্তীয় বিশৃংখলাৰ বিষয়ে প্ৰকাশ কৰিছে। যিটো অসমৰ ভৱিষ্যৎ অৰ্থনৈতিক ব্যৱস্থাৰ বাবে অশনি সংকেত। এখন দেশ বা ৰাজ্য সামগ্ৰিক অৰ্থনৈতিক ব্যৱস্থাটোৰ ওপৰত ভিত্তি কৰি দেশ অথবা ৰাজ্যৰ বহনীয় বৃদ্ধিৰ হাৰ নিৰ্ভৰ কৰে। তেনেস্থলত অসমৰ দৰে ৰাজ্য এখনত কেগ'ৰ এই বিত্তীয় সংকটৰ প্ৰতিবেদন বাৰুকৈয়ে চিন্তাৰ বিষয়। কেগৰ প্ৰতিবেদনে স্পষ্ট কৰিছে যে যোৱা কিছু বছৰৰ তুলনাত ২০১৯-২০ বিত্তীয় বৰ্ষৰ মূল ধন ব্যয় যথেষ্ট হ্ৰাস পাইছে। প্ৰকাশ পোৱা অনুসৰি ৰাজ্য চৰকাৰে নিৰ্বাচনী প্ৰচাৰৰ সময়ত ঘোষণা কৰা নানা অভিলাষী আঁচনিসমূহ হিতাধাৰীক সন্তুষ্ট কৰাৰ লক্ষ্যৰে বিভিন্ন জলপানি মূল্য ঘোষণা কৰা। যিবোৰ ঘোষণা কেতিয়াবা বাজেট কমিটীৰ সদস্যৰ পৰ্যালোচনা অবিহনে কৰা হয়। যাৰ ফলত বাজেট প্ৰতিবছৰে ধৰুৱা হয় আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত প্ৰতিশ্ৰুতিসমূহ পূৰণত ব্যৰ্থ হোৱা দেখা যায়। কেতবোৰ বিভিন্ন সমস্যাৰ আসোঁৱাহ থকা অসমৰ অৰ্থনৈতিক ব্যৱস্থাটো কেনেকৈ টনকিয়াল কৰিব পৰা যায়, সেই বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত। অন্যথা অসমৰ বিত্তীয় ব্যৱস্থা সংকটৰ পৰা পুনৰ উদ্ধাৰ কৰা অসম্ভৱ।

তদুপৰি ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত অসম অন্য ৰাজ্যৰ তুলনাত যথেষ্ট পিছপৰা। একমাত্ৰ আৱকাৰী বিভাগটোৰ বাহিৰে কৰ সংগ্ৰহৰ ক্ষেত্ৰত অইন বিভাগসমূহ যথেষ্ট আগবঢ়া নহয়। চৰকাৰৰ কৰ সংগ্ৰহ ব্যৱস্থাটো অধিক টনকিয়ালৰ বাবে অন্য বিভাগ যেনে 'পৰিবহণ', পৰ্যটন আৰু ঔদ্যোগিক বিভাগে সঠিক পৰ্যালোচনাৰ যোগেদি কিছু ব্যৱস্থা হাতত লোৱা উচিত। কিয়নো এই বিভাগকেইটাত যথেষ্ট মাত্ৰাত কৰ সংগ্ৰহ কৰিব পৰা যায়। সাধাৰণতে পৰিবহণ বিভাগত বহুলোকে গাড়ী মটৰৰ বছেৰেকীয়া কৰ পৰিশোধ কৰাৰ পৰিৱৰ্তে লাখ লাখ টকা কৰ ফাঁকি দিয়া দেখা যায়। তদুপৰি পৰ্যটন বিভাগে বিভিন্ন পৰ্যটনস্থলীসমূহত প্ৰচাৰ আৰু প্ৰসাৰৰ জৰিয়তে যথেষ্ট মাত্ৰাত কৰ সংগ্ৰহ কৰিব পাৰে। ৰাষ্ট্ৰীয় উদ্যান, মঠ-মন্দিৰৰ বাহিৰে পৰ্যটন কৰ সংগ্ৰহৰ ক্ষেত্ৰত নদী পৰ্যটন উদ্যোগ অন্যতম। পৰ্যাপ্ত কৰ সংগ্ৰহৰ দ্বাৰা ৰাজ্য এখনৰ সামূহিক অৰ্থনৈতিক বিকাশ সম্ভৱ। আনহাতে সম্পত্তিৰ কৰ অতি কম। বহুলোকে বাণিজ্যিক সম্পত্তিৰ কৰ বহন কৰাৰ পৰিৱৰ্তে ঘৰুৱা সম্পত্তিৰ কৰ আদায় কৰি আহিছে। ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত থকা কেতবোৰ আসোঁৱাহ দূৰ কৰিবলৈ সংশ্লিষ্ট আয়কৰ বিভাগে কঠোৰ পদক্ষেপ লোৱা উচিত। বৰ্তমান চৰকাৰৰ সময়ত নিযুক্তিৰ সংখ্যা জিডিপি আগৰ তুলনাত বাঢ়িছে যদিও ভৱিষ্যতৰ অৰ্থনৈতিক ব্যৱস্থা আৰু বহনীয়াৰ হাৰ বৃদ্ধিৰ লক্ষ্যৰে বাস্তৱসন্মত নীতি প্ৰস্তুত কৰা যথেষ্ট প্ৰয়োজন আছে।

**নয়নজ্যোতি বৈশ্য**, ফোন ঃ ৯১০১২৪৩১৮৪

# কাজিৰঙা ৰিজৰ্টত চিন্তন শিবিৰ

**অভিমত**

**গোলাঘাট** জিলাৰ কাজিৰঙাৰ 'বৰগছ' ৰিজৰ্টত তিনিদিনীয়া কাৰ্যসূচীৰে (২৫--২৭ ছেপ্টেম্বৰ) অনুষ্ঠিত হোৱা চিন্তন শিবিৰত অসমৰ মুখ্যমন্ত্ৰীকে ধৰি ক্ৰমে ৰঞ্জিত কুমাৰ দাস, অতুল বৰা, উৰ্খাওঁ গৌৰা ব্ৰহ্ম, পৰিমল শুক্লবৈদ্য, কেশৱ মহন্ত, ৰণোজ পেগু, অশোক সিংঘল, যোগেন মহন, সঞ্জয় কিষাণ, অজন্তা নেওগ, জয়ন্ত মল্ল বৰুৱা, পীযুষ হাজৰিকা, অসম চৰকাৰৰ মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, ৰাজ্যৰ ভালেসংখ্যক উচ্চপদস্থ আমোলা বিষয়া, কৰ্ণাটকৰ জৰীপ, বন্দবস্তি, ভূমি তথ্য বিভাগৰ আয়ুক্ত, মণিষ মৌদগীলে, উত্তৰ প্ৰদেশৰ মুখ্য সচিব দুৰ্গা শংকৰ মিশ্ৰ, অন্ধ্ৰপ্ৰদেশৰ মুখ্য সচিব সমীৰ শৰ্মা আদি বহিঃৰাজ্যৰ আমোলা বিষয়াসকল উক্ত চিন্তন শিবিৰত উপস্থিত থাকি চিন্তন পৰ্যালোচনা নিজ নিজ ৰাজ্যৰ আন্তঃগাঁথনি উন্নয়ন বিভাগসমূহৰ উন্নয়নৰ দিশসমূহৰ ওপৰত দীঘলীয়া বক্তৃতা প্ৰদান কৰিছিল বুলি বাতৰি কাকতৰ জৰিয়তে জানিব পাৰিছো। উক্ত চিন্তন শিবিৰত আধ্যাত্মিক গুৰু ৰবি শংকৰে মানুহৰ খং-দমন, ৰাগ, হাঁহি-কান্দোন, কৃষি ব্যৱস্থাৰ উন্নয়ন, মানসিক স্বাস্থ্য সবল কৰণ, মেডিটেচন, উগ্ৰপন্থী সমস্যা সমাধান সংঘাট নিৰাকৰণ, মানৱীয় সম্পৰ্ক ৰক্ষা কৰা, কৰ্মক্ষেত্ৰত আগবঢ়াৰ কৌশল, সৃজনীমূলক ধ্যান-ধাৰণা আদিৰ ওপৰত বিস্তৃত চিন্তন সমল আগবঢ়ায় বুলিও বাতৰি কাকতৰ মাধ্যমেৰে জানিব পাৰিছো। আধ্যাত্মিক গুৰুজনে উপস্থিত মুখ্যমন্ত্ৰী, মন্ত্ৰীবৰ্গ আৰু আমোলা বিষয়াসকলৰ স'তেও মত-বিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰে হেনো।

আধ্যাত্মিক গুৰুজনে বিভিন্ন বিষয় সামৰি মানৱ কল্যাণ মন্ত্ৰী-বিষয়া-কৰ্মচাৰীৰ উন্নয়ন আদিৰে চিন্তন শিবিৰ মন্ত্ৰমুগ্ধ কৰি ৰাখে। কিন্তু আধ্যাত্মিক গুৰুজনাই চিন্তন শিবিৰত দুৰ্নীতিগ্ৰস্ত নেতা, বিষয়া, সমাজবিৰোধী আদিয়ে সমাজত যি অন্যায়-অনীতিৰ ধনৰ-পাহাৰ গঢ়িছে সেই কথা নক'লে। চৰকাৰী আঁচনিৰ ধন কুক্ষিগত কৰি দেশৰ সম্পদ লুণ্ঠন কৰিছে বা দুৰ্নীতিকাৰীসকলক দুৰ্নীতি কৰাৰ বাবে অনুপ্ৰাণিত কৰিছে তাৰ বিৱৰণ আধ্যাত্মিক গুৰুজনাৰ 'চিন্তন' শিবিৰত কাকতত পঢ়িবলৈ নাপাই হতাশাত ভুগিছো। দুৰ্নীতিকাৰীসকলে যে দুৰ্নীতিৰ ধনেৰে লাহ-বিলাহৰ জীৱন কটাইছে, বিদেশী বেংকত টকা সাচিছে, সোণ-ৰূপ-হীৰা আদি স্থাবৰ, অস্থাবৰ সম্পত্তিৰ পাহাৰ গঢ়িছে তাৰ কোনো উল্লেখ নাই। দিল্লী, মুম্বাই চেন্নাই-বাংগালুৰ আদি ঠাইত ফ্লেট ক্ৰয় কৰিছে অন্যায়ভাৱে উপাৰ্জন কৰা ধনেৰে। সৰ্বসাধাৰণক যে ঠগি আছে, তাৰ উল্লেখ নাই চিন্তন বৈঠকত। মুঠতে কি মন্ত্ৰী, আমোলা-বিষয়া-কৰ্মচাৰী ঠিকাদাৰ আদিয়ে অসৎ উপায়েৰে ধন অৰ্জনত লিপ্ত তেওঁলোকক তেনে কামত প্ৰবৃত্ত নহ'বলৈ আধ্যাত্মিক গুৰু ৰবিশংকৰৰ কি উপদেশ, যাৰ দ্বাৰা দহৰ, দেশৰ, উঠি অহা নৱ প্ৰজন্ম সমাজ হিতৈষী, জ্যেষ্ঠ নাগৰিক, সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ উন্নয়ন হ'ব। দেখা গৈছে ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ কঠোৰ স্থিতিৰ বাবে আমোলা বিষয়া-আৰক্ষী বাহিনীৰ বিষয়াসকলে বৰ্তমান সময়ত দেখা-দেখিকৈ ঘোঁচ লোৱা বন্ধ কৰিছে যদিও, ধনৰ লালসা ইমানেই বাঢ়িছে যে, ভেটি লোৱা বিষয়া-কৰ্মচাৰী দৈনিক ভিজিলেঞ্চ চেলৰ হাতত বন্দী হ'ব লগা হৈ আছে। এই সুযোগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দুৰ্নীতি নিৰ্মূল কৰি এখন ভয়হীন নিকা সমাজ গঢ়িবলৈ আহ্বান জনালো।

**খনীন্দ্ৰ নাথ দাস**, গোসাঁইগাঁও

দৈনিক অগ্ৰদূত
গুৱাহাটী ৬ অক্টোবৰ বৃহস্পতিবাৰ, ২০২২ পৃষ্ঠা ৫

**সঁচাকৈয়ে প্ৰাণাহুতিৰে ধাৰ শুজি মোজাম্মিল অমৰ ছহিদ হ'ল। গুৱাহাটী মেডিকেল কলেজ হাস্পতালত লোকে লোকাৰণ্য হ'ল। অসমবাসীৰ হিয়া ভগা ক্ৰন্দনত অসমৰ আকাশ-বতাহ ধ্বনিত হ'ল। ছহিদৰ পুণ্য শৰীৰ উপচি পৰিল অশ্ৰুসিক্ত পুষ্পাঞ্জলিৰে। অসমৰ চুকে-কোণে, অনুষ্ঠান-প্ৰতিষ্ঠানে, ঘৰে-ঘৰে শোক পালনৰ প্ৰতীকৰূপে ক'লা পতাকা উৰিল। গুৱাহাটীৰ ছাত্ৰ সমাজে ছয় অক্টোবৰৰ আবেলি মৌন সমদল উলিয়ায়। সদৌ অসম ছাত্ৰ সন্থাৰ মহানগৰতে নিষ্প্ৰদীপ ৰাত্ৰি পালন কৰে**

# মাধ্যম আন্দোলনৰ প্ৰথম বীৰ ছহিদ মোজাম্মিল হক

## ছয় অক্টোবৰৰ ৫১ সংখ্যক ছহিদ দিৱসৰ শ্ৰদ্ধাৰ্ঘ্য

*'মঙলদৈৰ সোণটি বাচাহে ধন্‌টি মোজাম্মিল*
*মোজাম্মিলৰ ৰক্তে পাই ভাষা জিলমিল*
*মঙলদৈ তোমাৰ নাম হওক মংগল তোমাৰ।'*
*— ড° ভূপেন হাজৰিকা*

**মাথোঁ** ১৫ বছৰ বয়সত 'চিৰ চেনেহী মোৰ ভাষা জননী'ৰ পূজাৰ বেদীত প্ৰাণাহুতি দিয়া মঙলদৈবাসীৰ হিয়াৰ আমঠু, হৃদয় জুৰোৱা এমোকোৰা মিঠা হাঁহিৰে সকলোকে সহজতে আপোন কৰা সুশ্ৰী, অমায়িক, সৎ চৰিত্ৰৱান, সম্ভাৱনাপূৰ্ণ কিশোৰ শিল্পী ১৯৭২ৰ ভাষা মাধ্যম আন্দোলনৰ 'প্ৰথম ছহিদ' ৰূপে খ্যাত সেই গৰাকী বীৰ-ছহিদ মোজাম্মিল আছিল ২০০৩ত শতবৰ্ষ অতিক্ৰম কৰা মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কৃতী ছাত্ৰ। ২০০৫ খ্ৰীষ্টাব্দত উদ্‌যাপন কৰিবলৈ লোৱা এই বিদ্যালয় শতবাৰ্ষিকী উৎসৱৰ ঐতিহাসিক ক্ষণত বীৰ-ছহিদজনাৰ সৰ্বোচ্চ ত্যাগৰ সঁচা মূল্যায়নৰ প্ৰয়োজনীয়তা বাৰুকৈয়ে অনুভৱ কৰিছো।

১৯৫৭ৰ ১৪ জুনত মঙলদৈৰ এটি সংস্কৃতিৱান সম্ভ্ৰান্ত পৰিয়ালত সমাজসেৱী সৰবৰহী ব্যক্তি মৌজাদাৰ নছিৰুদ্দিন আহমেদৰ ঔৰসত ধৰ্মপৰায়ণা মহিলা হামিদা বেগমৰ গৰ্ভত মোজাম্মিল হকৰ জন্ম হয়। নগৰবাহী-চমুৱাপাৰা গাঁৱৰ আলিয়ত আলি আৰু চফিনা বেগমৰ পুত্ৰ নছিৰুদ্দিন আহমেদে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বি এ পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰথমে শিক্ষকতা কৰে। ১৯৪১ৰ এটা সময়ত শিক্ষকতা এৰি ধূলা অঞ্চলৰ শ্যামাবাৰী মৌজাৰ মৌজাদাৰ নিযুক্ত হয়। মৌজাদাৰীৰ লগে লগে তেওঁ সমাজসেৱাতো মনোনিৱেশ কৰে। আহমেদে সেই অঞ্চলৰ প্ৰাথমিক বিদ্যালয়ৰ লগতে মাদ্ৰাছা আদি স্থাপনত আত্মনিয়োগ কৰে। তেওঁ এজন অতি সহজ-সৰল আৰু উদাৰচিতীয়া লোক আছিল। মৌজা পৰিচালনা কালত তেওঁ অনাহকতে কোনো ৰায়তৰ ওপৰত জোৰ-জুলুম আদি কৰাৰ নজিৰ নাই। মোজাম্মিল হকৰ ককাদেউতাক (মাতৃ হামিদা বেগমৰ পিতৃ) বদৰুদ্দিন আহমেদ (বদৰ উকীল) অসম বিধান পৰিষদৰ সদস্যৰ উপৰি অসমীয়া জাতিৰ হকে, স্বাৰ্থৰ হকে যুঁজ দিওঁতাসকলৰ অন্যতম আছিল। তেওঁ লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰিয় সহযোগী আৰু ত্যাগমূৰ্তি বিষ্ণুৰাম মেধিৰ অন্তৰংগ বন্ধু আছিল। ১৯৪৬ৰ কুখ্যাত গ্ৰুপিঙৰ সময়ত তেওঁ অন্যান্য বীৰ সেনানীৰ লগতে অসমক পাকিস্তানৰ লগত চামিলকৰণৰ দুৰ্ঘোৰ বিৰোধিতা কৰিছিল। তেওঁ ছিপাঝাৰ, মঙলদৈ, দলগাঁও আদি ঠাইৰ ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান আদি স্থাপন, পৰিচালনা কাৰ্যত প্ৰত্যক্ষভাৱে জড়িত আছিল। মঙলদৈ লোকেল ব'ৰ্ড আৰু মিউনিচিপেল ব'ৰ্ডৰ কৃতী পৌৰপতি ৰূপেও তেওঁ সুনাম অৰ্জন কৰিছিল। ইয়াৰ উপৰি তেওঁ আছিল এগৰাকী বিখ্যাত আইনবিদ আৰু ষাঠিৰ দশকৰ পৰা বৃহত্তৰ মঙলদৈ অঞ্চলৰ পৰা 'আছাম ট্ৰিবিউন'ৰ সাংবাদিক আছিল।

গতিকে অসমীয়া ভাষা, জাতি, সমাজ, সংস্কৃতিৰ হকে সেৱা আগবঢ়াই অহা আদৰ্শ পৰিয়ালত জন্মগ্ৰহণ কৰা মোজাম্মিল শৈশৱত পৰিয়ালৰ পৰাই সমাজসেৱা আৰু দেশ মাতৃকাৰ সেৱাৰ মনোভাব অৰ্জন কৰিছিল। পৰিয়ালৰ পৰম্পৰাগত দেশসেৱাৰ তেজেৰে গঢ়ি উঠা মোজাম্মিলৰ অন্তৰত অংকুৰিত হৈছিল প্ৰতিশ্ৰুতিপূৰ্ণ প্ৰতিভা। পাঁচগৰাকী ভাই-ককাইৰ ভিতৰত তেওঁ আছিল তৃতীয়। নুৰুল হক (কামাল), হামিদুল হক তেওঁৰ ককায়েক আৰু চিৰাজুল হক (দিলীপ), বদৰুল হক (ভাইটি) তেওঁৰ ভায়েক। তিনিগৰাকী বায়েক ৰেজিয়া বেগম, ৰেহেনা (মেৰী) বেগম, নুৰবাহাৰ (মীনা) বেগম, এগৰাকী ভনীয়েক হ'ল জেৰিণা (ভণ্টী) বেগম। ন-গৰাকী সন্তানৰ ভিতৰত মোজাম্মিল হক (ধন্‌টি) আছিল সকলোৰে প্ৰিয়পাত্ৰ, নয়নমণি। হাঁহিৰে ফুল ফুলোৱা পদুম কলিহেন ধন্‌টিক অঞ্চলৰ লোকে সুদৰ্শন চেহেৰাৰ বাবে ৰূপকোঁৱৰ কাৰ্তিক বুলিও অভিহিত কৰিছিল। শান্ত, অমায়িক স্বভাৱৰ এই ফুলকুমলীয়া কিশোৰটিৰ মুখলৈ চালে চিৰ সুন্দৰক চোৱাৰ হেঁপাহ পলাইছিল। শৈশৱৰ পৰাই সত্য-শিৱ-সুন্দৰৰ সাধনাত ব্ৰতী হোৱা মোজাম্মিলে ছবি আঁকিছিল, গীত লিখিছিল, সুৰ দিছিল, বেঞ্জু বজাই সকলোকে আকৰ্ষণ কৰিছিল। ডবা, বেড্‌মিণ্টন খেলিছিল, ফুলনি শুৱাই ধুনীয়া ফুল ৰুইছিল, নিয়মীয়াকৈ পঢ়া-শুনা কৰাৰ লগতে ভগৱানৰ উপাসনা কৰিছিল। ইয়াৰ উপৰি দেশ আৰু জাতিৰ হকে আত্ম বলিদান দিয়া বীৰ-বীৰাংগনাসকলৰ জীৱনী পঢ়িছিল। সামাজিক কামত আগৰণুৱা মোজাম্মিলে চেমনীয়াসকলৰ সাংস্কৃতিক অনুষ্ঠানৰ প্ৰযোজনাত আগভাগ লৈছিল। আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ অসুখ-বিসুখ আৰু বিপদ-আপদৰ খা-খবৰ কৰাত সদায় আগ্ৰহী আছিল। মঙলদৈ ভৱশংকৰ নিম্ন বুনিয়াদী বিদ্যালয়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি ধন্‌টি ভৰ্তি হৈছিল হেঁপাহৰ মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত। অতি বিনয়ী আৰু অমায়িক স্বভাৱৰ মোজাম্মিলৰ ভদ্ৰ ব্যৱহাৰৰ বাবে প্ৰতিৱেশী, বন্ধু-বান্ধৱ, বিদ্যালয়ৰ ছাত্ৰ, শিক্ষাগুৰু সকলোৰে প্ৰিয়পাত্ৰ হৈ উঠিছিল।

১৯৭২ত 'সদৌ অসম ছাত্ৰ সন্থা'ৰ আহ্বানত ৰাজ্যজুৰি ভাষা-মাধ্যম আন্দোলন ভৰপক দিয়া সময়ত মোজাম্মিল হক আছিল মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ। 'চিৰ চেনেহী মোৰ ভাষা জননী'ক অকৃত্ৰিমভাৱে ভালপোৱা মোজাম্মিল হকে বিশিষ্ট গীতিকাৰ, সুৰকাৰ মুকুল বৰুৱাৰ নিম্ন উল্লেখিত গীতটি প্ৰাণ ভৰি ভাল পাইছিল, গুণ্ গুণাইছিল আৰু অতি প্ৰিয় সংগী বেঞ্জুকণত গীতটিৰ অমিয়া সুৰৰ লহৰ



তুলিছিল—

'আই তোক কিহেৰে পূজিমে
আই তোৰ চৰণে দুখনি
আই অ' কিহেৰে পূজিমে তোক
আই অ' জীৱন দি পূজিমে তোক।'
— *মুকুল বৰুৱা*

জননী জন্মভূমি আৰু ভাষা জননীৰ প্ৰেমত মছগুল কোমলমতি মোজাম্মিলে সেইবাবেই হয়তো ১৯৭২ৰ পাঁচ অক্টোবৰত সদৌ অসম ছাত্ৰ সন্থাই মাতৃভাষাৰ মাধ্যম হিচাপে প্ৰতিষ্ঠাৰ দাবীত আহ্বান জনোৱা পুৱা ছয় বজাৰ পৰা সন্ধিয়া ছয় বজালৈ ১২ ঘণ্টীয়া 'অসম বন্ধ'ৰ এগৰাকী স্বেচ্ছাসেৱক হিচাপে অন্যান্য সমবয়সীয়া ছাত্ৰ বন্ধুৰ লগতে (ASD-4831) নম্বৰৰ ট্ৰাক এখনত উঠি বন্ধ অমান্য কৰি খাৰুপেটীয়াত খোলা ৰখা

**ড° চহিৰ ভূঞা**

একাংশ দোকান-পোহাৰ, অনুষ্ঠান-প্ৰতিষ্ঠান বন্ধ কৰাৰ হকে অনুৰোধ জনাবলৈ তালৈ ঢাপলি মেলে। দেশ মাতৃকাৰ সেৱাত নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰা বীৰ-বীৰাংগনাসকলৰ দৰেই হয়তো মোজাম্মিলে মনতে সংকল্প লৈছিল —

'জননী পূজাৰ বেদীত আজি
জ্বলামে জীৱন চাকি
আইৰ মুখত হাঁহি বিৰিঙাম
দুখৰে চকুলো ঢাকি।'

নিয়তিয়ে হয়তো সিদিনা কুটিল হাঁহি মাৰিছিল। 'অসম বন্ধ'ৰ প্ৰতি সঁহাৰি জনাই ভালেমান শিক্ষানুষ্ঠান, দোকান-পোহাৰ খাৰুপেটীয়াত বন্ধ ৰখা হৈছিল যদিও অসমীয়া বিদ্বেষী এচাম লোকে বন্ধ পালন নকৰিবলৈ আগতীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰি উদ্দেশ্যপ্ৰণোদিতভাৱে দোকান-পোহাৰ খুলি সষ্টম হৈ আছিল। মঙলদৈৰ পৰা যোৱা স্বেচ্ছাসেৱী পিকেটিংকাৰীৰ দলটোৱে বুজা নাছিল তেওঁলোকৰ কু-অভিসন্ধিৰ কথা। তেওঁলোকে দোকানী-পোহাৰীক বিনীতভাৱে বুজাই-বঢ়াই দোকান বন্ধ কৰিবলৈ অনুৰোধ কৰি গৈছিল। কিন্তু পূৰ্বৰে পৰা সজ্জিত হৈ থকা বন্ধ বিৰোধী দলটোৱে জোং, যাঠি, ৰড, ইটাৰ টুকুৰা, শিলগুটি, ডেগাৰ আদিৰে ১৪/১৫ৰ পৰা ১৮/১৯ বছৰীয়া ফুলকুমলীয়া স্বেচ্ছাসেৱকৰ দলটিৰ ওপৰত অতৰ্কিতে আক্ৰমণ কৰিবলৈ ধৰাত তেওঁলোক ট্ৰাকত উঠি থানালৈ যাবলৈ উদ্যত হওঁতে দুষ্কৃতিকাৰীৰ ধাৰাসাৰ আক্ৰমণত ছেদেলি-ভেদেলি হৈ যেনি-তেনি দৌৰিবলৈ ধৰে। দুৰ্বৃত্তহঁতে তেতিয়াও খেদি খেদি ফুলকুমলীয়া, বিচাৰ-বুদ্ধিত অপৈণত, কিশোৰসকলৰ ওপৰত পাশৱিক আৰু অমানৱীয় অত্যাচাৰ চলাই গ'ল। তেওঁলোকে যাতে পলায়ন কৰিব নোৱাৰে তাৰ চক্ৰবেহু ৰচনা কৰিলে খাৰুপেটীয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মহেন্দ্ৰ শৰ্মা আৰু কৰ্মৰত দণ্ডাধীশ মোহন চৌধুৰীয়ে পৰিস্থিতি চম্ভালাত চৰম ব্যৰ্থতা প্ৰদৰ্শন কৰিলে। ৪৪ জনকৈ স্বেচ্ছাসেৱক দানৱীয় আক্ৰমণত আহত হৈ হোটেল, মন্দিৰ, মছজিদ আদিত আশ্ৰয় বিচাৰি গ'ল; আঘাতপ্ৰাপ্ত ধন্‌টি মোজাম্মিল দৌৰি গ'ল মছজিদত আশ্ৰয় ল'বলৈ। দয়া-মমতাহীন পাষণ্ডহঁতে মছজিদৰ পৱিত্ৰতা বিনষ্ট কৰি তাৰ পৰা তেওঁক ধৰি আনি লোহাৰ ৰড আৰু লাঠী আদিৰে নিৰ্মমভাৱে মৰিয়াই সংকটজনক অৱস্থাত পেলাই থৈ যায়। কেঁকনি আৰু আৰ্তনাদ শুনি কেইজনমান ছাত্ৰ আৰু স্থানীয়লোকে খাৰুপেটীয়া হাস্পতাললৈ লৈ যায়, প্ৰাথমিক চিকিৎসাৰ পাছত তাৰ পৰা মঙলদৈ অসামৰিক চিকিৎসালয়লৈ স্থানান্তৰ কৰা হয়। মঙলদৈৰ চিকিৎসকসকলৰ পৰামৰ্শমতে অতি সংকটজনক অৱস্থাত তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত সেইদিনাই ভৰ্তি কৰা হ'ল যদিও অশেষ চেষ্টা কৰিও চিকিৎসা বিশেষজ্ঞসকলে প্ৰাণৰ ধন্‌টিক বচাব নোৱাৰিলে। ১৯৭২ৰ ছয় অক্টোবৰৰ পুৱা ১০-৩০ বজাত ভাষা-মাধ্যম আন্দোলনৰ 'প্ৰথম ছহিদ ৰূপে' খ্যাতি অৰ্জন কৰি ভাষা জননীৰ পূজাৰ বেদীত এপাহি পুষ্পাঞ্জলি হৈ মোজাম্মিল হকে চকু মুদিলে। মোজাম্মিলৰ অমৰ আত্মাই যেন কৈ উঠিল-

'আই তোৰ মৰমী কোলাতে
আই মই জনমে লভিলো
আই তোৰ কিহেৰে শুজিমে ধাৰ
আই অ' জীৱন দি শুজিমে ধাৰ।'

সঁচাকৈয়ে প্ৰাণাহুতিৰে ধাৰ শুজি মোজাম্মিল অমৰ ছহিদ হ'ল। গুৱাহাটী মেডিকেল কলেজ হাস্পতালত লোকে লোকাৰণ্য হ'ল। অসমবাসীৰ হিয়া ভগা ক্ৰন্দনত অসমৰ আকাশ-বতাহ ধ্বনিত হ'ল। ছহিদৰ পুণ্য শৰীৰ উপচি পৰিল অশ্ৰুসিক্ত পুষ্পাঞ্জলিৰে। অসমৰ চুকে-কোণে, অনুষ্ঠান-প্ৰতিষ্ঠানে, ঘৰে-ঘৰে শোক পালনৰ প্ৰতীকৰূপে ক'লা পতাকা উৰিল। গুৱাহাটীৰ ছাত্ৰ সমাজে ছয় অক্টোবৰৰ আবেলি মৌন সমদল উলিয়ায়। সদৌ অসম ছাত্ৰ সন্থাৰ মহানগৰতে নিষ্প্ৰদীপ ৰাত্ৰি পালন কৰে। সাত অক্টোবৰত সমগ্ৰ অসমতে 'শোক দিৱস' পালন কৰা হয়। সেইদিনা শোক সমদলৰ নেতৃত্ব লৈ নগাঁৰৰ হোজাইলৈ গৈ সন্ধানহীন হৈ পৰে নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক তথা সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক অনিল বৰা। এইদৰে মাধ্যম আন্দোলনৰ প্ৰথম ছহিদ মোজাম্মিলৰ মৃত্যু শোক পালন কৰিবলৈ গৈ দ্বিতীয় ছহিদ হিচাপে দুৰ্বৃত্তৰ পাশৱিক অত্যাচাৰত প্ৰাণাহুতি দিলে অনিল বৰাই। নিয়তিৰ কি পৰিহাস। সাহিত্যিক বেণুধৰ শৰ্মাৰ ভাষাত —

'মোজাম্মিল তুমি আজি বেহেস্তত,
বৈকুণ্ঠত।
তোমাৰ মৃত্যুহীন প্ৰাণে অসমীয়া ভাষা
প্ৰেমিকক
অনন্ত কাললৈ উদ্‌গনি দি থাকিব।'

শোকাকুল পিতৃ নছিৰুদ্দিন আহমেদেও মুখেৰে উচ্চাৰণ কৰিলে 'তাৰ মৃত্যু যেন অথলে নাযায়। যি দাবীৰ কাৰণে মোৰ ল'ৰাৰ মৃত্যু হ'ল সেই দাবী পূৰণ হ'লেহে মই শান্তি পাম।' প্ৰখ্যাত গীতি কবি অধ্যাপক তফজ্জুল আলিয়ে গীতেৰে বিনালে —

'মিঠা মিঠা বেঞ্জোৰ সুৰ
শুনা যে নহ'ল মোৰ শুনা নহ'ল
কুমলীয়া মুখ এখনিৰ
হাঁহিটি লুকাল ক'ত হাঁহিটি লুকাল।
বেঞ্জোৰ সুৰে সুৰে আই তোক মাতিছিল
সি
তোৰেই চৰণ তলত সুৰৰ
অঞ্জলি যাঁচিছিল সি
তোৰ ধনে আই মৰণেৰে
লুকাভাকু খেলি গ'ল।'

১৯৭৪ত অনুষ্ঠিত অসম সাহিত্য সভাৰ মঙলদৈ অধিৱেশনৰ সভাপতি ড° মহেশ্বৰ নেওগে তেওঁৰ সভাপতিৰ অভিভাষণত ছহিদগৰাকীৰ প্ৰশস্তি গালে এইদৰে —

ধন্‌টি, তোমাৰ হাঁহিৰে ধূসৰো বছৰো
হ'ল
তোমাৰ ৰক্তেৰে ধৰণী মুখৰ হ'ল।
তোমাৰ গানেৰে লুইত অগনি হ'ল
তোমাৰ আজানে স্বদেশ সূৰুয হ'ল।
আঘাতে আঘাতে ৰক্তবাণী লেখি গ'লা।
চকুপানী টোকা মূক জননীৰ কপালৰ
ফোট হ'লা।।

সেই অধিৱেশনৰ সাংস্কৃতিক সন্ধিয়াত সংগীতসূৰ্য ড° ভূপেন হাজৰিকাই গালে —

মঙলদৈৰ সোণটি বাচাহে/ধন্‌টি
মোজাম্মিল
মোজাম্মিল ৰক্ত পাই/ভাষা জিল মিল
মঙলদৈ তোমাৰ নাম হওক/মংগল তোমাৰ।

অষ্টম শ্ৰেণীৰ ফুল কুমলীয়া কিশোৰ গৰাকীয়ে কলিজাৰ কেঁচা তেজ ঢালি ভাষা-জননীৰ পূজাৰ বেদীত যি আত্ম বলিদান দি গ'ল সেয়া সঁচাকৈয়ে মৰ্মান্তিক আৰু অবিস্মৰণীয়। কিন্তু যি আদৰ্শৰে তেওঁ ইতিহাস ৰচি গ'ল তাৰ বাবে অসম আৰু অসমীয়া ভাষা-সংস্কৃতিপ্ৰেমী সকলোৱে স্মৃতিৰ পটত যিদৰে ঠাই পাবলগীয়া আছিল বাস্তৱত সেয়া হৈ নুঠিল।

সময় বৰ নিৰ্মম আৰু নিষ্ঠুৰ। অমৰ ছহিদ গৰাকীৰ হৃদয় বিদাৰক কৰুণ ইতিহাস আজি যেন পাহৰণিৰ গৰ্ভত। অসমীয়া জাতি, দৰং তথা মঙলদৈবাসী ৰাইজৰ 'ছহিদ মোজাম্মিল'ৰ কথা ভাবিবৰ আজি আহৰি নাই। স্থানীয় ছাত্ৰ সন্থাকে ধৰি স্বেচ্ছাসেৱী অনুষ্ঠান-প্ৰতিষ্ঠানৰ ছহিদ গৰাকীৰ জীৱন বন্তি নিৰ্বাপিত হোৱা দিনটোত এগছি বন্তি জ্বলাবলৈকো সময় নাই। মাত্ৰ তিনিটা দশক পূৰ্বৰ এই বেদনাদায়ক নিৰ্মম হত্যাৰ ঘটনাৰ স্মৃতি লুপ্তপ্ৰায় ছহিদ গৰাকীৰ জন্মস্থান খোদ মঙলদৈতেই।

ছহিদ গৰাকী নতুন প্ৰজন্মৰ বাবেও যেন এক অচিনাকি সাঁথৰ। ১৯৭২ৰ ১৩ নৱেম্বৰত ছহিদ গৰাকীৰ ৰাজহুৱাভাৱে পালন কৰা 'ছালিছা' দিনটোৰ অন্যতম কাৰ্যসূচী আছিল মঙলদৈ চাৰ্কিট হাউছৰ দাঁতিয়েদি অসামৰিক চিকিৎসালয় আৰু মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখেদি গৈ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পথটিৰ 'ছহিদ মোজাম্মিল হক পথ' নামকৰণেৰে মুকলি কৰা। পৱিত্ৰ ছালিছা দিনটোত আৱেগিকভাৱে শোভাযাত্ৰা কৰি মুকলি কৰা 'ছহিদ মোজাম্মিল হক পথ' এতিয়া মাথোঁ এক পাহৰণি। ছহিদপথৰ নাম ফলকখনো অযত্ন-অনাদৰত অদৃশ্য হৈ পৰে। পৌৰসভাকে ধৰি বিভাগীয় কৰ্তৃপক্ষ আৰু স্বেচ্ছাসেৱী সংগঠনসমূহো এইক্ষেত্ৰত নিৰ্বাক। কাৰোৰে যেন দায়িত্ব নাই। জাতীয় বীৰ ছহিদ আত্মাৰ প্ৰতি ই এক চৰম অপমান। এনে এক জাতীয় বীৰ ছহিদৰ জ্ঞান মন্দিৰ শতবৰ্ষ অতিক্ৰম কৰা মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছহিদ গৰাকীৰ এটি প্ৰতিমূৰ্ত্তি স্থাপন হোৱাটো বাঞ্ছনীয়। এইক্ষেত্ৰত সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, দৰং জিলা সমিতিৰ আহ্বানত এই পৰিষদৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, দৰং জিলা সমিতি আৰু মঙলদৈ ইয়ুথ ক্লাবৰ উমৈহতীয়া প্ৰচেষ্টাত ছহিদগৰাকীৰ মৃত্যু তিথি ছয় অক্টোবৰৰ দিনটো ২০০৮ৰ পৰা মাতৃভাষা দিৱস হিচাপে পালন কৰি অহা হৈছে।

ইয়াৰ উপৰি মঙলদৈ ইয়ুথ ক্লাব সংলগ্ন ছহিদ মোজাম্মিল হক উদ্যানত ছহিদ স্মৃতিসৌধ প্ৰতিষ্ঠাৰ অৰ্থে স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী বসন্ত দাসে অৰ্থ মঞ্জুৰি দি ধন্যবাদৰ পাত্ৰ হৈছে। এই ক্ষেত্ৰত কৰিবলগীয়া অৱশ্যে যথেষ্ট আছে। উল্লেখ্য যে সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, দৰং জিলা সমিতিয়ে আন আন জাতীয় দল-সংগঠনৰ সহযোগত ধাৰাবাহিকভাৱে ২০০৮ৰ পৰা জাতীয় ছহিদগৰাকীৰ আত্ম ত্যাগৰ ছয় অক্টোবৰৰ দিনটো মাতৃভাষা দিৱস হিচাপে উদ্‌যাপন কৰি আহিছে আৰু ছহিদ মোজাম্মিল হক স্মাৰক বক্তৃতাৰ আয়োজন কৰি আহিছে। এইবেলিও মঙলদৈত এই দিনটোত পৰিষদে পঞ্চদশ মাতৃভাষা দিৱসৰ আয়োজন কৰিছে। অতি সুখৰ বিষয় যে ৰাজ্যখনৰ বিভিন্ন জিলাতো এই ছহিদ দিৱসটি সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদকে ধৰি আন আন দল-সংগঠনে বিভিন্ন কাৰ্যসূচীৰে পালন কৰিবলৈ আৰম্ভ কৰিছে। সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদে বিগত কে'বা বছৰো ধৰি জাতীয় বীৰ ছহিদগৰাকীৰ মঙলদৈৰ বাসগৃহৰ সমীপত থকা মঙলদৈ অসামৰিক চিকিৎসালয়খনৰ নাম **'ছহিদ মোজাম্মিল হক অসামৰিক চিকিৎসালয়'** মঙলদৈ নামেৰে নামকৰণ কৰিবলৈ অসম চৰকাৰলৈ দাবী জনাই আহিছে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমান্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন মিত্ৰগোষ্ঠীৰ চৰকাৰখনে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিব বুলি দৰং তথা মঙলদৈৰ ৰাইজে আশা প্ৰকাশ কৰে।

*ফোন ঃ ৮৬৩৮১ ৮৬৭৮৮*

---

## ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই

# ডিব্ৰুগড়! ডিব্ৰুগড়!

**বিশ্বজিৎ বৰুৱা**



**ডিব্ৰুগড়বাসী** ধন্য হৈছে ড° নগেন শইকীয়াৰ দৰে অসমীয়া ভাষা-সাহিত্যৰ এক পুৰোধা ব্যক্তিত্বৰ সান্নিধ্যৰে। ১৯৩৯ৰ ১১ ফেব্ৰুৱাৰীত গোলাঘাটত জন্মগ্ৰহণ কৰা ড° শইকীয়াই মূল কৰ্মক্ষেত্ৰ স্বৰূপে গ্ৰহণ কৰিলে ডিবৰুৰ সাৰুৱা ভূমি। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপকৰূপে অৱসৰ গ্ৰহণ কৰা ড° শইকীয়াৰ কৰ্মক্ষেত্ৰ প্ৰসাৰিত হৈছিল দেশৰ সৰ্বোচ্চ সংসদ ৰাজ্যসভালৈ। ১৯৮৬ৰ পৰা ১৯৯২লৈ ৰাজ্যসভাৰ সাংসদস্বৰূপে কাৰ্যনিৰ্বাহ কৰা সময়ছোৱাত তেওঁ ১৯৯০-৯২ৰ সময়ছোৱাত সৰ্বোচ্চ সংসদৰ উপাধ্যক্ষ পদত অধিষ্ঠিত হৈছিল। কেৱল সেয়াই নহয়, তেওঁৰ সম্পাদনাত 'নতুন দৈনিক' আৰু পাছলৈ 'আমাৰ অসম' বহুল প্ৰচাৰিত আৰু অসমীয়া দৈনিক বাতৰি কাকত হিচাপে পাঠক-পাঠিকাৰ মাজত জনপ্ৰিয় হৈছিল। ১৯৬৭ত 'কুবেৰ হাতীবৰুৱা' শীৰ্ষক গল্প সংকলনেৰে ভুমুকি মাৰি ড° শইকীয়াই যি যাত্ৰা আৰম্ভ কৰিছিল সেয়া অসমীয়া সাহিত্য ক্ষেত্ৰৰ কোন কোন দিশ ছুই যোৱা নাই, সেয়াহে ভাবি চাবলগীয়া কথা। ১৯৬৭ৰ পৰা ১৯৯৫লৈকে নিৰৱিচ্ছিন্নভাৱে তেওঁৰ কাপৰ পৰা আধা ডজন গল্প সংকলনৰ স্বাদ পাঠকে লাভ কৰিলে। ১৯৯৫ত প্ৰকাশিত 'আন্ধাৰত নিজৰ মুখ' শীৰ্ষক সংকলনখনিয়ে সাহিত্য একাডেমী পুৰস্কাৰ লাভ কৰে। ১৯৮৩ত প্ৰকাশিত উপন্যাস 'ভগ্ন উপকূল', ভ্ৰমণ কাহিনী 'আমেৰিকাত দহ দিন' আৰু 'মহাচীনৰ দিনলিপি' বহু পঠিত সাহিত্য কৰ্ম। অসমীয়া সাহিত্যত 'মিতভাষ' স্ৰষ্টা এই সাহিত্যিকজনৰ গৱেষণা কৰ্মৰ তালিকা ইমানেই ব্যাপ্ত যে এই শিতানত প্ৰকাশৰ বাবে স্থানৰ অভাৱ।

**লাহে লাহে অগ্ৰদূতে নতুন কিছু মাত্ৰা লাভ কৰা দেখিবলৈ পাইছো। বিশেষকৈ, সাহিত্যৰ প্ৰসংগত প্ৰকাশিত প্ৰবন্ধাদিৰ মান অধিক উন্নত হোৱা পৰিলক্ষিত হৈছে। সংবাদৰ ক্ষেত্ৰতো পূৰ্বতকৈ ক্ষেত্ৰখন বহল আৰু শক্তিশালী হোৱা চকুত পৰিছে। তদুপৰি ধৰ্মনিৰপেক্ষতা অৱলম্বন কৰাৰ বাবে কাকতখনে পোনপটীয়াকে এটা দায়িত্ব পালন কৰা বুলি ভাব হয়। মই কাকতখনৰ দীৰ্ঘ জীৱন কামনা কৰিলো**

ডিব্ৰুগড়! ডিব্ৰুগড়!! প্ৰবন্ধলানিৰ বাবে ড° শইকীয়াৰ এটি চমু সাক্ষাৎকাৰ গ্ৰহণ কৰিছিল সাহিত্যিক প্ৰসেনজিৎ কুমাৰ গোস্বামীয়ে। সেই সাক্ষাৎকাৰৰ কিয়দংশ প্ৰিয় পাঠক-পাঠিকাৰ বাবে প্ৰকাশ কৰা হ'ল ঃ



প্ৰশ্ন ঃ আপুনি সাংবাদিকতাৰ বাবে কৰ্মক্ষেত্ৰ গুৱাহাটীলৈকে সম্প্ৰসাৰণ কৰি পুনৰ ডিব্ৰুগড়লৈ ঘূৰি আহিলে। কিহৰ আকৰ্ষণে আপোনাক ডিব্ৰুগড়লৈ টানি আনিলে?

উত্তৰ ঃ মই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অৱসৰৰ পাছত অনিচ্ছা সত্ত্বেও কিছুদিন বন্ধ হৈ থকা 'নতুন দৈনিক' কাকতখনৰ সম্পাদকৰ বাবে সূৰ্য হাজৰিকা আৰু গাড়োদিয়াৰ হেঁচাত সম্পাদকৰ দায়িত্ব লৈছিলোঁগৈ যদিও কেইমাহমানৰ পাছত মই সমগ্ৰ বিষয়টো মোৰ বাবে সন্তুষ্টজনক নোহোৱাত গুছি আহিলো। তাৰ পিছৰ বছৰ হোমেন বৰগোহাঞিয়ে 'আমাৰ অসম'ৰ সম্পাদনাৰ দায়িত্ব এৰাত আমাৰ অসমৰ স্বত্বাধিকাৰী জি.এল আগৰৱালাৰ অনুৰোধত সম্পাদক হিচাপে যোগ দি কাকতখনৰ পূৰ্বৰ মান আৰু স্থান ৰক্ষা কৰিবলৈ সকলো প্ৰকাৰে যত্ন কৰি বোধকৰো বহু পৰিমাণে সফল হৈছিলো। কিন্তু ২০০৬ খ্ৰীষ্টাব্দৰ শেহৰফালে মোৰ হৃদযন্ত্ৰৰ অসুখ হোৱাত ডিব্ৰুগড়লৈ ঘূৰি আহিও এমাহমান টেলিফোনেৰেই অবিৰতভাৱে যোগাযোগ ৰাখি চলাই আছিলো। কিন্তু স্বাস্থ্যই বাট ভেটি ধৰাত মই অক্টোবৰ মাহ মানত দায়িত্ব এৰিবলগীয়া হ'ল। ইয়াৰ তিনিমাহমানৰ পাছতে মোৰ হৃদযন্ত্ৰৰ অস্ত্ৰোপচাৰ দিল্লীত কৰিবলগীয়া হ'ল।

প্ৰশ্ন ঃ আপোনাৰ সম্প্ৰসাৰিত গুণাৱলীয়ে ডিব্ৰুগড়, গোলাঘাট তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে। আপোনাৰ বহুমুখী পৰিচয় আছে। 'মিতভাষ স্ৰষ্টাৰ নিৰ্বাচিত বাণী' নামৰ আমাৰ দ্বাৰা সংকলিত পুথিখনত আপুনি কৈছে যে আপুনি শিক্ষক বুলি পৰিচয় দি ভাল পায়; কিন্তু পিতৃ আপোনাৰ শিক্ষক আছিল। তাৰ বাদেও অন্য কাৰণ আছে নেকি?

উত্তৰ ঃ মই নিজকে কেতিয়াও গুণী-জ্ঞানী বুলি কিঞ্চিৎমানো ভবা নাই, নাভাবো। বৰঞ্চ, নিজকে বহু সময়ত এটা 'ভুলৰ সমষ্টি' যেন লাগে। মই নিজকে এজন সামান্য শিক্ষক বুলি ভাবিব খোজো। মোৰ দেউতা শিক্ষক আছিল। সেইকাৰণেই শিক্ষক হোৱাৰ প্ৰবৃত্তি হোৱা বুলিও পূৰ্ণ শতাংশ মই নাভাবো। বৰঞ্চ, আমাৰ সময়ত শিক্ষকসকলেই সকলো স্তৰতে আমাৰ আদৰ্শ পুৰুষ আছিল। এইসকল শিক্ষকে দেখুৱাই যোৱা পথেৰেই কৃতিত্বৰে নহ'লেও আদৰ্শগতভাৱে হয়তো অনুসৰণ কৰাৰ ইচ্ছা গঢ় লৈ উঠিছিল।

প্ৰশ্ন ঃ এজন পিতৃৰ বাবে নিজৰ সকলো সন্তানেই সমান। আপোনাৰ কলমেৰে সৃষ্টি হোৱা কোনখন গ্ৰন্থ আপোনাৰ বাবে শ্ৰেষ্ঠ বুলি বিবেচিত হ'ব?

উত্তৰ ঃ নিজৰ ৰচনা কোনোবাটো শ্ৰেষ্ঠ আৰু কোনোবাটো অপাংক্তেয় বুলি কোনো লেখকে নাভাবে। তদুপৰি লেখকৰো স্বভাৱিকভাৱেই সৃষ্টিশীল আৰু চিন্তশীল ৰচনাৰ ৰচক হিচাপে দুটা ভাগ আছে। মোৰ সৃষ্টিশীল কৰ্ম বিশেষকৈ চুটিগল্প আৰু 'মিতভাষ'ৰ একো একোটা অংশ হয়তো মোৰ ভাবানুভূতিৰ স্পৰ্শ আছে। চিন্তাশীল আৰু বিদ্যায়তনিক ৰচনাৰ ভিতৰত ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্যৰ পটভূমি সম্পৰ্কে লিখা গ্ৰন্থ, 'বিষয় শংকৰদেৱ' আদিৰ দৰে গ্ৰন্থ আৰু 'অসমীয়া মানুহৰ ইতিহাস'ৰ দৰে গ্ৰন্থ কোনোবা এটা স্তৰত ধৰিব পাৰি। আনহাতে, সম্পাদনা কৰ্মৰ ক্ষেত্ৰত 'জোনাকী'কে ধৰি কিছু গ্ৰন্থ ধৰিব পাৰে। কিন্তু মই ভাবো, কোনোবা অধিক জনা মানুহে মোতকৈ কিজানি এই কামবোৰ ভালকৈ কৰিব পাৰিলেহেঁতেন।

প্ৰশ্ন ঃ অসমীয়া সাহিত্যত আপুনি মিতভাষ স্ৰষ্টাৰ জনক বুলি প্ৰতিষ্ঠিত হ'ল। এনে মহৎ সৃষ্টিৰ আঁৰত বিখ্যাত কবি নীলমণি ফুকন জড়িত হৈ আছিল নেকি? কাৰণ, এখন সম্বৰ্ধনা সভাত আপুনি এই বিষয়ে কৈছিল যে নতুন দিল্লীত আপোনাৰ স'তে এই সম্পৰ্কত আলোচনা হৈছিল। তেতিয়া মিতভাষ নামকৰণ হোৱা নাছিল। সবিশেষ ক'বনে?

উত্তৰ ঃ মাৰ অনেক গল্পৰ মাজত থকা একো একোটি আনুভূতিক অংশৰ মাজত কিছু কবিতাৰ স্পৰ্শ আছে বুলি কবি নীলমণি ফুকনে উল্লেখ কৰিছিল। মই তেনে অংশবোৰ বিচাৰি নতুনকৈ অনুভৱ কৰিলো সেই অংশবিলাকতে মোৰ গল্প একোটাৰ মূল আনুভূতিক বীজটো হয়তো নিহিত হৈ আছে। এতেকে মই একো একোটা কাহিনীৰ আশ্ৰয় নোহোৱাকৈ মোৰ তেনে আনুভূতিক উপলব্ধি বেলেগে ধৰি ৰাখিবলৈ যত্ন কৰিলো। এবাৰ শ্ৰী কন দিল্লীলৈ যাওঁতে মোৰ বাসস্থানত আছিল আৰু তেতিয়া মোৰ এই সংগ্ৰহ চাই তেওঁ গুৱাহাটীলৈ আহি মোলৈ লিখা চিঠিত এই ৰচনা সম্পৰ্কে কৰা মন্তব্য মোৰ এনে ৰচনাৰ মই 'মিতভাষ' নাম দি সংকলন কৰাৰ সময়ত গ্ৰন্থখনৰ পিছৰ বেটুপাতত ফুকনৰ মন্তব্য তুলি দিছিলো। গ্ৰন্থখন প্ৰকাশৰ সময়তে মই 'মিতভাষ' নামটো মোৰ এই লেখাসমূহক দিছিলো।

প্ৰশ্ন ঃ আপুনি 'প্ৰকাশ' আলোচনীৰ এটা সাক্ষাৎকাৰত কৈছিল যে—'মোৰ ধান দাই শেষ হ'ল।' বৰ্তমান সৃষ্টিশীল পৰিকল্পনা আপোনাৰ কি কি আছে?

উত্তৰ ঃ 'মোৰ ধান দাই শেষ হ'ল' এই বাক্যটো মই জীৱনানন্দ দাশৰ 'ধান কাটা হয়ে গেছে' এই শাৰীটোৰ একপ্ৰকাৰ অসমীয়া অনুবাদ বুলি ক'ব পাৰে। মোৰ যে কাম-কাজ মই প্ৰায় শেষ কৰি আজৰি হ'ব খুজিছো এই ভাবটোৱেই তাত আছিল। অৱশ্যে পাছলৈয়ো ধান দাই থকাৰ অভ্যাসটো ৰাখি আছিলো; কিন্তু সম্প্ৰতি সৃষ্টিশীল কৰ্মৰ বোধকৰো সমাপ্তি ঘটিছে। এতিয়া সামাজিক-ৰাজনৈতিক ঘটনাবোৰে মোৰ মনটোত তোলপাৰ লগাই থকাৰ দৰেই হৈছে।

প্ৰশ্ন ঃ বৰ্তমান গোলকীয় পৃথিৱীত আপোনাৰ অনুভৱ। বৰ্তমান মানৱীয় মূল্যবোধ অৱক্ষয় ঘটাৰ মূলতে আপোনাৰ ব্যক্তিগত অনুভৱ আৰু বাণী?

উত্তৰ ঃ বৰ্তমান গোলকীয় পৃথিৱীত মানুহ বস্তুগত সভ্যতাৰ শীৰ্ষস্তৰত হয়তো উঠিছেগৈ। ধন আৰু সম্পদৰ ঐশ্বৰ্যৰ প্ৰতি বঢ়া উগ্ৰ আকাংক্ষাই মানুহৰ মানৱীয় চেতনাৰ তথা মানৱীয় মূল্যবোধৰ ভয়ানকভাৱে অৱক্ষয় ঘটা দেখি মই গভীৰভাৱে শংকা কৰো যে আমি এক দানৱীয় সভ্যতাৰ বুকুলৈ সোমাই গৈছো নেকি। এতিয়া সুউচ্চ অট্টালিকাৰে পৃথিৱী ভৰি পৰিছে, কিন্তু মানুহৰ ভিতৰৰ মানুহটো যেন বিচাৰি পাবলৈ নোহোৱা হৈছে।

প্ৰশ্ন ঃ 'দৈনিক অগ্ৰদূত' অসমৰ আগশাৰীৰ সংবাদপত্ৰ, এই কাকতে বহুত লেখকৰ সৃষ্টি কৰে। ছাত্ৰ জীৱনতে আমি এই সাপ্তাহিক 'অগ্ৰদূত'ত লিখি অনুপ্ৰাণিত হৈছিলো, এই কাকতখনৰ সম্পৰ্কত আপোনাৰ অনুভৱ?

উত্তৰ ঃ মই 'অগ্ৰদূত' কাকতখন তিনিদিনীয়া হৈ থকাৰ সময়ৰ পৰাই গ্ৰাহক হৈ আছিলো; কিন্তু তিনিদিনীয়া কাকতখনৰ ঠাইত মই 'দৈনিক অগ্ৰদূত'খন বাকী কাকতসমূহৰ লগত একেলগে পঢ়ো।

লাহে লাহে কাকতখনে নতুন কিছু মাত্ৰা লাভ কৰা দেখিবলৈ পাইছো। বিশেষকৈ, সাহিত্যৰ প্ৰসংগত প্ৰকাশিত প্ৰবন্ধাদিৰ মান অধিক উন্নত হোৱা পৰিলক্ষিত হৈছে। সংবাদৰ ক্ষেত্ৰতো পূৰ্বতকৈ ক্ষেত্ৰখন বহল আৰু শক্তিশালী হোৱা চকুত পৰিছে। তদুপৰি ধৰ্মনিৰপেক্ষতা অৱলম্বন কৰাৰ বাবে কাকতখনে পোনপটীয়াকে এটা দায়িত্ব পালন কৰা বুলি ভাব হয়। মই কাকতখনৰ দীৰ্ঘ জীৱন কামনা কৰিলো।

ফোন ঃ ৯৪৩৫০২৮০০৮

# তেলেংগানা মচি 'ভাৰত' হ'ল চন্দ্ৰশেখৰৰ দল টি আৰ এছ ঃ লক্ষ্য লোকসভাৰ নিৰ্বাচন



**নিউজ ব্যুৰ', হায়দৰাবাদ, ৫ অক্টোবৰ ঃ** লক্ষ্য ২০২৪ৰ লোকসভাৰ নিৰ্বাচন। সেয়েহে তেলেংগানাৰ মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাৱে তেওঁৰ দল তেলেংগানা ৰাষ্ট্ৰ সমিতি (টি আৰ এছ)ক সৰ্বভাৰতীয় ৰূপদানৰ বাবে সক্ৰিয় হ'ল। বুধবাৰে দুপৰীয়া হায়দৰাবাদত দলৰ নাম 'ভাৰত ৰাষ্ট্ৰ সমিতি'লৈ সলনি কৰাৰ কথা ঘোষণা কৰিলে ৰাৱে। পঞ্জিকা অনুসৰি বুধবাৰে দুপৰীয়া ১-১৯ বজাত শুভমুহূৰ্তত আত্মপ্ৰকাশ কৰিলে ৰাৱৰ নতুন দলটো। উল্লেখ্য যে কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা জে ডি এছৰ নেতা এইছ ডি কুমাৰস্বামী আৰু তামিলনাডুৰ দলিত সংগঠন ভিচিকেৰ নেতা থল তিৰুমালব্যনও ৰাৱৰ নতুন দল ঘোষণাৰ অনুষ্ঠানত উপস্থিত আছিল। ৰাৱে তেওঁৰ দলৰ নাম তেলেংগানা ৰাষ্ট্ৰ সমিতিৰ পৰিৱৰ্তে ভাৰত ৰাষ্ট্ৰ সমিতিলৈ পৰিৱৰ্তন কৰাৰ কথা ঘোষণা কৰি কয় যে আসন্ন লোকসভাৰ নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে বিভিন্ন আঞ্চলিক দলক একত্ৰিত কৰাৰ লক্ষ্যৰে তেওঁ এই পদক্ষেপ গ্ৰহণ কৰিলে। ৰাৱে আজি ইংগিত দি কয় যে তেলেংগানাৰ লগতে ভাৰত ৰাষ্ট্ৰ সমিতিয়ে মহাৰাষ্ট্ৰ, গুজৰাট, কৰ্ণাটকৰ দৰে ৰাজ্যতো নিৰ্বাচনত প্ৰাৰ্থী প্ৰক্ষেপ কৰিব পাৰে।



# নিয়ন্ত্ৰণ হেৰুৱাই উত্তৰাখণ্ডত খাৰৈত পৰিল বাছ, নিহত কমেও ২৫

**নিউজ ব্যুৰ' ডেৰাডুন, ৫ অক্টোবৰ ঃ** পুনৰ ভয়াৱহ পথ দুৰ্ঘটনা সংঘটিত হ'ল উত্তৰাখণ্ডত। এখন যাত্ৰীবাহী বাছৰ চালকে নিয়ন্ত্ৰণ হেৰুৱাৰ ফলত বাছখন এটা দ' খাৰৈত বাগৰি পৰে আৰু কালি সন্ধিয়া পাউৰি জিলাৰ বিৰনখাল অঞ্চলত সংঘটিত এই মৰ্মান্তিক দুৰ্ঘটনাত কমেও ২৫ জন লোকৰ মৃত্যু হ'ল। বাছখনত ৪৫-৫০ জন যাত্ৰী আছিল আৰু তেওঁলোকে এখন বিবাহত অংশ ল'বলৈ গৈছিল। ছিমৰি বাঁকৰ সমীপত যোৱা নিশা আঠ বজাত বাছখন ৫০০ মিটাৰ খাৰৈত বাগৰি পৰিছিল। ঘটনা সংঘটিত হোৱাৰ পাছত আৰক্ষী আৰু প্ৰশাসনৰ লোক ঘটনাস্থলীত উপস্থিত হৈছিল আৰু নিশাজুৰি অভিযান চলাই ২১ জন লোকক উদ্ধাৰ কৰে।

# দশমীৰ দিনাই সম্প্ৰীতিৰ বাৰ্তাৰে আৰবত দুৱাৰ খোল খালে বৃহত্তম হিন্দু মন্দিৰৰ



**নিউজ ব্যুৰ', ৰিয়াদ, ৫ অক্টোবৰ ঃ** দশমীৰ দিনাই মধ্য প্ৰাচ্যত মুকলি কৰা হ'ল বৃহত্তম হিন্দু মন্দিৰ। ভাৰতীয় আৰু আৰবী শৈলী তৈয়াৰ কৰা এই মন্দিৰটো বুৰ্জ খলিফাৰ দেশত নতুন আকৰ্ষণত পৰিণত হৈছে। আৰব আমিৰ শ্বাহিত বসবাসকাৰী হিন্দুসকলৰ মতে এই মন্দিৰৰ মাধ্যমৰে তেওঁলোকে শান্তি আৰু সম্প্ৰীতিৰ বাৰ্তা দিব বিচাৰিছে। আজি দশমীৰ দিনাই ডুবাইৰ জেবেল আলি অঞ্চলত হিন্দুৰ এই মন্দিৰৰ দুৱাৰ দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হ'ল। স্থানীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি মন্দিৰটো দৰাচলতে সিন্ধু গুৰু দৰবাৰ মন্দিৰৰ সম্প্ৰসাৰণ আৰু আৰব আমিৰ শ্বাহিৰ প্ৰাচীন হিন্দু মন্দিৰৰ অন্যতম এটি। এই মন্দিৰত ১৬ দেৱ-দেৱীৰ মূৰ্তি আছে। ২০২০ৰ মে'ত এই মন্দিৰৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছিল। মধ্যপ্ৰাচ্যৰ বৃহত্তম মন্দিৰত একেলগে ১২০০ জন ভক্তই প্ৰৱেশ কৰিব পাৰিব।

# ধৰ্মীয় ভাবাবেগত আঘাত হানিলে কঠোৰ শাস্তি বিহিব হাছিনাই



**নিউজ ব্যুৰ', ঢাকা, ৫ অক্টোবৰ ঃ** পুনৰ সাম্প্ৰদায়িক সম্প্ৰীতি ৰক্ষাৰ বাবে কঠোৰ বাৰ্তা দিলে বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই। 'কাৰো ধৰ্মীয় অনুভূতিত আঘাত নাহানিব। সকলো ভেদাভেদ পাহৰি বাঙালীসকলে সদায়ে সৰ্বধৰ্মৰ অনুষ্ঠান উৎসৱত অংশ লৈ আহিছে। আমি সকলো উৎসৱ ধৰ্ম-বৰ্ণ নিৰ্বিশেষে আমি সকলোৱে উদ্‌যাপন কৰো। বাংলাদেশ সদায়ে সাম্প্ৰদায়িক সম্প্ৰীতিৰ দেশ। কোনোবাই ধৰ্মীয় ভাবাবেগত আঘাত হানিলে কঠোৰ শাস্তি বিহা হ'ব।' ঢাকাৰ গণভৱনৰ পৰা আজি বিয়লি বেলা ভাৰ্চুৱেলি হিন্দু সম্প্ৰদায়ৰ স'তে মত বিনিময় কৰাৰ সময়ত এইদৰে মন্তব্য কৰিলে বাংলাদেশৰ প্ৰধানমন্ত্ৰীয়ে।

# দেশৰ চাৰি চহৰত ৫ জিৰ পৰীক্ষামূলক সেৱা আৰম্ভ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ অক্টোবৰ ঃ** ৰিলায়েন্স জিঅ'ই দেশত পৰীক্ষামূলকভাৱে ৫ জি ম'বাইল ইণ্টাৰনেট সেৱা আৰম্ভ কৰিলে। দশমীৰ দিনাৰ পৰাই দেশৰ চাৰিখন চহৰ ক্ৰমে দিল্লী, মুম্বাই, কলকাতা আৰু বাৰাণসীত ৫ জিৰ এই পৰীক্ষামূলক সেৱা আৰম্ভ কৰা হ'ল। বৰ্তমানে ৰিলায়েন্স জিঅ'ই এই সেৱা 'অন ইনভিটেচন' অৰ্থাৎ বৰ্তমানৰ জিঅ'ই ব্যৱহাৰকাৰীৰ মাজৰ পৰা একাংশ নিৰ্বাচিত উপভোক্তাক ৫ জি সেৱা পৰীক্ষামূলকভাৱে ব্যৱহাৰৰ বাবে আমন্ত্ৰণ জনাব। আমন্ত্ৰিত ব্যৱহাৰকাৰীৰ অভিজ্ঞতা আৰু মন্তব্যৰ আধাৰত কোম্পানীটোৱে পৰৱৰ্তী সময়ত দেশজুৰি ৫ জি সেৱা প্ৰৱৰ্তন কৰিব। জিঅ'ই ট্ৰু ৫ জি ৱেলকাম অফাৰৰ অধীনত গ্ৰাহকে ৱান জি বি পি এছলৈকে স্পীডৰ অসীমিত ৫ জি ডেটা লাভ কৰিব।

## বিশ্বৰ প্ৰথম ২৪০০ ধনাঢ্যৰ এছিয়াত ৯৫১, আমেৰিকাত ৭৭৭ আৰু ইউৰোপত ৫৩৬ জন অৰ্বুদপতি আছে

# বিশ্বৰ শীৰ্ষ ধনাঢ্যৰ তালিকাত এতিয়া এছিয়াৰ দপ্‌দপনি





**নিউজ ব্যুৰ' নতুন দিল্লী, ৫ অক্টোবৰ ঃ** সাম্প্ৰতিক বিশ্বত ধনী ব্যক্তিৰ সংখ্যা দিনকদিনে বৃদ্ধি পাইছে। এছিয়াতো এতিয়া বৃদ্ধি পাইছে ধনী ব্যক্তিৰ সংখ্যা। সম্প্ৰতি ছেপ্টেম্বৰতে এছিয়াৰ প্ৰথম ব্যক্তি হিচাপে গৌতম আদানীয়ে বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিৰ তালিকাত দ্বিতীয় স্থানো দখল কৰিছিল। এসময়ত বিশ্বৰ প্ৰথম ১০ জন ধনী ব্যক্তিৰ আটাইকেইজনে আছিল মাৰ্কিন নাগৰিক। বৰ্তমানেও অৱশ্যে এই তালিকাত আমেৰিকাৰ দপদপনি অব্যাহত আছে। কিন্তু বিভিন্ন প্ৰতিবেদনৰ তথ্য অনুসৰি, মাৰ্কিন ধনাঢ্যৰ তুলনাত সম্প্ৰতি এছিয়াৰ ধনাঢ্যৰ সম্পত্তিৰ পৰিমাণ দ্ৰুত গতিত বৃদ্ধি পাবলৈ ধৰিছে। ব্লুমবাৰ্গ বিলিয়নেৰ্ছ ইনডেক্সত আদানীয়ে দ্বিতীয় স্থান দখলত ৰখাৰ পাছৰে পৰা সমগ্ৰ এছিয়াৰে সবাতোকৈ ধনী ব্যক্তি হিচাপে আদানী স্বীকৃত হৈছিল। ইফালে ফ'ৰ্বছৰ তালিকাতো আদানীয়ে ধনাঢ্য ব্যক্তি হিচাপে তৃতীয় স্থান দখল কৰিছে। কিছু দিনৰ বাবে আদানীয়ে এই তালিকাত দ্বিতীয় স্থান দখল কৰিছিল।

ধনী ব্যক্তিৰ তালিকাত ইমানদিনে আমেৰিকা আৰু ইউৰোপৰ আধিপত্য আছিল যদিও সম্প্ৰতি দৃশ্যপট সলনি হৈছে। বিশ্বৰ প্ৰথম ২৪০০ ধনাঢ্য ব্যক্তিৰ হাতত আছে ১০ ট্ৰিলিয়ন ডলাৰতকৈ অধিক পৰিমাণৰ সম্পত্তি। ইয়াৰ মাজত আছে উত্তৰ আমেৰিকাত ৪.৭ ট্ৰিলিয়ন ডলাৰ, এছিয়াত ৩.৫ ট্ৰিলিয়ন ডলাৰ আৰু ইউৰোপত ২.৪ ট্ৰিলিয়ন ডলাৰৰ সম্পত্তি। অৰ্বুদপতিৰ সংখ্যাৰে হিচাপ কৰিলে আমেৰিকাত ৭৭৭, এছিয়াত ৯৫১ আৰু ইউৰোপত ৫৩৬ জন অৰ্বুদপতি আছে। অৱশ্যে আনুপাতিকভাৱে ছবিখন কিছু সুকীয়া হয়। আমেৰিকাত বিশ্বৰ মুঠ জনসংখ্যাৰ মাত্ৰ চাৰি শতাংশই বসবাস কৰে, কিন্তু ধনী ব্যক্তিৰ নিৰিখত আজিও শীৰ্ষত আছে আমেৰিকা।

আনফালে ইউৰোপত বিশ্বৰ মুঠ জনসংখ্যাৰ ১০ শতাংশৰ অধিকে বসবাস কৰে। ইফালে চীনত ৪৪০ আৰু ভাৰতত ১৬১ জন অৰ্বুদপতি আছে। একেদৰে টাইৱানত ৪৫, দক্ষিণ কোৰিয়াত ২৮ আৰু জাপানত ২৭ জন অৰ্বুদপতিয়ে বাস কৰে। এইদৰে ধনাঢ্য ব্যক্তিৰ তালিকাত এছিয়াৰ গুৰুত্ব বৃদ্ধি পাবলৈ ধৰিছে। যি হাৰত এছিয়াৰ একাংশ ধনাঢ্যৰ সম্পত্তি বৃদ্ধি পাবলৈ ধৰিছে, আগন্তুক সময়ত এইসকল এছিয় ধনাঢ্যৰ সম্পত্তিৰ পৰিমাণ মাৰ্কিন আৰু ইউৰোপীয় ধনাঢ্যৰ তুলনাত অধিক বৃদ্ধিৰ সম্ভাৱনা আছে।

# চি চি ইউত চিকিৎসাধীন সমাজবাদী পাৰ্টিৰ প্ৰতিষ্ঠাপক মুলায়মৰ স্বাস্থ্যৰ সামান্য উন্নতি



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৫ অক্টোবৰ ঃ** উত্তৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা সমাজবাদী পাৰ্টিৰ প্ৰতিষ্ঠাপক মুলায়ম সিং যাদৱ সম্প্ৰতি স্বাস্থ্যজনিত কাৰণত চিকিৎসাধীন হৈ আছে। যোৱা সোমবাৰে মেদান্ত হাস্পতালে মুলায়মৰ স্বাস্থ্যৰ সন্দৰ্ভত প্ৰথম তথ্য প্ৰকাশ কৰি কৈছিল যে সমাজবাদী পাৰ্টিৰ বৰ্ষীয়ান নেতাজন সম্প্ৰতি চিকিৎসালয়খনৰ ক্ৰিটিকেল কেয়াৰ ইউনিট (চি চি ইউ)ত ভৰ্তি হৈ আছে। মুলায়ম কেনেধৰণৰ স্বাস্থ্যজনিত সমস্যাত আক্ৰান্ত হৈছে সেই সন্দৰ্ভত চিকিৎসালয়খনে কোনো তথ্য প্ৰকাশ কৰা নাই। প্ৰকাশিত বাতৰি অনুসৰি দেওবাৰে মুলায়মৰ স্বাস্থ্যৰ অৱনতি ঘটিছিল আৰু তেওঁক লগে লগে পৰিয়ালৰ লোকে মেদান্ত হাস্পতালত ভৰ্তি কৰাইছিল। ইয়াৰ পাছৰে পৰা তেওঁ চিকিৎসালয়ৰ চি চি ইউত চিকিৎসাধীন হৈ আছে। বুধবাৰে চিকিৎসালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি মুলায়মৰ স্বাস্থ্য সামান্য উন্নত হৈছে। সমাজবাদী পাৰ্টিৰ এক সূত্ৰই প্ৰকাশ কৰা অনুসৰি মুলায়ম বৃক্কজনিত ৰোগত আক্ৰান্ত হৈছে।

# নাৰী সকলো দিশৰ পৰা পুৰুষৰ সমতুল্য ঃ মহিলাৰ সবলীকৰণত গুৰুত্ব আৰ এছ এছ প্ৰধান ভাগৱতৰ



**নিউজ ব্যুৰ' নাগপুৰ, ৫ অক্টোবৰ ঃ** 'নাৰী আৰু পুৰুষ সকলো ক্ষেত্ৰতে সমান। যোগ্যতা আৰু কৰ্মদক্ষতাৰ দিশৰ পৰা কোনো ক্ষেত্ৰতে নাৰী পুৰুষতকৈ কম নহয়। নাৰীক জগৎ জননী বুলি কোৱা হয়। অথচ সেই নাৰীকে ঘৰত বহুতে দাসী হিচাপে গণ্য কৰে। এই চিন্তা-ভাৱনা এতিয়া পৰিৱৰ্তন কৰাৰ সময় উপস্থিত হৈছে।' মহিলাৰ সবলীকৰণত গুৰুত্ব আৰোপ কৰি এই মন্তব্য কৰিলে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰ এছ এছ)ৰ মুৰব্বী মোহন ভাগৱতে। আজি নাগপুৰত বিজয়া দশমীৰ অনুষ্ঠানত অংশ লৈ নাৰী আৰু পুৰুষৰ সমান অধিকাৰৰ প্ৰশ্ন সৰৱ হ'ল আৰ এছ এছ প্ৰধান। ভাগৱতে ভাষণ প্ৰসংগত কয় যে নাৰী কোনো ক্ষেত্ৰতে কেতিয়াও পুৰুষতকৈ কম নহয় আৰু সকলো ক্ষেত্ৰতে নাৰী পুৰুষৰ সমতুল্য। ভাষণ প্ৰসংগত আৰ এছ এছৰ মুৰব্বীয়ে কয়, 'আমি যদি বিশ্বগুৰু (বিশ্বক নেতৃত্ব প্ৰদান) ভাৰত গঢ়িব বিচাৰো তেন্তে মহিলাৰ সমান অংশগ্ৰহণ প্ৰয়োজন। ইয়াৰ বাবে অৱশ্যেই মহিলাক সবলীকৰণ কৰিব লাগিব। নাৰী অবিহনে সমাজে অগ্ৰসৰ হ'ব নোৱাৰে।'





# উত্তৰ কোৰিয়াক প্ৰত্যুত্তৰ দিবলৈ গৈ ক্ষেপণাস্ত্ৰ বিপৰ্যয় দক্ষিণ কোৰিয়াৰ

**নিউজ ব্যুৰ', ছিউল, ৫ অক্টোবৰ ঃ** উত্তৰ কোৰিয়াই ক্ষেপণাস্ত্ৰ নিক্ষেপৰে দক্ষিণ কোৰিয়াক আতংকিত কৰি অহাৰ সময়তে পিয়ংইয়ঙক প্ৰত্যুত্তৰ দিবলৈ গৈ বিপৰ্যয়ৰ সন্মুখীন হ'ল ছিউল। স্থানীয় সময় অনুসৰি মঙলবাৰে মাজনিশা দক্ষিণ কোৰিয়াৰ উপকূলবৰ্তি চহৰ গেংনিউয়েঙৰ বাসিন্দাৰ মাজত আতংকৰ পৰিস্থিতিয়ে দেখা দিছিল। প্ৰথমতে উত্তৰ কোৰিয়াই উক্ত অঞ্চলত ক্ষেপণাস্ত্ৰৰ আক্ৰমণ চলোৱা বুলি সন্দেহ কৰা হৈছিল যদিও পাছত জানিব পৰা গ'ল যে দৰাচলতে উত্তৰ কোৰিয়াত প্ৰত্যুত্তৰ দিবলৈ গৈ দক্ষিণ কোৰিয়াই নিক্ষেপ কৰা ক্ষেপণাস্ত্ৰ নিজৰ দেশৰ মাটিতে পৰিল। কাৰিকৰী বিজুতিৰ ফলত দক্ষিণ কোৰিয়াৰ বায়ুসেনাৰ ঘাটিতে আঘাত হানিলে ছিউলৰ সেনা বাহিনীয়ে নিক্ষেপ কৰা ক্ষেপণাস্ত্ৰই। উল্লেখ্য যে বায়ুসেনাৰ উক্ত ঘাটিৰ সমীপতে গেংনিউং চহৰ অৱস্থিত। মাটিত বাগৰি পৰা ক্ষেপণাস্ত্ৰৰ পৰা অগ্নি নিৰ্গত হৈছিল যদিও বিস্ফোৰণ হোৱা নাছিল আৰু এই ঘটনাত কোনো ব্যক্তি হতাহত হোৱা নাই। প্ৰকাশিত বাতৰি অনুসৰি দক্ষিণ কোৰিয়াই উত্তৰ কোৰিয়াক ক্ষেপণাস্ত্ৰৰে প্ৰত্যুত্তৰ দিবলৈ হিউমু-২ বেলিষ্টিক ক্ষেপণাস্ত্ৰটো পিয়ংইয়ঙক লক্ষ্য হিচাপে লৈ নিক্ষেপ কৰিছিল।



# কাশ্মীৰত দুই পৃথক সংঘৰ্ষত নিহত চাৰি সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ৫ অক্টোবৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ভ্ৰমণৰ মাজতে পুনৰ ৰক্তাক্ত হ'ল কাশ্মীৰ উপত্যকা। জম্মু-কাশ্মীৰৰ ছ'পিয়ান জিলাত সংঘটিত হোৱা দুটা পৃথক সেনা-সন্ত্ৰাসবাদীৰ সংঘৰ্ষৰ ঘটনাত ধৰাশায়ী হ'ল চাৰিজন সন্ত্ৰাসবাদী। নিৰাপত্তা বাহিনীৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি নিহতৰ মাজত তিনিজন নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠন জইচ ই মহম্মদৰ সদস্যও আছে। ড্ৰাছ অঞ্চলত তিনিজন জইচ সন্ত্ৰাসবাদী আৰু মুলুত আনজন সন্ত্ৰাসবাদীৰ সেনাৰ গুলিত মৃত্যু হয়। ইফালে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহৰ জম্মু-কাশ্মীৰ ভ্ৰমণক লক্ষ্য হিচাপে লৈ উধমপুৰত পাকিস্তানী সন্ত্ৰাসবাদী সংগঠন লস্কৰ ই তৈবাই দুটাকৈ বিস্ফোৰণ সংঘটিত কৰে।

# অৰ্থনৈতিক সংকট আঁতৰাবলৈ চীনলৈ গাধ-কুকুৰ ৰপ্তানি কৰিব পাকিস্তানে



**নিউজ ব্যুৰ' ইছলামাবাদ, ৫ অক্টোবৰ ঃ** চীনা ৰাষ্ট্ৰদূতে পাকিস্তানৰ পৰা মাংস আমদানিৰ সন্দৰ্ভত একাধিকবাৰ পাকিস্তানৰ স'তে আলোচনাত মিলিত হৈছিল। উক্ত বৈঠক সমিতিৰ এজন সদস্যই পৰামৰ্শ দি কৈছিল যে যিহেতু আফগানিস্তানত পশু তুলনামূলকভাৱে সস্তা, সেয়েহে পাকিস্তানে সেই দেশৰ পৰা মাংস আমদানি কৰি চীনলৈ ৰপ্তানি কৰিব পাৰিব। পাকিস্তানৰ অৰ্থনৈতিক সংকট ক্ৰমে গভীৰ হোৱাৰ সময়তে পাকিস্তান চৰকাৰে চীনলৈ গাধ আৰু কুকুৰ ৰপ্তানি কৰিব বিচাৰিছে। জানিব পৰা মতে, চীনেও এই বিষয়ত আগ্ৰহ প্ৰকাশ কৰিছে। যোৱা সোমবাৰে আমদানি-ৰপ্তানি বিষয়ক এখন বৈঠক অনুষ্ঠিত হোৱাৰ সময়ত বাণিজ্য মন্ত্ৰণালয়ৰ ছিনেটৰ স্থায়ী কমিটীৰ সদস্যই চীনলৈ গাধ আৰু কুকুৰ ৰপ্তানিৰ প্ৰসংগটো আলোচনা কৰিছিল। প্ৰসংগত উল্লেখ্য যে চীনত গাধ আৰু কুকুৰৰ যথেষ্ট চাহিদা আছে। পাকিস্তান হৈছে গাধ উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ তৃতীয়খন বৃহত্তম দেশ। বৰ্তমানে পাকিস্তানত ৫৭ লাখ গাধ আছে। পূৰ্বেও চীনলৈ গাধ ৰপ্তানি কৰিছিল পাকিস্তানে। কিন্তু বৰ্তমানৰ অৰ্থনৈতিক সংকট দূৰ কৰিবলৈ ইছলামাবাদে বেইজিঙলৈ অধিক সংখ্যক গাধ ৰপ্তানি কৰিব বিচাৰিছে।

# ২৪ ঘণ্টাত দেশত সামান্য বৃদ্ধি ক'ভিড সংক্ৰমণ, মৃত্যু ১৭ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ অক্টোবৰ ঃ** কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ক'ভিড আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পালে। বিগত এদিনত দেশত নতুনকৈ ক'ভিড আক্ৰান্ত হয় ২,৪৬৮ জন লোক। মঙলবাৰে আক্ৰান্তৰ সংখ্যা আছিল ১,৯৬৮ জন লোক। যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ১৭ জন ক'ভিড সংক্ৰমিত লোকে প্ৰাণ হেৰুৱালে। বৰ্তমানে ভাৰতত ৩৩,৩১৮ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

# আজান শুনি কাশ্মীৰত ভাষণ বন্ধ ৰাখিলে কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে



**নিউজ ব্যুৰ', বাৰামুলা, ৫ অক্টোবৰ ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি জম্মু-কাশ্মীৰৰ বাৰামুলাত উপস্থিত হৈ স্থানীয় বাসিন্দাৰ সন্মুখত ভাষণ ৰাখিছিল। ভাষণ আৰম্ভ কৰাৰ কিছু সময়ৰ পাছতে ওচৰৰ মছজিদৰ পৰা আজান দিয়া শ্বাহে লগে লগে তেওঁৰ ভাষণ বন্ধ ৰাখে। আজান সমাপ্ত হোৱাৰ পাছত শ্বাহে ৰাইজৰ পৰা অনুমতি লৈ পুনৰ ভাষণ আৰম্ভ কৰে। শ্বাহৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে মঞ্চত বুলেটপ্ৰুফ গ্লাছ লগাইছিল। কিন্তু প্ৰকাশিত বাতৰি অনুসৰি, বাৰামুলাত ভাষণ দিয়াৰ পূৰ্বে শ্বাহে উক্ত বুলেটপ্ৰুফ গ্লাছ আঁতৰাই দিবলৈ নিৰ্দেশ দিছিল।

# হিমাচল প্ৰদেশত নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিলে মোদীয়ে



**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ অক্টোবৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হিমাচল প্ৰদেশৰ বিলাসপুৰত নিৰ্মাণ কৰা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ) আনুষ্ঠানিকভাৱে মুকলি কৰে। মোদীয়ে বিলাসপুৰৰ পৰা হিমাচল প্ৰদেশ বিধানসভা নিৰ্বাচনৰ বাবে ৰণশিঙা বজাই ৩৬০০ কোটিটকীয়া আঁচনিৰ শুভাৰম্ভ সম্পন্ন কৰে। উল্লেখ্য যে মোদীয়ে ২০১৭ৰ অক্টোবৰত এইমছ বিলাসপুৰৰ আধাৰশিলা স্থাপন কৰিছিল। এইমছ মুকলি কৰাৰ পাছত ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে কয়, 'বিজয়া দশমী উপলক্ষে আপোনালোক সকলোকে, সকলো দেশবাসীক শুভকামনা জনালো। বিজয়া দশমীৰ দিনা হিমাচল প্ৰদেশবাসীক স্বাস্থ্য, শিক্ষা, কৰ্মসংস্থাপন আৰু আন্তঃগাঁথনিৰ হেজাৰ কোটিটকীয়া প্ৰকল্প উপহাৰ দিয়াৰ সুযোগ লাভ কৰাটো মোৰ বাবে সৌভাগ্য।'

# 'আদিপুৰুষ'ত হিন্দু দেৱতাক বিকৃতকৰণৰ অভিযোগ মন্ত্ৰীৰ



**নিউজ ব্যুৰ', ভূপাল, ৫ অক্টোবৰ ঃ** মুক্তিৰ অপেক্ষাত থকা 'আদিপুৰুষ' নামৰ ছবিখনৰ বিৰুদ্ধে হিন্দু দেৱতাক বিকৃতকৰণৰ অভিযোগ উত্থাপিত হ'ল। প্ৰভাস আৰু ছয়ীফ অভিনীত 'আদিপুৰুষ'ৰ টিজাৰ প্ৰকাশ হোৱাৰ পাছতে ছবিখনৰ বিৰুদ্ধে হিন্দু দেৱতাক বিকৃত কৰাৰ অভিযোগ উত্থাপন কৰিলে মধ্য প্ৰদেশৰ মন্ত্ৰী নৰোত্তম মিশ্ৰাই। ইতিমধ্যে ছবিখনৰ নিৰ্মাতালৈ পত্ৰ প্ৰেৰণ কৰি মন্ত্ৰী মিশ্ৰাই কৈছে যে আপত্তিকৰ দৃশ্য ছবিখনৰ পৰা কৰ্তন নকৰিলে 'আদিপুৰুষ'ৰ নিৰ্মাতাৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। মধ্য প্ৰদেশৰ মুখপাত্ৰ মিশ্ৰাই অভিযোগ কৰি কয় যে টিজাৰত যিদৰে হনুমানক উপস্থাপন কৰা হৈছে সেয়া অতিকে অৱমাননাকৰ। টিজাৰক হনুমানক চামৰাৰ পোছাকত উপস্থাপন কৰা হৈছে আৰু এনে দৃশ্যই হিন্দুৰ ধৰ্মীয় অনুভূতিক আঘাত কৰিছে বুলি মিশ্ৰাই অভিযোগ কৰে। উল্লেখ্য যে ৰামায়নৰ প্ৰেক্ষাপটত 'আদিপুৰুষ' নিৰ্মাণ কৰা হৈছে। ছবিখনত ৰাঘৱ ওৰফে ৰামৰ চৰিত্ৰত প্ৰভাসে আৰু লংকেশ ওৰফে ৰাৱণৰ চৰিত্ৰত ছয়ীফে অভিনয় কৰিছে।

# আগ্ৰাৰ চিকিৎসালয়ত ভয়াৱহ অগ্নিকাণ্ডত চিকিৎসকসহ কমেও তিনিজনৰ মৃত্যু



**নিউজ ব্যুৰ', আগ্ৰা, ৫ অক্টোবৰ ঃ** দশমীৰ দিনাই আগ্ৰাৰ এখন বেচৰকাৰী চিকিৎসালয়ত ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাৰ লগে লগে চিকিৎসালয়ৰ ৰোগীসকলক নিৰাপদে স্থানান্তৰ কৰা হ'লেও এজন চিকিৎসকসহ তিনিজন লোক বিল্ডিঙত আবদ্ধ হৈছিল। আগ্ৰাৰ উক্ত চিকিৎসালয়ৰ প্ৰথম মহলাত বাস কৰা ডাঃ ৰাজন, তেওঁৰ ১৭ বছৰীয়া কন্যা চালু আৰু ১৪ বছৰীয়া পুত্ৰ ঋষিৰ অগ্নিদগ্ধ হৈ মৃত্যু হয়। উল্লেখ্য যে বেচৰকাৰী চিকিৎসালয়খনৰ ডাঃ ৰাজন স্বত্বাধিকাৰী আছিল। বুধবাৰে পুৱা ৫-৩০ বজাত আগ্ৰাৰ নাৰিপুৰ অঞ্চলৰ বেচৰকাৰী চিকিৎসালয়খনত বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলত এই অগ্নিকাণ্ড সংঘটিত হোৱা বুলি আৰক্ষীয়ে প্ৰাথমিক অনুসন্ধানত সন্দেহ কৰিছে।

# ছেপ্টেম্বৰত দেশত জি এছ টি সংগ্ৰহৰ পৰিণাম ২৬ শতাংশ বৃদ্ধি




**নিউজ ব্যুৰ', নতুন দিল্লী, ৫ অক্টোবৰ ঃ** যোৱা ছেপ্টেম্বৰত দেশৰ সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) পুনৰ বৃদ্ধি পালে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ৰ প্ৰতিবেদনৰ তথ্য অনুসৰি ছেপ্টেম্বৰত দেশত এক লাখ ৪৭ হেজাৰ ৬৮৬ কোটি টকাৰ জি এছ টি সংগ্ৰহ কৰা হ'ল। ২০২১ বৰ্ষৰ ছেপ্টেম্বৰৰ তুলনাত চলিত বৰ্ষৰ ছেপ্টেম্বৰত সংগ্ৰহ কৰা জি এছ টিৰ পৰিমাণ ২৬ শতাংশ বৃদ্ধি পালে। ছেপ্টেম্বৰত জি এছ টি সংগ্ৰহৰ ক্ষেত্ৰত ৰাজ্যৰ ভিতৰতে সবাতোকৈ শীৰ্ষ স্থান লাভ কৰিলে পশ্চিমবংগই। মমতা বেনাৰ্জী শাসিত পশ্চিমবংগত যোৱা মাহত ৪,৮০৪ কোটি টকাৰ জি এছ টি সংগ্ৰহ কৰা হৈছে।

# শুৱালকুছিত ৬০ ফুট উচ্চতাৰ বৃহদাকাৰৰ ৰাৱণ বধ



**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ৫ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গা পূজাৰ উৎসাহ-উদ্দীপনা আজি বিজয়া দশমীত প্ৰতিমা বিসৰ্জনৰ লগে লগে অন্ত পৰে। শুৱালকুছিৰ ভিন ভিন ঠাইত পাঁচখন পূজা অনুষ্ঠিত হয়। আটাইকেইখন পূজাৰ প্ৰতিমা অশোকাষ্টমী ক্ষেত্ৰত মিলিত হৈ ব্ৰহ্মপুত্ৰত আৰক্ষী, ৰাজ্যিক দুৰ্যোগ প্ৰশমন বিভাগ আৰু নদী আৰক্ষীৰ সহযোগত বিসৰ্জন দিয়ে। প্ৰতিমা বিসৰ্জনৰ অন্তত অশোকাষ্টমী ক্ষেত্ৰত সাৰ্বজনীন দুৰ্গা পূজা উদ্‌যাপন সমিতিয়ে পালন কৰা প্ৰতি বছৰৰ দৰে এইবাৰো দছেৰা উৎসৱ ৰাৱণ বধ কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰায় ৫০ ফুট উচ্চতাৰ বৃহদাকায় দশাননৰ প্ৰতিমূৰ্তিত ৰামচন্দ্ৰই দুষ্টক দমন শান্তক পালনৰ অৰ্থে ধনু কাড়েৰে বধাৰ লেখীয়া আজি অৰ্দ্ধলক্ষাধিক লোকৰ সমাগমৰ উপস্থিতিত মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে কাঁড় মাৰি অসুৰৰূপী ৰাৱণৰ দেহত অগ্নি সংযোগ কৰে। তাৰ প্ৰাক্‌মুহূৰ্তত চৌধুৰীয়ে বক্তব্যত কয় যে দছেৰা উৎসৱ তথা অসুৰৰূপী ৰাৱণক দাহন কৰি যেনেদৰে ভগৱান ৰামচন্দ্ৰই শান্তি স্থাপন কৰিছিল, সেইদৰে আজিৰ এই ৰাৱণ বধেৰে ধৰ্ম আৰু কৰ্ম নগৰী শুৱালকুছিৰ লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ শাসন কাল শান্তি সম্প্ৰীতি অটুট থাকক তাৰেই কামনা কৰি চমু বক্তব্যৰ সামৰণি মাৰে।

# শুৱালকুছিত শংকৰদেৱৰ জন্মোৎসৱ পালন



**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ৫ অক্টোবৰ ঃ** ৰাজ্যৰ ভিন ভিন প্ৰান্তৰ লগতে ধৰ্ম আৰু কৰ্মৰ মিলনভূমি বস্ত্ৰনগৰী শুৱালকুছিতো চাৰিদিনীয়াকৈ পালন কৰা হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ ৫৭৪ সংখ্যক জন্মজয়ন্তী। ইতিমধ্যে জন্মোৎসৱৰ দুদিনৰ কাৰ্যসূচী নিয়াৰিকৈ সম্পন্ন হয়। মহাপুৰুষীয়া ধৰ্মালোচনী সভা শ্ৰীশ্ৰীশংকৰদেৱ মন্দিৰত গন্ধৰ দিনা পুৱা নগৰত বিভিন্ন নাট্যদলে মহাপুৰুষ জনাৰ অমৰ সৃষ্টি অংকীয়া ভাওনাৰ কিয়দাংশ গাঁওখনৰ চুবুৰিয়ে চুবুৰিয়ে পৰিবেশন কৰে। প্ৰায় ১০ টাতকৈও অধিক নাট্যানুষ্ঠানে ভাওনা প্ৰদৰ্শন কৰে। মুখপত্ৰ শংকৰ প্ৰকাশ উন্মোচন কৰে। গধূলি ভাগৱত শোভাযাত্ৰাৰ পাছত শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰই মহিলাৰ দিহানাম প্ৰতিযোগিতাৰ আয়োজন কৰে। আজি পুৱা আইসকলৰ প্ৰসংগৰ পাছত ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ ডেকা সত্ৰীয়া ৰাজীৱলোচন সন্তৰ পৰিচালনাত নাম-প্ৰসংগ, চৰিত পাঠ, গায়ন বায়নে সেৱাৰ গীত পৰিবেশন কৰে। নিশালৈ শ্ৰীমন্ত শংকৰ কৃষ্টি বিকাশ কেন্দ্ৰৰ সদস্যসকলে পৰিবেশন কৰে অংকীয়া নাট 'ৰাম বিজয়।' একেদৰে শ্ৰীশ্ৰীশংকৰদেৱৰ ধাম, ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ মন্দিৰ, শ্ৰীমন্ত শংকৰদেৱ সংঘ শুৱালকুছি প্ৰাথমিক শাখাকে ধৰি একাধিক সত্ৰ, নামঘৰত শংকৰদেৱৰ জন্মোৎসৱৰ উলহ-মালহেৰে পালন কৰে। ইপিনে, জন্মোৎসৱ উপলক্ষে আজি সন্ধিয়াৰে পৰা ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰৰ সাংস্কৃতিক কোষৰ উদ্যোগত নগৰত প্ৰদৰ্শন কৰিব সত্ৰীয়া নৃত্য, ভোৰতাল নৃত্য, ওজাপালি, থিয়নাম আদি বিভিন্ন সত্ৰীয়া পৰিক্ৰমা। উল্লেখ্য যে এইবেলি মহাপুৰুষীয়া ধৰ্মালোচনী সভা শ্ৰীশ্ৰী শংকৰদেৱ মন্দিৰৰ জন্মোৎসৱ উদ্‌যাপনৰ এশ বছৰ বৰ্ষজোৰা উদ্‌যাপন কৰিব। এই উপলক্ষে শতবৰ্ষৰ অহা সাত অক্টোবৰত পুৱা পতাকা উত্তোলনৰে শতবৰ্ষৰ আৰম্ভ কৰিব। পাছত উক্ত দিনাই নগৰত শতবৰ্ষৰ জাগৰণ যাত্ৰাৰ এটি শোভাযাত্ৰা উলিওৱা হ'ব বুলি শতবৰ্ষ উদ্‌যাপন সমিতিৰ প্ৰচাৰ শাখা উপ-সমিতিৰ সভাপতি প্ৰবীণ কুমাৰ দাস আৰু সম্পাদক প্ৰশান্ত মড়লে জনাইছে।

# টিহুৰ ভিন্ন প্ৰান্তত ৫৭৪ সংখ্যক শংকৰ জয়ন্তী পালন



**অগ্ৰদূত বাৰ্তা**
**টিহু, ৫ অক্টোবৰ ঃ** ৰাজ্যৰ বিভিন্ন ঠাইৰ দৰে আজি টিহু অঞ্চলৰ ভিন্ন প্ৰান্তত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ পালন কৰা পৰিলক্ষিত হয়। এই উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শিয়ালমাৰী প্ৰাথমিক শাখাৰ উদ্যোগত শিয়ালমাৰী হৰি মন্দিৰ প্ৰাংগণত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত শংকৰ জয়ন্তীত কুইজ প্ৰতিযোগিতা, থিতাতে লিখা ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ উপৰি প্ৰভাত ফেৰী, ধৰ্মধ্বজা উত্তোলন, ভাগৱত শোভাযাত্ৰা, গুৰুচৰিত পাঠ, ধৰ্মালোচনা সভা আদি ৰূপায়ণ কৰা হয়। টিহুৰ ভূৰকুছি নামঘৰ প্ৰাংগণতো ভূৰকুছি মিলন প্ৰাথমিক শাখাৰ উদ্যোগত চিত্ৰাংকন প্ৰতিযোগিতা, শিশু কবিতা আবৃত্তি প্ৰতিযোগিতা, দিহানাম প্ৰতিযোগিতা, ভাগৱত শোভাযাত্ৰা, মুকলি সভা আদি উলিওৱা হয়। টিহুৰ বড়গাঁৱত স্থানীয় লোকৰ উদ্যোগত ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। তদুপৰি হাতীপাৰা, ভদ্ৰকুছি. ক্ষেত্ৰাপাৰা, কঠালমূৰা, মাখিবাহা, হাৰিভাঙা আদিতো বিভিন্ন কাৰ্যসূচীৰে শংকৰ জয়ন্তী পালন কৰা হয়।

# বৰিতোলা কীৰ্তন ঘৰ প্ৰাংগণত মহাপুৰুষ শংকৰদেৱৰ জন্ম-মহোৎসৱ উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ৫ অক্টোবৰ ঃ** বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত বৰিতোলা কীৰ্তন ঘৰত কালিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত কৰে গুৰুজনাৰ জন্ম মহোৎসৱৰ। পহিলা দিনৰ কাৰ্যসূচীৰ অন্তত আজি পুৱা প্ৰভাতফেৰি, পুৱাৰ প্ৰসংগ, ধৰ্মীয় পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষৰোপণ, সাংস্কৃতিক শোভাযাত্ৰা কাৰ্যসূচী ৰূপায়িত কৰে। বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাই অঞ্চলবাসী ৰাইজক মোহিত কৰে। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে অম্বাপ্ৰিয়া চৌধুৰী হাইস্কুলৰ প্ৰধান শিক্ষক গিৰীন্দ্ৰ দেৱ শৰ্মাই। শোভাযাত্ৰাৰ অন্তত আইসকলৰ নাম, প্ৰীতিভোজন, আবেলি ওজাপালি প্ৰদৰ্শন, সন্ধিয়া বন্তি প্ৰজ্বলন, টোপধ্বনি আৰু নিশা গোপাল আতা থিয় নাম দলৰ থিয় নাম প্ৰদৰ্শন কৰে।

# দলগাঁৱত হানি-খুঁচি হত্যা কৰিলে দুটাকৈ পশুধন

**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ৫ অক্টোবৰ ঃ** মানৱৰূপী দানৱৰ নিকৃষ্ট কাণ্ডই জোঁকাৰি গৈছে সমগ্ৰ দলগাঁও অঞ্চল। ডিঙিত হানি-খুঁচি হত্যা দুটাকৈ পশুধনৰ। এজন মানুহ কিমান নিষ্ঠুৰ হ'লে এনে জঘন্য কাণ্ড সংঘটিত কৰিব পাৰে তাকে কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ব্যক্তিগত আখেজৰ বাবেই দুষ্টচক্ৰই পশুধন দুটাক হানি-খুঁচি হত্যা কৰাৰ অভিযোগ তুলিছে স্থানীয় ৰাইজে। ঘটনাটো সংঘটিত হৈছে দলগাঁৱৰ শ্যামপুৰ থানাৰ অন্তৰ্গত পূব আলগাচৰত। ব্যক্তিগত আখেজৰ বাবেই হয়তো চোকা অস্ত্ৰৰে হানি-খুঁচি হত্যা কৰিলে জুবেদ আলীৰ দুটাকৈ পশুধন। তথ্য মতে, অঞ্চলটোৰ ৰাইজে নিশাৰ ভাগত গৰু-ছাগলী এৰি থৈ দিয়ে। যোৱা নিশাও একেদৰেই পথাৰত নিজৰ গৰু এৰি থৈ দিছিল জুবেদে। আজি পুৱা জুবেদে নিজৰ গৰু দুজনীক কোনোবা দুষ্টচক্ৰই হানি-খুঁচি হত্যা কৰি পেলাই থৈ দিয়া অৱস্থাত উদ্ধাৰ কৰে পথাৰত। এই ঘটনা সন্দৰ্ভত জানিব পাৰি পৰিয়ালৰ লোকৰ সহিতে স্থানীয় ৰাইজেও আশ্চৰ্য প্ৰকাশ কৰে। ঘটনা সন্দৰ্ভত জুবেদে শ্যামপুৰ থানাত এজাহাৰ দাখিল কৰাৰ পাছতেই আৰক্ষীয়ে অব্যাহত ৰাখিছে তদন্ত। দুটাকৈ জীৱক হানি-খুঁচি হত্যা কৰা দুৰ্বৃত্তক চিনাক্ত কৰি কঠোৰ শাস্তি দিয়াৰ দাবী জনাইছে সংখ্যালঘু সংগ্ৰাম পৰিষদ দৰঙৰ সাধাৰণ সম্পাদক মফিদুল ইছলামে।

## মান্দাকাটাৰ মহিলাৰ মৃত্যুক লৈ সৰৱ মহিলা মঞ্চ

# পত্নীক হত্যাৰ অভিযোগ স্বামীক

**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ৫ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ আনন্দ-উল্লাসৰ মাজতে কামৰূপ জিলাৰ বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত মান্দাকাটা গাঁৱৰ এগৰাকী মহিলাক স্বামীয়ে নিৰ্যাতন চলাই হত্যা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই গুৰুতৰ অভিযোগ উত্থাপন কৰিছে বৃহত্তৰ উত্তৰ গুৱাহাটী সন্মিলিত নাৰী মঞ্চ আৰু সেই মঞ্চৰ শাখা সমিতিয়ে। নাৰী সংগঠনটোৱে অভিযোগ কৰা মতে, কামৰূপ জিলাৰ বাইহাটা চাৰিআলি থানাৰ অন্তৰ্গত মান্দাকাটা গাঁৱৰ প্ৰয়াত আজিজৰ ৰহমানৰ কন্যা চাহেদা বেগম আজিৰ পৰা প্ৰায় ২২ বছৰ পূৰ্বে দৰং জিলাৰ ছিপাঝাৰ থানাৰ অন্তৰ্গত শিঙিমাৰী গাঁৱৰ প্ৰয়াত হাচমত আলীৰ পুত্ৰ বাপধন আলীৰ স'তে বিবাহপাশত আবদ্ধ হৈছিল। দুই সন্তানৰ মাতৃ চাহেদাক স্বামী বাপধনে মূৰত প্ৰহাৰ কৰি হত্যা কৰা বুলি ছিপাঝাৰ থানাত এটা গোচৰ ৰুজু কৰা হৈছে। পূৰ্বৰে পৰা সময়ে সময়ে পত্নীৰ ওপৰত অকথ্য নিৰ্যাতন চলোৱা স্বামী বাপধনে এইবাৰ নিৰ্যাতনৰ চৰম সীমা অতিক্ৰম কৰি চাহেদাক ডিঙিত ধৰি পকী বেৰত মূৰটো খুন্দিয়াই দিয়ে। এই ঘটনাত গুৰুতৰভাৱে আহত চাহেদাক মান্দাকাটাৰ পিতৃ পৰিয়ালে জিএমচিএইছ হাস্পতালত ভৰ্তি কৰে যদিও যোৱা ২৯ ছেপ্টেম্বৰত তাতে নিশা মৃত্যু হয়। চাহেদাৰ মৃত্যুৰ পাছতে আত্মগোপন কৰে স্বামী বাপধনে। কালি ছিপাঝাৰ থানা আৰু চাহেদাৰ পিতৃগৃহত উপস্থিত হৈ বৃহত্তৰ উত্তৰ গুৱাহাটী সন্মিলিত নাৰী মঞ্চৰ সভানেত্ৰী বিউটি বৰা, মঞ্চৰ মান্দাকাটা শাখাৰ সভানেত্ৰী দিলজান বেগম, সম্পাদিকা লাইলা চৌধুৰীয়ে এই সমগ্ৰ ঘটনাৰ উচিত তদন্ত আৰু দোষীক চৰম শাস্তি বিহাৰ দাবী উত্থাপন কৰে।

# গোসাঁইগাঁৱত দুৰ্ঘটনাত কে'বাজনো বাছযাত্ৰী আহত

**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ৫ অক্টোবৰ ঃ** দুৰ্গা পূজাৰ উলহ-মালহৰ মাজতে যোৱা তিনি অক্টোবৰৰ মাজ নিশা গোসাঁইগাঁৱৰ ৩১ নম্বৰ (গ) ৰাষ্ট্ৰীয় পথৰ তেলিপাৰাত সংঘটিত হয় বাছ-ট্ৰাকৰ মাজত ভয়াবহ পথ দুৰ্ঘটনা। দুৰ্ঘটনাত নৈশ বাছৰ বহু কেইজন যাত্ৰী আহত হয়। যাৰ ভিতৰত শিশু-মহিলা থকা বুলিও আৰীৰ সূত্ৰত প্ৰকাশ। তথ্য মতে, শ্বিলঙৰ পৰা বংগৰ শিলিগুৰি অভিমুখে যাত্ৰা কৰা এএছ-০১-পিচি-২২৯৫ নম্বৰৰ 'সীমা' নামৰ দ্ৰুতবেগী নৈশ যাত্ৰীবাহী বাছখনে ৰাষ্ট্ৰীয় পথৰ তেলিপাৰাত ৰৈ থকা বিআৰ-০৯-জিএ-৭৯১১ নম্বৰৰ ট্ৰাকখনত খুন্দা মৰাত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত ৩০ৰ অধিক বাছ যাত্ৰী আহত হয়। আহতসকলৰ মাজত আছিল শিশু, মহিলা আৰু ইজৰাইলৰ পৰা অহা এহাল দম্পতি। দুৰ্ঘটনাৰ খবৰ পাই গোসাঁইগাঁও থানাৰ আৰক্ষী উপস্থিত হৈ ঘটনাস্থলীৰ পৰা আহতসকলক উদ্ধাৰ কৰি গোসাঁইগাঁও হাৱুবিলস্থিত আৰএনবি অসামৰিক চিকিৎসালয়লৈ নিয়ে। গোসাঁইগাঁৱত প্ৰাথমিক চিকিৎসাৰ পাছত কে'বাজনো গুৰুতৰ আহতক উন্নত চিকিৎসাৰ বাবে কোকৰাঝাৰ, বঙাইগাঁৱলৈ প্ৰেৰণ কৰে।

# জামুগুৰিহাটৰ জীয়াভৰলী ঘাটত শতাধিক প্ৰতিমা বিসৰ্জন



**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ৫ অক্টোবৰ ঃ** হেজাৰ হেজাৰ ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত আজি জামুগুৰিহাটৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথৰ জীয়াভৰলীৰ দলঙৰ তলত বিসৰ্জন দিয়া হয় শতাধিক দুৰ্গা প্ৰতিমা। শোণিতপুৰ জিলা প্ৰশাসনে প্ৰতিমা বিসৰ্জনৰ ক্ষেত্ৰত বান্ধি দিয়া নিয়মাৱলী পালন কৰি সকলো আয়োজন সমিতিয়ে বিসৰ্জন দিয়ে প্ৰতিমাসমূহ। প্ৰতিমা বিসৰ্জনৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনৰ ফালৰ পৰা জীয়াভৰলীৰ দলঙৰ সমীপত যথেষ্ট সংখ্যক আৰক্ষী আৰু অৰ্দ্ধসামৰিক বাহিনীৰ জোৱান মোতায়েন কৰা হয়। বৃহত্তৰ জামুগুৰিহাট অঞ্চলৰ জামুগুৰি, কুসুমটোলা, ধলাইবিল, টৌভঙা, নাহৰবাৰী, টুপিয়া, ৰঙাচকুৱা, মৰিসুতি, ইটাখোলা অঞ্চলৰ পৰা অহা প্ৰতিমাসমূহ ধৰ্মীয় পৰম্পৰাৰে বিসৰ্জন দিয়া হয়। বিগত দুটা বছৰৰ পাছত এইবাৰ মুক্ত পৰিৱেশত মুক্তমনে ৰাইজে শাৰদীয় দুৰ্গোৎসৱ উপভোগ কৰা দেখিবলৈ পোৱা গ'ল। বিশেষকৈ অষ্টমী আৰু নৱমীৰ সন্ধিয়া জামুগুৰিহাট ব্যৱসায়িক কেন্দ্ৰস্থলত পূজা উপভোগ কৰিবলৈ হেজাৰ হেজাৰ ৰাইজ ওলাই অহা পৰিলক্ষিত হয়। গ্ৰামাঞ্চলৰ ভিতৰুৱা অঞ্চলৰ পৰা দেৱী দুৰ্গাৰ প্ৰতিমাত মূৰ দোঁৱাবলৈ লগতে পূজা উপভোগ কৰিবলৈ ওলাই অহা হেজাৰ হেজাৰ ৰাইজৰ উপস্থিতিৰে এক প্ৰকাৰে অষ্টমী আৰু নৱমীৰ সন্ধিয়া লোকে লোকাৰণ্যত পৰিণত কৰে জামুগুৰিহাট।

# পাটৰকুছিত অগ্নিকাণ্ড



**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰৰ, ৫ অক্টোবৰ ঃ** শাৰদীয় আনন্দ-উল্লাসৰ মাজতে সোণাপুৰ আৰক্ষী থানাৰ অন্তৰ্গত পাটৰকুছিত যোৱা নিশা ডিলাইট নামৰ ধাবাখনত এক অগ্নিকাণ্ড ঘটনা সংঘটিত হয়। নিশা প্ৰায় ১১.৩০ বজাত সংঘটিত হয় এই ঘটনা। উল্লেখ্য যে ৩৭ নম্বৰ ঘাইপথৰ দাঁতিতে থকা ধাবাখন অগ্নিকাণ্ডৰ ফলত কাঠ, খেৰ আৰু বাঁহ-বেতেৰে নিৰ্মিত মূল জিৰণি চ'ৰাৰ একাংশ সম্পূৰ্ণৰূপে জাহ যায়। ফলত কে'বালাখ টকাৰ সা-সম্পত্তি ক্ষতিগ্ৰস্ত হয়। ঘটনাৰ খবৰ পোৱা মাত্ৰকে সোণাপুৰ আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীৰ লোক ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। কিন্তু বিদ্যুৎ বিজুতিৰ বাবে নে অইন কিবা কাৰণত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটিল সেয়া অদ্যাপি জানিব পৰা হোৱা নাই। ইয়াৰ বিপৰীতে ধাবাখনৰ স্বত্বাধিকাৰীয়ে কোনো দুষ্কৃতিকাৰীয়ে ধাবাখনত জুই লগাই দিয়াৰ অভিযোগ কৰিছে।

# অগ্নিকাণ্ডত কে'বালাখৰ সম্পত্তি ভস্মীভূত দৈপামত

**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ৫ অক্টোবৰ ঃ** দৰঙৰ দলগাঁৱৰ দৈপামত সংঘটিত অগ্নিকাণ্ডত কে'বালাখ টকাৰ সম্পত্তি ভস্মীভূত হয়। কালি পুৱতি নিশা দৈপাম আৰক্ষী চকীৰ অন্তৰ্গত দৈপামত ইনামূল হক চৌধুৰী নামৰ পাইকাৰী চাইকেলৰ দোকানত সংঘটিত হয় এই অগ্নিকাণ্ড। ফলত দোকানত থকা সকলো সামগ্ৰী ভস্মীভূত হয়। দোকানৰ গৰাকীয়ে জানিবলৈ দিয়া মতে, প্ৰায় আঠ লাখ টকাৰ সম্পত্তি ভস্মীভূত হৈছে। অগ্নিকাণ্ডৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই যদিও শ্বৰ্টচাৰ্কিট অথবা দুষ্কৃতিকাৰীয়ে অগ্নিসংযোগ কৰাৰ অভিযোগ তুলিছে দোকানৰ গৰাকীয়ে।

# নগাঁৱৰ শতবৰ্ষ গৰকা পূজাস্থলীত মুখ্যমন্ত্ৰী

**বিশেষ সংবাদদাতা**
**নগাঁও, ৫ অক্টোবৰ ঃ** মহাঅষ্টমীৰ দিনটোত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পুৱাৰ ভাগতে নগাঁৱত উপস্থিত হৈ চহৰখনৰ শতবৰ্ষ গৰকা কে'বাখনো ঐতিহ্যমণ্ডিত পূজাস্থলীত উপস্থিত হৈ দেৱীৰ আশিস গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মা পুৱাৰ ভাগতে নাৰেংগীৰ সেনাবাহিনীৰ হেলিপেডৰ পৰা পোনে পোনে আহি চহৰখনৰ অস্থায়ী হেলিপেডত অৱতৰণ কৰে। পুৱা ১১-১৫ বজাত নগাঁৱত উপস্থিত হৈ বৰষুণৰ মাজতো মুখ্যমন্ত্ৰীয়ে প্ৰথমে উপস্থিত হয় আমোলাপট্টি নাট্য মন্দিৰৰ পূজা মণ্ডপত। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আমোলাপট্টি নাট্য মন্দিৰৰ পূজা মণ্ডপত শক্তি আৰাধ্য দেৱী মা দুৰ্গাৰ চৰণত শৰাই আগবঢ়াই আশীৰ্বাদ গ্ৰহণ কৰে। আমোলাপট্টি পূজা মণ্ডপৰ পৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা পোনে পোনে গৈ উপস্থিত হয় নগাঁও বাঙালী সন্মিলনীৰ পূজা মণ্ডপত। পাছত মুখ্যমন্ত্ৰী মনসা মন্দিৰ আৰু ৰামকৃষ্ণ মিছন পূজা মণ্ডপলৈ যায়। পাছত হিন্দু মিলন মন্দিৰৰ পূজা মণ্ডপলৈ গৈ সেৱা আগবঢ়ায়। তাৰ পৰা হয়বৰগাঁও বীণাপাণি নাট্য মন্দিৰ পূজা মণ্ডপ, বেংগলী নাট্য সন্মিলনী পূজা মণ্ডপত উপস্থিত হয়। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী ফৌজদাৰীপট্টি কলা মন্দিৰ পূজা মণ্ডপত উপস্থিত হৈ মা দুৰ্গাৰ আশীৰ্বাদ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে উপস্থিত থকা আঠখন পূজা মণ্ডপৰ ভিতৰত গৰিষ্ঠসংখ্যকে শতবৰ্ষ গৰকা পূজাস্থলী। মহাঅষ্টমীত আঠখনকৈ দুৰ্গা পূজাস্থলীত উপস্থিত হৈ মা দুৰ্গাৰ আশীৰ্বাদ গ্ৰহণৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ স'তে উপস্থিত থাকে ৰাজ্যসভাৰ সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটা, বিধায়ক ৰূপক শৰ্মা আদি।

# কলং নৈত মৃতদেহ উদ্ধাৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ৫ অক্টোবৰ ঃ** বিজয়া দশমীৰ দিনাই নগাঁৱত অঘটন ঘটিল। আজি পুৱা নগাঁও চহৰৰ মাজেৰে বৈ যোৱা কলং নৈত এজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। পুৱা চহৰখনৰ মাজৰআটি চাৰিআলিৰ সমীপৰ টাউন তেলীয়া গাঁৱৰ ওচৰত কলং নৈত মৃতদেহটো একাংশ লোকে প্ৰত্যক্ষ কৰি হয়বৰগাঁও আৰক্ষী চকীৰ আৰক্ষীক খবৰ দিয়ে। খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে।

# বৰভাগত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মোৎসৱ আৰম্ভ



**অগ্ৰদূত বাৰ্তা**
**বৰভাগ/নলবাৰী, ৫ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বৰভাগৰ মৰোৱাত আজিৰে পৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ আৰম্ভ হৈছে। আজি পুৱাৰ ভাগত অন্যান্য কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ পাছত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা আৰম্ভ হয়। বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে উদ্বোধন কৰা সাংস্কৃতিক শোভাযাত্ৰাত বিভিন্ন লোক সংস্কৃতিৰ আধাৰত শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাটো উৎসৱস্থলীৰ পৰা আৰম্ভ হৈ সমগ্ৰ অঞ্চলটোৰ প্ৰায় দুই কিলোমিটাৰ পৰ্যন্ত পৰিভ্ৰমণ কৰে। ন অক্টোবৰলৈ অনুষ্ঠিত হ'বলগা জন্ম উৎসৱৰ আজিৰ কাৰ্যসূচীত উষা কীৰ্তন, গুৰুজনাৰ ৫৭৪ সংখ্যক জন্মোৎসৱৰ পতাকা উত্তোলন, দেশৰ হকে প্ৰাণাহুতি দিয়া অমৰ ছহিদ সকলৰ পৱিত্ৰ সোঁৱৰণত স্মৃতি তৰ্পণ, শংকৰ-মাধৱ ৰভামঞ্চৰ আনুষ্ঠানিক উন্মোচন, ভকতবৃন্দৰ নাম-প্ৰসংগ আৰু যুগল চিকিৎসা শিবিৰ উন্মোচন, আয়তীৰ দিহানাম প্ৰতিযোগিতা, বন্তি প্ৰজ্বলন, নাগাৰা নাম পৰিবেশন আদি অনুষ্ঠিত হয়।

# বাহাৰঘাটত দছেৰা উৎসৱত অগণন ৰাইজৰ সমাবেশ



**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ৫ অক্টোবৰ ঃ** নলবাৰী জিলাৰ অন্তৰ্গত চিলাৰায় সেউজ সংঘ বাহাৰঘাটৰ উদ্যোগত আজি বিজয়া দশমীৰ দিনা পঞ্চম বাৰ্ষিক দছেৰা উৎসৱ উদ্‌যাপন কৰে। কাৰ্যসূচী অনুসৰি পুৱা সেউজ সংঘৰ পতাকা উত্তোলন, গছপুলি ৰোপণ, আবেলি বিজয়া দশমী উৎসৱ। উক্ত অনুষ্ঠানত অঞ্চলটোৰ কে'বাখনো দেৱী দুৰ্গাৰ প্ৰতিমা বৰলীয়া নৈত বিসৰ্জন দিয়ে। আবেলি সম্বৰ্ধনা অনুষ্ঠানত অঞ্চলৰ দুই কৃতী ছাত্ৰ ক্ৰমে ৰিতু লহকৰ আৰু দিব্যজ্যোতি লহকৰক গামোচা, জাপি, মানপত্ৰ আদিৰে সম্বৰ্ধনা জনোৱাৰ লগতে কে'বাজনো বিশিষ্ট লোকে সম্বৰ্ধনা জনায়। ইয়াৰ পাছতে কেইজনমান বিশিষ্ট ব্যক্তিৰ দ্বাৰা বন্তি প্ৰজ্বলন, টোপধ্বনি আৰু দছেৰা উৎসৱ উদ্‌যাপন কৰে, দুষ্কৃতিৰ প্ৰতীক ৰাৱণৰ মূৰ্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক হিৰণ্য কাৰ্জীয়ে। দছেৰা উৎসৱত অগণন ৰাইজৰ সমাবেশ ঘটে।

# লংকাত ১০৮ খন পূজা মণ্ডপত ভক্তৰ সমাগম সীমিত



**অগ্ৰদূত বাৰ্তা**
**লংকা, ৫ অক্টোবৰ ঃ** আজি বিজয়া দশমী, লংকা চহৰত লংকা আৰক্ষী থানাৰ অন্তৰ্গত প্ৰায় ১০৮ খন দুৰ্গা পূজা অনুষ্ঠিত হয় যদিও চহৰৰ পৌৰ অঞ্চলত প্ৰায় ৫৭ খন অনুষ্ঠিত হয়। পূজাৰ দিনকেইটাৰ মাজত দুই নম্বৰ পাঞ্চালী হত্যাকাণ্ড আৰু দুই এক সৰু সুৰা ঘটনাৰ বাহিৰে কোনো ধৰণৰ অধিক গুৰুত্বপূৰ্ণ ঘটনা সংঘটিত হোৱা নাই। লংকা আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰে যদিও এইবাৰ পূজাত মানুহৰ সমাগম সীমিত হোৱাত শান্তি-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত সুযোগমূলক সুবিধা গ্ৰহণ কৰে। উল্লেখ্য যে এইবাৰ লংকা আৰক্ষী থানাৰ চক্ৰ আৰক্ষী বিষয়া বিজয়া দাসৰ তত্বাৱধানত লংকা অঞ্চলত মানৱ সৰববাহ, অপহৰণ, নিৰুদ্দেশ আদি অপৰাধৰ পৰা ৰক্ষা পাবলৈ জনসাধাৰণৰ সজাগতাৰ উদ্দেশ্যে পূজা চৌহদত বেনাৰ, প'ষ্টাৰ আদি লগতে পূজালৈ অহা লোকৰ মাজত সচেতনতামূলক গোহাৰি বিতৰণ কৰে।

# লংকাত স্বামীয়ে ডিঙি চেপি হত্যা কৰিলে পত্নীক

**অগ্ৰদূত বাৰ্তা**
**লংকা, ৫ অক্টোবৰ ঃ** দুৰ্গা পূজাৰ আনন্দ উল্লাসৰ মাজতে লংকাৰ দুই নম্বৰ পাঞ্চালী গাঁৱত সংঘটিত হ'ল লোমহৰ্ষক হত্যাকাণ্ড। নিশা শোৱাপাটীত স্বামীয়ে পত্নীক ডিঙি চেপি হত্যা কৰাৰ অভিযোগ উঠিছে। হত্যাকাৰী স্বামীৰ নাম গুলজাৰ হুছেইন আৰু মৃত পত্নী ৰুহিনা ইয়াচমিন। ইপিনে, হত্যাকাণ্ড সংঘটিত কৰি পলাতক অৱস্থাত আছে স্বামী। তথ্য মতে, লংকাৰ দুই নম্বৰ পাঞ্চালী গাঁৱৰ ইয়াচমিনৰ লংকাৰে গুলজাৰৰ লগত বিয়া হয়। কিন্তু বিয়াৰ পাছৰে পৰা প্ৰায় পাৰিবাৰিক সংঘাতৰ সৃষ্টি হয়। কিছুদিন ধৰি গুলজাৰ বহিঃৰাজ্য কেৰালাত কাম কৰিছিল। ইয়াচমিন তেওঁৰ পিতৃ-মাতৃ গৃহলৈ আহি দুই নম্বৰ পাঞ্চালী গাঁৱত আছিল। ইফালে, গুলজাৰ কৰ্মস্থলীৰ পৰা আহি শহুৰেকৰ ঘৰলৈ গৈ ইয়াচমিনৰ লগত থাকে। তিনি অক্টোবৰৰ নিশা খাই-বৈ শুৱলৈ যায় যদিও মাতৃয়ে কন্যাক দেৰিলৈকে টোপনিৰ পৰা নুঠা বাবে মাতিবলৈ গৈ জীয়েকৰ জঠৰ অৱস্থা দেখি আৰু জোঁৱায়েকক প্ৰত্যক্ষ নকৰি চিঞৰ-বাখৰ লগোৱাত সকলো পৰিয়ালৰ লোকে উপস্থিত হৈ হুৰিনাৰ মৃত অৱস্থা দেখি লংকা আৰক্ষীক ঘটনাৰ বিষয়ে অৱগত কৰে। পত্নী ৰুহিনাক শোৱাপাটীতে স্বামীয়ে টেঁটু চেপি হত্যা কৰি নিশাই পলায়ন কৰে বুলি পৰিয়ালৰ লোকে সদৰী কৰিছে।

# হৰি নামেৰে মুখৰিত ধূপধৰাৰ আকাশ-বতাহ

## ■ ধূপধৰাত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**
**দুধনৈ, ৫ অক্টোবৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ধূপধৰা প্ৰাথমিক শাখাৰ উদ্যোগত তথা ধূপধৰাৰ শ্ৰীশ্ৰীজগত গুৰু নামঘৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ। কাৰ্যসূচী অনুসৰি, কালি দিনৰ ভাগত অনুষ্ঠিত হয় চিত্ৰাংকন, কবিতা আবৃত্তি, বক্তৃতা, ঘোষাপাঠ, আই মাতৃৰ দিহা নাম প্ৰতিযোগিতা। সন্ধিয়া অনুষ্ঠিত হয় নাম-প্ৰসংগ। আজি পুৱা ৮.৩০ বজাত ধৰ্মধ্বজা উত্তোলন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ধূপধৰা প্ৰাথমিক শাখাৰ সভাপতি শিৰেন্দ্ৰ পাটগিৰিয়ে। ইয়াৰ পাছতে প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘ, ধূপধৰা প্ৰাথমিক শাখাৰ উপদেষ্টা চক্ৰধৰ দাসে। পুৱা ৯.৩০ বজাত উলিওৱা হয় ভাগৱত শোভাযাত্ৰা। শোভাযাত্ৰাৰ উদ্বোধন কৰে ধূপধৰা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শিক্ষক যোগনাৰায়ণ পাঠকে। হৰি নামৰ ধ্বনিৰে ধূপধৰাৰ আকাশ-বতাহ মুখৰিত কৰি প্ৰায় তিনি কিলোমিটাৰ পথ পৰিভ্ৰমণ কৰোৱা হয় ভাগৱত শোভাযাত্ৰা। ১০.৩০ বজাত সমূহীয়া নাম-প্ৰসংগ। আবেলি ১.৩০ বজাৰ পৰা অনুষ্ঠিত হয় দিহা নাম আৰু থিয় নাম। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পাছতে অনুষ্ঠিত হয় সাংস্কৃতিক অনুষ্ঠান। কাইলৈ আবেলি অনুষ্ঠিত হ'ব ধৰ্মালোচনী সভা।

### তানিয়াৰ স'তে যুটি বান্ধি মহিলাৰ ডাবলছত সোণ ঃ একককত ব্ৰঞ্জ অৰ্জন মৃদুলৰ ঃ লন বলত অসমৰ ছটা পদক

# ৰাষ্ট্ৰীয় ক্ৰীড়াত স্বৰ্ণ জয়ৰ হেট্ৰিক নয়নমণিৰ

**আহমেদাবাদ, ৫ অক্টোবৰ ঃ** অসমৰ লন বল খেলুৱৈৰ চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক জয়ৰ গৌৰৱময় সফলতা অব্যাহত আছে। আজি অসমে লন বলত এটা সোণ আৰু ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হয়। নিজৰ প্ৰথম মেচত ৰূপ আৰু ব্ৰঞ্জ লাভ কৰি হতাশ হোৱাৰ পাছত আজি অসমৰ দুই তাৰকা মহিলা খেলুৱৈ নয়নমণি শইকীয়া আৰু তানিয়া চৌধুৰীয়ে ডাবলছত সোণ অৰ্জন কৰি প্ৰত্যাশা পূৰ্ণ কৰাৰ লগতে নিজৰ লক্ষ্যতো উপনীত হয়। ফাইনেলত অসমে ১৭-১০ ৰ ব্যৱধানত হেলাৰঙে পৰাস্ত কৰে ঝাৰখণ্ডক। ইয়াৰপূৰ্বে নয়নমণি-তানিয়া যুটিয়ে কালি ছেমিফাইনেলত ২৯-৩ ৰ ব্যৱধানত বিহাৰক হৰুৱাই পদক জয় নিশ্চিত কৰিছিল। উল্লেখ্য যে বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা নয়নমণি আৰু তানিয়াৰ এয়া চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত প্ৰথম সোণ তথা উভয়ৰে দ্বিতীয়টো পদক। ইয়াৰপূৰ্বে মহিলাৰ একক শাখাত কমনৱেলথ গেমছৰ স্বৰ্ণজয়ী অসম কন্যা নয়নমণিয়ে ব্ৰঞ্জ পদক লাভ কৰাৰ বিপৰীতে তানিয়াই মহিলাৰ ফ'ৰ্ছত বনগীতা হাজৰিকা, অনন্যা শইকীয়া আৰু অদিনীতা কাকতিৰ স'তে মিলি ৰূপ অৰ্জন কৰিছিল। ক্ৰমাগত তৃতীয়খন ৰাষ্ট্ৰীয় ক্ৰীড়া খেলা নয়নমণিয়ে ইয়াৰপূৰ্বে ২০১১ ত ঝাৰখণ্ড আৰু ২০১৫ ৰ কেৰালা ৰাষ্ট্ৰীয় ক্ৰীড়াতো অসমক সোণৰ পদক দি গৌৰৱময় সফলতা লাভ কৰিছিল। নয়নমণিৰ লক্ষ্য আছিল এইবাৰ গুজৰাটতো সোণ জয় কৰি হেট্ৰিক অৰ্জন কৰা। আজি নিজৰ লক্ষ্য আৰু সপোন পূৰ্ণ কৰিলে নয়নমণিয়ে। ইফালে, আজি লন বলত অসমক দ্বিতীয়টো পদক দিয়ে পুৰুষৰ একক শাখাত ব্ৰঞ্জ লাভ কৰা মৃদুল বৰগোহাঁয়ে। দিল্লীৰ বিক্ৰম ৰজকক ২১-৬ ৰ ব্যৱধানত পৰাস্ত কৰি চলিত ৰাষ্ট্ৰীয় ক্ৰীড়াত দ্বিতীয়টো পদক অৰ্জন কৰে মৃদুলে। উল্লেখ্য যে বাৰ্মিংহাম কমনৱেলথ গেমছৰ ভাৰতীয় দলৰ সদস্য মৃদুলে ইয়াৰপূৰ্বে পুতুল সোণোৱাল আৰু আনন্দ নাৰ্জাৰীৰ লগত মিলি সোণ অৰ্জন কৰিছিল। উল্লেখ্য যে লন বলত অসমে এতিয়ালৈকে তিনিটা সোণসহ ছটা পদক লাভ কৰিছে। অসমৰ হৈ সোণ পাইছিল পুৰুষৰ ডাবলছত মৃদুল বৰা আৰু ৰূপতু গগৈয়ে।



### ৰাজকোটৰ ছুইমিং পুলত পুনৰ অসমৰ খেলুৱৈৰ সফলতা

## সাঁতোৰত আস্থা-বিক্ৰমৰ ৰূপ, শিৱাংগীৰ ব্ৰঞ্জ





**ৰাজকোট, ৫ অক্টোবৰ ঃ** অসম আস্থা চোধুৰী আৰু বিক্ৰম চাংমায়ে চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত নিজৰ দ্বিতীয়টো পদক লাভ কৰিবলৈ সক্ষম হৈছে। আজি হোৱা পুৰুষ আৰু মহিলাৰ ২০০ মিটাৰ ৱাটাৰ ফ্লাইত আস্থা আৰু বিক্ৰমে ৰূপ অৰ্জন কৰে। আস্থাই ২.১৯.৬৩ ছেকেণ্ড সময় লোৱাৰ বিপৰীতে বিক্ৰমে ২.০৩.৪৩ ছেকেণ্ড সময়ত লক্ষ্যত উপনীত হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ নতুন অভিলেখ গঢ়ি মহিলাৰ ১০০ মিটাৰ ৱাটাৰ ফ্লাইত সোণ লাভ কৰিছিল অসমৰ জলপৰী আস্থাই। ১.০৩.৩৭ ছেকেণ্ড সময়ৰে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ মহিলাৰ ১০০ মিটাৰ ৱাটাৰ ফ্লাইৰ নতুন অভিলেখ গঢিছিল আস্থাই। আনবাতে বিক্ৰমে পুৰুষৰ ১০০ মিটাৰ ৱাটাৰ ফ্লাইতো ৰূপৰ পদক লাভ কৰিছিল। ৫৫.৭৩ ছেকেণ্ড সময় লৈছিল বিক্ৰমে। ইফালে, আস্থা আৰু বিক্ৰমৰ লগতে অসমৰ শিৱাংগী শৰ্মায়ো চলিত গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক জয়ৰ প্ৰত্যাশিত অভিযান আৰম্ভ কৰিছে। কালি শিৱাংগীয়ে মহিলাৰ ৫০ মিটাৰ ফ্ৰী ষ্টাইলত ব্ৰঞ্জ পদক অৰ্জন কৰে। তেওঁ সময় লয় ২৭.২১ ছেকেণ্ড। উল্লেখ্য যে অসমৰ যিসকল খেলুৱৈৰ পৰা ৰাজ্যবাসীয়ে পদক আশা কৰিছিল তাৰভিতৰত অন্যতম হ'ল তিনি নৱাগত সন্তৰণবিদ আস্থা, শিৱাংগী আৰু বিক্ৰম। ৰাজ্যবাসীৰ প্ৰত্যাশা পূৰ্ণ কৰি ৰাজকোটৰ ছুইমিং পুলত গৌৰৱ অৰ্জন কৰিছে অসমৰ খেলুৱৈয়ে।

### গান্ধীনগৰৰ ট্ৰেকত ঐতিহাসিক সফলতা অসম সন্তানৰ

## ৰাষ্ট্ৰীয় ক্ৰীড়াৰ নতুন অভিলেখ গঢ়ি ২০০ মিটাৰতো অম্লানৰ সোণ লাভ

**গান্ধীনগৰ, ৫ অক্টোবৰ ঃ** ভাৰতীয় এথলেটিকছৰ নৱ চাঞ্চল্য অসমৰ অম্লান বৰগোহাঁয়ে চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত প্ৰত্যাশিতভাবে নিজৰ দ্বিতীয়টো সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে মহাষষ্ঠীৰ দিনা পুৰুষৰ ১০০ মিটাৰত স্বৰ্ণজয় কৰি দেশৰ দ্ৰুততম মানৱ হোৱাৰ ঐতিহাসিক সফলতা লাভ কৰা অসম সন্তান অম্লানে মহানৱমীৰ দিনা ২০০ মিটাৰত সোণ লাভ কৰি আন এক গৌৰৱময় সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। ৰাষ্ট্ৰীয় ক্ৰীড়াত নতুন অভিলেখ গঢ়ি ২০০ মিটাৰত সোণ লাভ কৰিছে অম্লানে। গান্ধীনগৰৰ আই আই টি ক্ৰীড়া প্ৰকল্পত অন্তিম দিনা অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ এথলেটিকছত অম্লানে দুঘণ্টাৰ ভিতৰতে দুবাৰকৈ অভিলেখ ভংগ কৰে পুৰুষৰ ২০০ মিটাৰৰ দৌৰত। পুৱা হোৱা ছেমিফাইনেলত অম্লানে ২১.০৬ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি শীৰ্ষস্থান অৰ্জনৰে ফাইনেলত প্ৰৱেশ কৰে তথা ২০০ মিটাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পূৰ্বৰ অভিলেখো ভংগ কৰে। আনহাতে, দুঘণ্টা পিছত হোৱা ফাইনেলত অম্লানে ২০.৫৫ ছেকেণ্ডৰে সোণ লাভ কৰাৰ লগতে নিজে গঢ়া অভিলেখটো ভংগ কৰি নতুন অভিলেখৰ গৰাকী হয়। স্বাভাৱিকতে এয়া অনন্য সফলতা। কেৰিয়াৰৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়াতে অম্লানে অভিলেখসহ ১০০ আৰু ২০০ মিটাৰৰ সোণ জয় কৰাটো অসমৰ গৌৰৱময় ক্ৰীড়া ইতিহাসত এক স্বৰ্ণিল অধ্যায় হৈ থাকিব। উল্লেখ্য যে ইয়াৰপূৰ্বে পুৰুষৰ ১০০ মিটাৰত অম্লানে ১০.৩৮ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি সোণ অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ইফালে, ৰাষ্ট্ৰীয় ক্ৰীড়াত অভিলেখ গঢ়ি দুটা সোণ লাভ কৰাৰ অম্লানৰ ৰাষ্ট্ৰীয় অভিলেখ কিন্তু এতিয়াও অক্ষত। উল্লেখ্য যে চলিত বৰ্ষতে অম্লানে ১০০ আৰু ২০০ মিটাৰত নতুন ৰাষ্ট্ৰীয় অভিলেখ গঢ়িছিল। ১০.২৫ ছেকেণ্ডৰে ১০০ মিটাৰত অভিলেখ গঢ়া অম্লানৰ ২০০ মিটাৰৰ শ্ৰেষ্ঠ সময় হ'ল ২০.৫২ ছেকেণ্ড।



### কেৰিয়াৰৰ প্ৰথম ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক পালে ধিং এক্সপ্ৰেছে

## ২০০ মিটাৰত হিমাৰ ৰূপৰ পদক

**গান্ধীনগৰ, ৫ অক্টোবৰ ঃ** যি লক্ষ্য লৈ গুজৰাটলৈ হিমা দাস গৈছিল অৱশেষত সেয়া সফল হ'ল। উল্লেখ্য যে অম্লান বৰগোহাঁইৰ দ্বিতীয় স্বৰ্ণজয়ৰ প্ৰাকক্ষণত গান্ধীনগৰৰ আই আই টি ক্ৰীড়া প্ৰকল্পৰ এথলেটিকছ ট্ৰেকত অসমক আন এক সফলতা দিয়ে ধিং এক্সপ্ৰেছ হিমা দাসে। মহিলাৰ ২০০ মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰে হিমাই। ২৩.৬১ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি কেৰিয়াৰৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক দখল কৰিবলৈ সক্ষম হয় অৰ্জন বঁটাৰে সন্মানিত তথা এছিয়ান গেমছৰ পদকজয়ী অসম কন্যা হিমাই। উল্লেখ্য যে মহিলাৰ ২০০ মিটাৰ দৌৰতো গুজৰাটতে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পূৰ্বৰ অভিলেখ ভংগ হয়। গুৰুত্বপূৰ্ণ বিষয়টো এয়ে যে পদকজয়ী তিনিওগৰাকী এথলীটে পূৰ্বৰ অভিলেখ ভংগ



কৰে। কিন্তু ২৩.০৬ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি সোণ জয় কৰা অৰ্চনাৰ নামত থাকে নতুন অভিলেখ। হিমাৰ সময় ২৩.৬১ ছেকেণ্ড। আনহাতে, ব্ৰঞ্জ জয়ী শ্ৰৱানীৰ সময় হ'ল ২৩.৬৪ ছেকেণ্ড। ২০০ মিটাৰ দৌৰৰ পূৰ্বৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ অভিলেখ আছিল ছিনী উইলছনৰ (২৩.৮৬ ছেকেণ্ড, ১৯৯৪ চন) নামত। উল্লেখ্য যে ১০০ মিটাৰৰ ফাইনেলত হতাশাজনক প্ৰদৰ্শন কৰাৰ পাছত সফল প্ৰত্যাৱৰ্তন কৰিছিল হিমাই। দুদিন পূৰ্বে ২০০ মিটাৰ দৌৰৰ হিটছত অংশ লৈ ২৩.৯৮ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি দ্বিতীয় স্থানত থাকি ফাইনেলত প্ৰৱেশ কৰিছিল ধিং এক্সপ্ৰেছে। ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক জয়ৰে অসমবাসীক গৌৰৱান্বিত কৰাৰ অন্তিম সুযোগটো অথলে যাব নিদিলে হিমাই। উল্লেখ্য যে চলিত ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আৰম্ভ হোৱাৰ পূৰ্বেই অম্লান আৰু হিমাই নিশ্চিত পদক পাব বুলি ব্যক্ত কৰিছিল অসম এথলেটিকছ সন্থাৰ সভাপতি তথা অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে। গুজৰাটত সেয়া এশ শতাংশ মিলি গ'ল।

### চিকিৎসকৰ সেউজ সংকেত ঃ আজি ৰিঙত যমুনা-অংকুশিতা

## ৰাষ্ট্ৰীয় ক্ৰীড়াত জয়ৰে অভিযান লাভলীনাৰ

**গান্ধীনগৰ, ৫ অক্টোবৰ ঃ** চলিত৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত আজিৰে পৰা আৰম্ভ হৈছে বক্সিং। অসমৰ ক্ৰীড়াপ্ৰেমীৰ বাবে সুখৰ খবৰ এয়ে যে আঘাতমুক্ত হৈ গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত খেলিবলৈ সাজু হৈছে দেশৰ তাৰকা মহিলা বক্সাৰ অসম কন্যা লাভলীনা বৰগোঁহায়ে। উল্লেখ্য যে টকিঅ' অলিম্পিকৰ ব্ৰঞ্জজয়ী খেলৰত্ন সন্মান লাভ কৰা লাভলীনাই ৭০-৭৫ কিলোগ্ৰাম শাখাত খেলিছে। প্ৰথমদিনাই ৰিঙত নমা লাভলীনাই আজি প্ৰথম ৰাউণ্ডৰ মেচত প্ৰতিদ্বন্দ্বী বিহাৰৰ নিশি ভৰদ্বাজক নকআউট কৰে। স্মৰ্তব্য যে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ প্ৰাকক্ষণতে আঘাতৰ বাবে প্ৰতিযোগিতাৰ পৰা নাম প্ৰত্যাহাৰ কৰিছিল লাভলীনাই। পাটিয়ালাত হোৱা এছিয়ান চেম্পিয়নশ্বিপৰ বাছনিৰ সময়তে নাকত আঘাত পাইছিল লাভলীনাই। সেয়ে চিকিৎসকে তিনি সপ্তাহৰ জিৰণিৰ পৰামৰ্শ দিয়ে লাভলীনাক। কিন্তু শেহতীয়া পৰীক্ষাৰ পাছতে চিকিৎসকৰ পৰা সেউজ সংকেট লাভ কৰি অসমৰ হৈ কেৰিয়াৰৰ প্ৰথমখন ৰাষ্ট্ৰীয় ক্ৰীড়া খেলাৰ বাবে সাজু হৈছে লাভলীনা। ভাৰতীয় বক্সিং ফেডাৰেছনে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ আয়োজকক পুনৰ লাভলীনাৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ কয় আৰু সেই অনুসৰি বিশ্ব চেম্পিয়নশ্বিপ তথা কমনৱেলথ গেমছৰ হতাশজনক ফলাফলৰ পাছত নতুন আশাৰে সাজু হৈছে অসমৰ ভাৰত গৌৰৱ কন্যা। 'লাভলীনাৰ নাকত এতিয়াও কেপ লগোৱা আছে। কিন্তু চিকিৎসকে খেলাৰ অনুমতি দিছে। পূৰ্বে অসম বক্সিং সন্থাৰ অনুৰোধত আঘাতপ্ৰাপ্ত লাভলীনাৰ স্থানত ভাগ্যৱতী কছাৰীক ৰাষ্ট্ৰীয়



ক্ৰীড়াৰ অসম দলত লোৱা হৈছিল যদিও এতিয়া ৰাজ্যিক সন্থাৰ অনুমতি অনুসৰি পুনৰ লাভলীনাৰ নাম অন্তৰ্ভূক্ত কৰা হ'ল।' ভাৰতীয় বক্সিং ফেডাৰেছনৰ সচিব প্ৰধান হেমন্ত কুমাৰ কলিতাই কয়। উল্লেখ্য যে কলিতা অসম বক্সিং সন্থাৰো সম্পাদক। ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ বক্সাৰে পদক জয়ৰ সম্ভাৱনাৰ বিষয়েও ব্যক্ত কৰে কলিতাই। উল্লেখ্য যে দুবাৰকৈ বিশ্ব বক্সিঙত ব্ৰঞ্জজয়ী লাভলীনাৰ লগতে অসম দলত আছে ৫৪ কিলোগ্ৰামত খেলিব লগা বিশ্ব চেম্পিয়নশ্বিপৰ আন এগৰাকী ব্ৰঞ্জজয়ী যমুনা বড়ো। মহিলাৰ ৫২ কিলোগ্ৰামত খেলিব মঞ্জু বসুমতাৰীয়ে। আনহাতে, ফাইলাও বসুমতাৰীয়ে ৬০ কিলোগ্ৰামত তথা ৬৬ কিলোগ্ৰাম শাখাত অংশ ল'ব প্ৰাক্তন জুনিয়ৰ বিশ্ব চেম্পিয়ন অংকুশিতা বড়োই। ইফালে, দুবাৰকৈ অলিম্পিক খেলা শিৱ থাপাৰ লগতে অসমৰ আন দুই পুৰুষ বক্সাৰ হ'ল বাস্তৱ চেতিয়া আৰু ৰৌছন সোনাৰ।

## গান্ধীবড়ীৰ জয়

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ৫ অক্টোবৰ ঃ** নগাঁও জিলাৰ কাছমাৰী আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত পলাশতল কাছমাৰী হাইস্কুল খেলপথাৰত চলি থকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত গান্ধীবড়ি ফুটবল ক্লাবে চকলাঘাট এফ চি-'বি' দলক ছাডেন ডেথযোগে সামগ্ৰিকভাৱে ৬-৫(১-১) গ'লত হৰুৱাই অগ্ৰগতি লাভ কৰিছে। নগাঁও আৰু মৰিগাঁও জিলা ভিত্তিত আয়োজিত এই প্ৰতিযোগিতাৰ আজিৰ খেলখনৰ নিৰ্ধাৰিত সময়ত চকলাঘাট দলৰ হৈ ২৮ মিনিটত বিশাল বৰদলৈয়ে গল দিয়াৰ বিপৰীতে গান্ধীবড়ি ফুটবল ক্লাবৰ হৈ ৬০ মিনিটত পাৰ্থ কোঁৱৰে গ'ল দি সমতা স্থাপন কৰে। টাইব্ৰেকাৰতো খেলখন ড্ৰ' হোৱাৰ পিছত ছাডেন ডেথত গান্ধীবড়ী এফ চিৰহৈ দীপ বৰদলৈয়ে নিৰ্ণায়ক গলটো কৰে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী বিপ্লৱ কোঁৱৰক সহায় কৰে সমীৰ বৰদলৈ, বিষ্ণু বৰদলৈ আৰু কণ্ঠিৰাম ৰাজাই।



গুজৰাজৰ কাপোৰ পিন্ধি লাভলীনা, যমুনা, অংকুশিতা লগত শিৱ

## প্ৰথম আন্তঃষষ্ঠ অনুসূচী প্ৰিমিয়াৰ ফুটবল লীগ

**অগ্ৰদূত বাৰ্তা, টংলা, ৫ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ ডিমাকুছি মিনি ষ্টেডিয়ামত অহা ন অক্টোবৰৰ পৰা আৰম্ভ হ'ব প্ৰথম আন্ত: ষষ্ঠ অনুসূচী ফুটবল প্ৰিমিয়াৰ লীগ চমুকৈ আই এছ পি এল -২০২২। ১৪ দিনীয়া কাৰ্যসূচীৰে আৰম্ভ হ'বলগীয়া বড়োলেণ্ড টেৰিটৰিয়েল ৰিজিয়ন (বিটিআৰ) জিলাৰ বিভিন্ন খেলপথাৰত অনুষ্ঠিত হ'ব প্ৰথম আন্তঃ ষষ্ঠ অনুসূচী পৰিষদৰ প্ৰিমিয়াৰ ফুটবল লীগ। ভাৰতৰ উত্তৰ-পূবৰ ৰাজ্যসমূহৰ বিভিন্ন ষষ্ঠ অনুসূচী পৰিষদক প্ৰতিনিধিত্ব কৰি মুঠ ১০ টা দলে প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে নিশ্চিত কৰিছে। বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োক অধ্যক্ষ, বিটিআৰ কাৰ্যবাহী সদস্য দাওবাইচা বড়োক উপাধ্যক্ষ আৰু বিটিচিৰ সচিব নৰেন চন্দ্ৰ বসুমতাৰীক আহ্বায়ক হিচাপে লৈ এখনি শক্তিশালী আয়োজক সমিতি গঠন কৰিছে। ন অক্টোবৰত ওদালগুৰিৰ ডিমাকুছি মিনি ষ্টেডিয়ামত উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব আৰু ২৩ অক্টোবৰত কোকৰাঝাৰৰ তিতাগুৰিৰ এছএআই এছএজি কেন্দ্ৰত সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ চেম্পিয়ন দলটোক ট্ৰফীসহ নগদ তিনি লাখ টকা আৰু ৰানাৰ্ছ আপ দলটোক ট্ৰফীসহ নগদ দুই লাখ টকা প্ৰদান কৰা হ'ব। ভাৰত চৰকাৰৰ কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী কিৰেন ৰিজিজু, কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী অনুৰাগ ঠাকুৰ, অসমৰ ৰাজ্যপাল অধ্যাপক জগদীশ মুখী, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, অসমৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিআৰ চিইএম প্ৰমোদ বড়ো, উপ চিইএম গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে প্ৰতিযোগিতাৰ উদ্বোধনী আৰু সামৰণি অনুষ্ঠানত অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

## আজি ভাৰত-দঃ আফ্ৰিকাৰ প্ৰথম এদিনীয়া

**লক্ষ্ণৌ, ৫ অক্টোবৰ ঃ** ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ সামৰণিৰ পাছত কাইলৈৰ পৰা আৰম্ভ হ'ব তিনিখনীয়া এদিনীয়া শৃংখলা। কাইলৈ লক্ষ্ণৌত নৈশালোকত হ'ব শৃংখলাৰ প্ৰথমখন মেচ। উল্লেখ্য যে ভাৰতে তিনিখনীয়া টি-২০ শৃংখলাৰ অন্তিম মেচত পৰাস্ত হ'লেও প্ৰথম দুখন মেচত জয় হোৱাৰ সূত্ৰে শৃংখলাটো ২-১ ত দখল কৰিছে। যোৱানিশা ইণ্ডোৰত হোৱা তৃতীয় মেচত দক্ষিণ আফ্ৰিকাই ৪৯ ৰাণত পৰাস্ত কৰে ভাৰতক। দক্ষিণ আফ্ৰিকাই ডি'কক (৬৮ৰ আৰু ৰ'ছোউৱ (১০০ৰ ৰ অপৰাজিত শতকেৰে ২২৭-৩ ৰাণ কৰাৰ প্ৰত্যুত্তৰত ভাৰতে ১৮.৩ অভাৰত ১৭৮ ৰাণত অলআউট হৈ পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা শৃংখলাৰ দ্বিতীয়খন মেচত টীমইণ্ডিয়াই ১৬ ৰাণত জয়লাভ কৰি শৃংখলা হস্তগত কৰিছিল। আনহাতে, প্ৰথম মেচত ভাৰতে আঠ উইকেটত জয়ী হৈছিল।



## ৰোমাঞ্চ দিবলৈ সাজু নৱম হিৰো আই এছ এল

**মুম্বাই, ৫ অক্টোবৰ ঃ** ভাৰতীয় ফুটবললৈ পেছাদাৰীত্ব অনা হিৰো ইণ্ডিয়ান ছুপাৰ লীগ চমুকৈ আই এছ এছৰ নৱম সংস্কৰণ অহা সাত অক্টোবৰৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে কৰ'নাৰ বাবে যোৱা দুবছৰ আই এছ এলৰ মেচ দৰ্শক অবিহনে কেবল গোৱাতে হৈছিল যদিও এইবাৰ পুনৰ সমগ্ৰ দেশতে হ'ব। অৰ্থাৎ আই এছ এল খেলিব লগা ১১ টা দলে নিজৰ চহৰত ১০ খনকৈ লীগ মেচ খেলাৰ সুযোগ লাভ কৰিব। স্বাভাৱিকতে অহা ছমাহত ফুটবলৰ উৎসৱৰ মায়াত ডুব যাব ভাৰতীয় ক্ৰীড়াপ্ৰেমী। উল্লেখ্য যে এইবাৰ নিজৰ প্ৰিয় দলটোক সমৰ্থন কৰিবলৈ বাধাহীনভাৱে ষ্টেডিয়ামলৈ অহিব পাৰিব দৰ্শকো। স্বৰূপাৰ্থত জন্মৰ সময়ত ভাৰতত যি ফুটবল আন্দোলনৰ সুচনা আই এছ এলে কৰিছিল এইবাৰ সেই ৰূপতে পুনৰ দেশৰ ক্ৰীড়াপ্ৰেমীৰ মাজলৈ আহিছে দেশৰ শ্ৰেষ্ঠ জনপ্ৰিয় ফুটবল প্ৰতিযোগিতাখন। অহা সাত অক্টোবৰত কোচিৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত হ'বলগা নৱম আই এছ এলৰ উদ্বোধনী মেচত ঘৰুৱা দল কেৰালা ব্লাষ্টাৰ্ছ এফ চিয়ে খেলিব কলকাতাৰ দল ইষ্ট বেংগল এফ চিৰ বিৰুদ্ধে। ইফালে, উত্তৰ-পূৱৰ ফুটবলপ্ৰেমীৰ দুবছৰীয়া অপেক্ষাৰ পাছত এইবাৰ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামতো পুনৰ হ'ব আই এছ এলৰ মেচ। অহা ১৩ অক্টোবৰত ঘৰুৱা দল নৰ্থ ইষ্ট ইউনাইটেড এফ চিয়ে গুৱাহাটীৰ প্ৰথম মেচত মুখামুখি হ'ব বিগত ছিজনৰ চেম্পিয়ন হায়দৰাবাদ এফ চিৰ। অৱশ্যে নৰ্থ ইষ্ট ইউনাইটেডে নতুন ছিজনৰ প্ৰথমখন মেচ খেলিব বাংগালুৰু এফ চিৰ বিৰুদ্ধে। অহা আঠ অক্টোবৰত বাংগালুৰুৰ শ্ৰী কান্টিৰাবা ষ্টেডিয়ামত এই মেচখন অনুষ্ঠিত হ'ব। যোৱা ছিজনৰ হতাশাৰ পাছত নতুন আশাৰে সাজু হৈছে নৰ্থ ইষ্ট ইউনাইটেড। ইফালে, এইবাৰ আই এছ এলৰ প্লে-অফৰ নিয়ম সলনি কৰা হৈছে। পূৰ্বৰ চাৰিটা ক্লাবৰ পৰিবৰ্তে এইবাৰ লীগৰ অন্তত ছটা দলে প্লে-অফলৈ যোগ্যতা অৰ্জন কৰিব। ইয়াৰে শীৰ্ষ দুটা দল পোনে পোনে ছেমিফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে অন্য চাৰিটা দলে বাকী ছেমিফাইনেলৰ স্থানৰ বাবে খেলিব। তাৰপাছতহে ফাইনেল। ইফালে, ভাৰতীয় ফুটবলৰ উত্তৰণৰ দিশটোত গুৰুত্ব প্ৰদান কৰি এইবাৰ আই এছ এলৰ প্ৰতিটো দলতে ছজনকৈ নৱাগত খেলুৱৈ অন্তৰ্ভুক্ত কৰাৰ নিয়ম কৰা হৈছে। সম্পূৰ্ণ ছমাহ দেশৰ ৬৬ জন নৱাগত ফুটবলাৰে আই এছ এলৰ বিশ্বৰ তাৰকা খেলুৱৈৰ লগত একেলগে থাকি অনুশীলন কৰিব লগতে মেচতো অংশ ল'ব। উল্লেখ্য যে আই এছ এলৰ নৱাগত চাঞ্চলা চেন্নাইয়ান এফ চিৰ ভিন্সি বাৰেটো, কেৰালা ব্লাষ্টাৰ্ছৰ প্ৰভসুখান গিল আৰু ওড়িছা এফ চিৰ নৰেন্দ্ৰ গেহলটৰ লগতে দৃষ্টি থাকিব লিষ্টন ক'লাকো আৰু ছাহাল আব্দুল ছামাদৰ ওপৰত। উল্লেখ্য যে ঐতিহাসিক ডুৰাণ্ড কাপ খেলি ইতিমধ্যে নতুন ছিজনলৈ সাজু হৈছে আই এছ এলৰ প্ৰতিটো দল। এতিয়া অপেক্ষা লীগত নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰা।






# ডিজিটেল ইণ্ডিয়াৰ পয়ালগা ৰূপ, উন্নয়নে চুব পৰা নাই বহু ডাকঘৰ

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ৫ অক্টোবৰ ঃ** 'ডিজিটেল ইণ্ডিয়া'ৰ নামত কৰা বিজ্ঞাপনৰ প্ৰকৃত ছবিখনি উদঙাই আজিৰ দিনতো আদিমতাৰ জয়জয়কাৰ কৰাতেই সীমাবদ্ধ আছে এইখন দেশৰেই একাংশ ডাকঘৰ। 'পাৰৰ পাখিত ফুলাম চিঠি' পঠোৱাৰ সময় যেন অন্ত হোৱা নাই এইখন দেশৰেই বহু স্থানত। দেশৰ সৰ্ববৃহৎ যোগাযোগ ব্যৱস্থাৰ অন্যতম 'ভাৰতীয় ডাক'ৰ ডাকঘৰত বৰ্তমান সময়ত অত্যাধুনিক সা-সুবিধাৰে ডাকসেৱাক উন্নীতকৰণৰ ব্যৱস্থা লোৱা হৈছে যদিও তেনে ব্যৱস্থাৰ পৰা এতিয়াও বহু অঞ্চল, বহু ডাকঘৰ বহু নিলগত। তেনে এটা ডাকঘৰ নগাঁও জিলাৰ কলিয়াবৰ মহকুমাৰ বৰজুৰি। এই ডাকঘৰত নাই কোনো আধুনিক ডিজিটাইলেজছনৰ সমল। নাই উন্নত যোগাযোগ ব্যৱস্থাৰ উপায়। এতিয়াও পুৰণিকলীয়া পদ্ধতিৰেই চলে সকলো। উল্লেখ্য যে ভাৰতত ডাক সেৱা আৰম্ভ হয় ব্ৰিটিছ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ দিনত। তেতিয়াৰ বোম্বে, মাদ্ৰাজ আৰু কলিকতাৰ মাজত ১৭৬৪ৰ পৰা ১৭৬৬ৰ সময়ছোৱাত। ভাৰতীয় ডাক সেৱাক আনুষ্ঠানিক ৰূপ দিয়ে পহিলা এপ্ৰিল ১৭৭৪ত। ১৮৩৭ত 'পোষ্ট অফিচ এক্ট'ৰ জৰিয়তে কে'বাটাও গুৰুত্বপূৰ্ণ নীতি-নিয়মৰ প্ৰৱৰ্তন কৰা হয়। পহিলা অক্টোবৰ, ১৮৪৫ত প্ৰথমবাৰৰ বাবে ডাক টিকট ব্যৱহাৰ কৰি ভাৰতীয় ডাক সেৱাক এক নতুন মাত্ৰা প্ৰদান কৰা হয়। ইয়াক ১৮৫৮ ত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষক ৰাণীৰ হাতত সমৰ্পণ কৰাৰ লগে লগে ভাৰতত ব্ৰিটিছৰাজৰ প্ৰতিষ্ঠা হয়। ১৮৬১লৈ ৮৮৯টা ডাকঘৰ গা কৰি উঠে য'ত চাৰি নিযুত চিঠি আৰু ৪.৫ নিযুত বাতৰি কাকতৰ আদান-প্ৰদান হৈছিল। ১৯১১ৰ ১৮ ফেব্ৰুৱাৰীত বিশ্বৰ প্ৰথম উৰণীয়া ডাক 'এয়াৰ মেইল'ৰ আৰম্ভ হয়, য'ত হেনৰী পেকুৱেট নামৰ ফৰাচী পাইলটজনে এলাহাবাদৰ পৰা ১৫ কেজি ভাৰ 'প্ৰায় ৬০০০ চিঠি' লৈ উৰা মাৰি গংগা নদীৰ সিপাৰে অৱস্থিত নেইনি নামৰ ঠাইত উপস্থিত হয়। কম্পিউটাৰাইজেছনৰ জৰিয়তে ১৯৯১ত বহুমুখী কাউণ্টাৰ যন্ত্ৰৰ ব্যৱহাৰ আৰম্ভ কৰা হৈছিল। পিছে বৰ্তমান চৰকাৰৰ 'ডিজিটেল ইণ্ডিয়া'ৰ ধামখুমীয়াৰ মাজতো বহু ডাকঘৰ এতিয়াও পয়ালগা অৱস্থাৰেই ৰাইজৰ সেৱাত নিমজ্জিত হৈ আছে। তেনে এক দুখ লগা অৱস্থাৰ এক জহি-খহি যোৱা ডাকঘৰৰ জৰিয়তেই কেন্দ্ৰীয় চৰকাৰৰ ব্যয়বহুল প্ৰচাৰৰ মাজতে 'ডিজিটেল ইণ্ডিয়া'ৰ পয়ালগা ছবি এখন দাঙি ধৰিছে। তেনে এটা ডাকঘৰ কলিয়াবৰ মহকুমাৰ বৰজুৰিত অৱস্থিত। এটা বাঁহৰ বেৰ আৰু টিনৰ চালিৰেই ডাক সেৱা চলাই থাকি 'ডিজিটেল ইণ্ডিয়া'ৰ ফোঁপোলা স্বৰূপটো অতি দুখ লগাকৈ উদঙাই দিছে। ভাৰতীয় ডাকসেৱাৰ চিহ্ন ওলমাই ৰখা ৮৭৮২১৩ পিন সম্বলিত ডাকঘৰটোৰ দুৰৱস্থা দেখিলে সকলোৰে চকু কপালত উঠিব। ভাৰতীয় ডাক বিভাগে আৰম্ভ কৰা গ্ৰাহক সেৱাৰ উৎকৰ্ষ সাধন, আয় বৃদ্ধি আৰু কৰ্মচাৰীৰ কাৰ্যদক্ষতা বৃদ্ধিৰ বাবে বিভিন্ন আঁচনিয়ে ঢুকি নোপোৱা ডাকঘৰটোৰ বিপৰীতে ভাৰতীয় ডাকসেৱাৰ এক চমকপ্ৰদ উন্নয়নৰ ছবি এখন বিভিন্ন তথ্যৰ মাজেদি প্ৰকাশ হৈছে।

উল্লেখ্য যে ডাক সেৱাক ৰাজ্যিক সমাজ-নিৰাপত্তা আঁচনিৰ কেন্দ্ৰবিন্দু কৰাৰ বাবে দেশৰ ১,৩০,০০০ গ্ৰাম্য ডাকঘৰক অণুবৈদ্যুতিক 'ইলেক্টনিক' ব্যৱস্থাৰ জৰিয়তে সংযোগ কৰাৰ বাবে, ডাক সেৱা, ডাক বেংকিং আৰু বীমা সেৱাত কাগজবিহীন লেনদেনৰ বাবে, ডাক সেৱাত ট্ৰেকিং আৰু ট্ৰেচিং ব্যৱস্থা প্ৰয়োগৰ বাবে, ২০০৬-০৭আৰু ২০১১-১২ৰ ভিতৰত এখন ১৮৭৭,২ কোটি টকাৰ আঁচনিৰ জৰিয়তে ২৫,০০০ ডাক ঘৰ (২৫,৪৬৪১ ভিতৰত) কম্পিউটাৰাইজড্ কৰা হয়। অণুবৈদ্যুতিক 'ইলেক্ট্ৰনিক' ভাৰতীয় পোষ্টেল অৰ্ডাৰ (e-IPO), ২০১৩ ৰ ২২ মাৰ্চত অণুবৈদ্যুতিক 'ইলেক্ট্ৰ'নিক' ভাৰতীয় পোষ্টেল অৰ্ডাৰ (e-IPO) আৰম্ভ কৰা হয় কেৱল দেশৰ বাহিৰত থকা ভাৰতীয়ৰ বাবে। এইবোৰ পোষ্টেল অৰ্ডাৰৰ সহায়ত অনলাইনযোগে ২০০৫ৰ তথ্য জনাৰ অধিকাৰ আইনৰ মাচুল পৰিশোধ কৰাৰ সুবিধা হ'ল। ২০১৪ৰ ১৪ ফেব্ৰুৱাৰীত এই সেৱা সকলো ভাৰতীয়ৰ বাবে মুকলি কৰি দিয়া হয়। কিন্তু এনেবোৰ সুবিধাৰ পৰা যদি ভিতৰুৱা গাঁও অঞ্চলক বঞ্চিত কৰি ৰখা হয় তেনেহ'লে মোদীৰ বহু চৰ্চিত 'ডিজিটেল ইণ্ডিয়া'ৰ সপোন কোনো কালেই বাস্তৱ নহ'ব। গতিকে দেশৰ বহু স্থানত এতিয়াও সেই পুৰণিকলীয়া যোগাযোগ ব্যৱস্থাই ৰাইজৰ ভৰসা।

# উত্তৰ শালমাৰাত শান্তিপূৰ্ণ পৰিৱেশত ঘাটে-ঘাটে বিসৰ্জন দেৱীৰ মৃণ্ময় মূৰ্তি

## ৰাজ পৰিয়ালৰ পূজাত সপ্তমী, অষ্টমী, নৱমীত ছাগলী বলিৰে হ'ল দেৱীৰ আৰাধনা



**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ৫ অক্টোবৰ ঃ** এক উখল-মাখল পৰিৱেশত ৰঙেৰে ৰঙীন হৈ বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত দুৰ্গা পূজাৰ মৃণ্ময় মূৰ্তিত দশমী পূজা সম্পন্ন হোৱাৰ পাছত নৈৰ বিভিন্ন ঘাটত বিসৰ্জন দিয়া হয়। অভয়াপুৰীৰ ৰাজ পৰিয়ালৰ দুৰ্গা পূজাত সপ্তমীৰ পাছত দেৱীক স্থাপন কৰাৰ লগতে প্ৰথমতে দেৱী দুৰ্গাৰ অন্য ৰূপ তথা ৰাজ পৰিয়ালৰ কুলদেৱী অভয়া মন্দিৰত পাছত দুৰ্গা মন্দিৰত ছাগলী বলিৰে অনুষ্ঠিত হয় সপ্তমী পূজা। তদুপৰি উক্ত মন্দিৰত থকা চেংকাল-মহাকাল, মনসা, দক্ষিণা কালীৰো অনুষ্ঠিত হয় পূজা-অৰ্চনা। আনহাতে, অষ্টমী, নৱমীৰ দিনাও ৰাজ পৰিয়াল আৰু আন ভক্তৰ দ্বাৰা উছৰ্গিত ছাগলী বলি দিয়া হয় অভয়া আৰু দুৰ্গা মন্দিৰতো। ইপিনে, অভয়াপুৰী গান্ধী ময়দানৰ দুৰ্গা পূজা আৰু মেলাত বৰ্ষাবিঘ্নিত পৰিৱেশৰ বাবে সপ্তমী, অষ্টমীত ভক্তৰ উপস্থিতি সেৰেঙা আছিল যদিও নৱমীৰ মেলাত লক্ষাধিক ভক্তৰ সমাগম হয়। পূজা-মেলাৰ লগতে স্মৰণিকা উন্মোচন, অষ্টমীত উৰুলি প্ৰতিযোগিতা আৰু নৱমীত 'শৰতৰ এসন্ধ্যা' শীৰ্ষক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। দশমী পূজা সম্পন্ন হোৱাৰ পাছত আজি আবেলি ৰাজবাৰী গান্ধী ময়দানৰ দুৰ্গাৰ মৃণ্ময় মূৰ্তি তথা শিৱপুৰ, অষ্টম অসম সশস্ত্ৰ আৰক্ষী বাহিনীৰ চৌহদৰ দুৰ্গাৰ মৃণ্ময় মূৰ্তি আৰক্ষীৰ বেষ্টনীৰ মাজত উত্তৰ শালমাৰাৰ তুলুঙীয়াৰ কুজিয়া নৈত হেজাৰ হেজাৰ ভক্তৰ উপস্থিতিত বিসৰ্জন দিয়া হয়। তেনেদৰে বৰঘোলাত অনুষ্ঠিত দুৰ্গা পূজাৰ মৃণ্ময় মূৰ্তি আই নৈত, লেংটিছিঙাত অনুষ্ঠিত দুৰ্গা পূজাৰ মৃণ্ময় মূৰ্তি মানাহ নৈত, আমগুৰি, মোৱামাৰী, মিলন বজাৰৰ দুৰ্গা পূজাৰ মৃণ্ময় মূৰ্তি মৰা মানাহ নৈত, যোগীঘোপা অঞ্চলৰ যোগীঘোপা, কাবাইটাৰী, চলন্তাপাৰা, কচুডোলা, মোহনপুৰ, মালেগঞ্জৰ গান্ধীবস্তি, গোবিন্দপুৰৰ দুৰ্গাৰ মৃণ্ময় মূৰ্তি ব্ৰহ্মপুত্ৰ নৈত বিসৰ্জন দিয়ে।

# মৰিয়নিৰ থানা তিনিআলিত উভালি পৰিল বৃহৎ গছ

## ভয়াৱহ দুৰ্ঘটনাৰ পৰা কথমপি ৰক্ষা

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ৫ অক্টোবৰ ঃ** মৰিয়নি আৰক্ষী থানাৰ সমীপত অৱস্থিত এজোপা বৃহৎ ইউকেলিপটাছ গছ আজি পুৱা উভালি পৰাত বিস্তৰ ক্ষতিসাধান হয় যদিও দৈৱক্ৰমে এক ভয়াৱহ দুৰ্ঘটনাৰ পৰা সকলো ৰক্ষা পৰে। তথ্য মতে, আজি পুৱা প্ৰায় ছয় বজাত মৰিয়নি থানা তিনিআলিৰ পশু চিকিৎসালয়ৰ চৌহদত থকা এজোপা বৃহৎ ইউকেলিপটাছ গছ উভালি পৰে। সেই সময়তে বিদ্যুৎ বিভাগৰ জৰুৰীকালীন সেৱাৰ এখন বাহন পাৰ হৈ যাওঁতেই কথমপি ৰক্ষা পৰে। সেই সময়তে গছজোপা উভালি পথৰ ওপৰতে বাগৰি পৰে। ফলত বিদ্যুৎ পৰিবাহী তাঁৰ ছিঙি-ভাঙি নিয়াৰ লগতে দুটাকৈ লোহাৰ বৃহৎ খুঁটা ভাঙি পেলায়। আনহাতে, গান্ধী নগৰ দুৰ্গা পূজা সমিতিয়ে সেই স্থানতে স্থাপন কৰা এখন আকৰ্ষণীয় লাইটৰ গেট সম্পূৰ্ণৰূপে চূৰ্ণমৈ কৰে। সৌভাগ্যক্ৰমে সেই সময়ত পথেদি আন কোনো যান-বাহন অহা-যোৱা কৰা নাছিল। কিন্তু পথৰ ওপৰতে গছজোপা বাগৰি পৰাত বহু সময় পথটো বন্ধ হৈ পৰে। পাছত বিদ্যুৎ বিভাগে মৰিয়নিৰ বন বিভাগৰ সহযোগত গছ কাটি পথ মুকলি কৰাৰ লগতে ছিন্ন-বিছিন্ন হৈ যোৱা বিদ্যুৎ পৰিবাহী তাঁৰ মেৰামতি কৰাৰ কামত নামি পৰে। মনকৰিবলগীয়া যে যি স্থানত গছজোপা বাগৰি পৰিছিল সেই স্থানতে নগৰখনৰ সৰ্বাধিক মানুহৰ সমাগম হয়। কালি



নৱমীৰ পূজাৰ দিনা দিনে-নিশাই অভূতপূৰ্ব ভিৰ হোৱা দেখা গৈছিল। কিন্তু সৌভাগ্যক্ৰমে মানুহৰ ভিৰ থকা সময়ত গছজোপা নপৰি পুৱাৰ ভাগত কোনো নথকা অৱস্থাত গছজোপা বাগৰি পৰাত হতাহত হোৱাৰ পৰা লোক ৰক্ষা পৰে। আনহাতে, সেই স্থানৰ পৰাই বিদ্যুৎ যোগান সকলো ঠাইলৈ কৰা হয়। ফলত আজি দিনটো প্ৰায় সকলো ঠাইতে বিদ্যুৎ সেৱা সম্পূৰ্ণৰূপে বন্ধ হৈ থাকে। পাছত স্থানীয় ৰাইজৰ সহযোগত ক্ষিপ্ৰতাৰে ক্ষতিগ্ৰস্ত বিদ্যুৎ ব্যৱস্থাৰ মেৰামতি কৰি সন্ধিয়ালৈ বিদ্যুৎ সেৱা পুনৰ আৰম্ভ কৰি তোলে। উল্লেখ্য যে গছজোপা উভালি পৰাৰ সময়ত বতাহ আদি মৰা নাছিল যদিও যোৱা নিশাৰে পৰা হোৱা নেৰানেপেৰা বৰষুণৰ বাবে গছজোপাৰ গুৰি কোমল হৈ পৰাৰ ফলতেই এই ঘটনা সংঘটিত হয় বুলি সন্দেহ প্ৰকাশ কৰিছে।

# ডিগবৈৰ ১৯ নামঘৰৰ উদ্যোগত শংকৰ জন্মোৎসৱ আৰম্ভ

## হৰিনাম ধ্বনিৰে উদুলি-মুদুলি ডেকাগিৰি ক্ষেত্ৰ

**অগ্ৰদূত বাৰ্তা**
**ডিগবৈ, ৫ অক্টোবৰ ঃ** ডিগবৈৰ ১৯ টা নামঘৰ একত্ৰিত উদ্যোগত দুই নম্বৰ গোলাই নামঘৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা শংকৰ জন্মোৎসৱ আৰম্ভ হ'ল। হৰিনামৰ ধ্বনি, খোল তালৰ মাতত উদুলি-মুদুলি হৈ উঠিল ডেকাগিৰি ক্ষেত্ৰ। কালিৰে পৰা পাঁচদিনীয়াকৈ আয়োজন কৰা ৫৭৪ সংখ্যক শংকৰ জন্মোৎসৱৰ প্ৰথম দিনা কাৰ্যসূচীৰ ধৰ্মধ্বজা উত্তোলন কৰে আয়োজন সমিতিৰ সভাপতি কমল বসুমতাৰীয়ে লগতে সহযোগ কৰা ১৯ টা নামঘৰৰ পতাকাও উত্তোলন কৰা হয়। গছপুলি ৰোপণ আৰু গ্ৰন্থমেলাৰ দ্বাৰ উদ্বোধন কৰে স্থানীয় বিধায়ক সুৰেন ফুকনে। অখণ্ড বন্তি প্ৰজ্বলন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি বীৰেন দত্তই। ভাগৱত ভ্ৰমণ উদ্বোধন কৰে দুই নম্বৰ গোলাই নামঘৰৰ কমল চন্দ্ৰ গগৈয়ে। ডিগবৈ আৰু ইয়াৰ দাঁতি-কাষৰীয়া নামঘৰসমূহৰ লগতে স্থানীয় ডেকা জীয়ৰী, বোৱাৰী, কিশোৰ-কিশোৰী, বয়োজ্যেষ্ঠ লোককে ধৰি অগণন লোকে ভাগ লোৱা ভাগৱত ভ্ৰমণৰ হৰিনাম আৰু গুৰুজনাৰ গুণানুকীৰ্তনে সমগ্ৰ ডিগবৈ চহৰ ৰজনজনাই উঠে। তাৰ সমানে শংকৰদেৱৰ সৃষ্টি, সংস্কৃতিও ভাগৱত ভ্ৰমণত উজ্জ্বলি উঠে। আজি ৰাজহুৱা নাম-প্ৰসংগত অংশগ্ৰহণ কৰে শিৱসাগৰৰ শ্ৰীশ্ৰীবিজয় মাহৰা সত্ৰৰ গৌতম গোস্বামী আৰু কীৰ্তন পাঠ কৰে শিৱসাগৰৰ ভুবন নাথে। দিহানাম, গায়ন বায়ন পৰিৱেশনৰ পাছত সন্ধিয়া দীপেন কুমাৰ বড়াৰ পৰিচালনাত স্থানীয় শিল্পীসকলে 'শ্ৰীকৃষ্ণ বৈকুণ্ঠ প্ৰয়াণ, যুধিষ্ঠিৰৰ নৰক দৰ্শন ভাওনা মঞ্চস্থ কৰে। কাইলৈ শিশু সমাৰোহ, সাত অক্টোবৰত ৰাজ্যিক পৰ্যায়ৰ আলোচনাচক্ৰৰ লগতে আৰু বহু গুৰুত্বপূৰ্ণ কাৰ্যসূচী আছে।





# কমাৰগাঁৱৰ বৰদিহিঙিয়াত গুৰুজনাৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন

**খুমটাই, ৫ অক্টোবৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে আজি কমাৰগাঁৱৰ বৰদিহিঙিয়া বৰ নামঘৰতো সৰ্বগুণাকৰ জগতগুৰু, একশৰণ হৰিনাম ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ দুদিনীয়া বৰ্ণাঢ্য আধ্যাত্মিক আৰু সাংস্কৃতিক কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। কালি কাৰ্যসূচীত শিশু, যুৱসকলৰ মাজত গুৰুজনাৰ বিষয়ত বিভিন্ন প্ৰতিযোগিতা কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে আজি পুৱা পৰিৱেশ নিকাকৰণ, প্ৰাতঃপ্ৰসংগ, বৃক্ষৰোপণ, ধৰ্মধ্বজা উত্তোলন, ভাগৱত শোভাযাত্ৰা আৰু মুকলি সভা কাৰ্যসূচী অনুষ্ঠিত হয়। পুৱা সহস্ৰাধিক আই-বাপ, যুৱক-যুৱতীৰ অংশগ্ৰহণেৰে মণিকূট আৰ্হিত এখন যানত ভাগৱত শোভাযাত্ৰা বৰদিহিঙিয়া বৰ নামঘৰৰ পৰা কমাৰগাঁও বুধবাৰীলৈকে পৰিভ্ৰমণ কৰা হয়। ভাগৱত শোভাযাত্ৰাত অংশগ্ৰহণকাৰী আই-মাতৃ, বাপ-বান্ধৱৰ হৰিনাম ধ্বনিত মুখৰিত হৈ পৰিল সমগ্ৰ কমাৰগাঁও অঞ্চল। উল্লেখ্য যে বৰদিহিঙিয়া গাঁৱৰ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চাৰিখন প্ৰাথমিক শাখাৰ উদ্যোগত বৰদিহিঙিয়া গাঁওবাসীৰ সহযোগত অনুষ্ঠিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱৰ লগত সংগতি ৰাখি এখন ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। সভাত অঞ্চলটোৰ কে'বাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ লগতে বয়োজ্যেষ্ঠ ব্যক্তিসকলে গুৰুজনাৰ গুণৰাজি, সৃষ্টিৰাজি, সাহিত্য, সংস্কৃতিৰ ওপৰত বক্তব্য প্ৰদান কৰে। কাৰ্যসূচীত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ আদৰ্শ যুৱপ্ৰজন্মৰ মাজত প্ৰভাৱান্বিত কৰাৰ মানসেৰে বিগত বৰ্ষসমূহৰ দৰে এই বৰ্ষও অনুষ্ঠিত কৰা হয় বুলি আয়োজক সমিতিয়ে সংবাদ মাধ্যমৰ আগত সদৰী কৰে।

# গেদাৰবড়ীত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱৰ অনুষ্ঠান আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ৫ অক্টোবৰ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ এক নম্বৰ গেদাৰবড়ীৰ শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰত পূব হাতীচোং আঞ্চলিক সাৰ্বজনীন মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন সমিতিৰ সৌজন্যত কালিৰে পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱভাগ উদ্‌যাপন কৰা হৈছে। এই উপলক্ষে ইতিমধ্যে পৱন কুমাৰ বৰাক সভাপতি, কমল শইকীয়াক কাৰ্যকৰী সভাপতি, জ্যোতিপ্ৰসাদ শইকীয়াক উপ-সভাপতি, শিৱানন্দ শইকীয়াক সাধাৰণ সম্পাদক, কৃষ্ণ বৰা আৰু অঞ্জন শইকীয়াক সহকাৰী সম্পাদকৰূপে লৈ গঠিত উদ্‌যাপন সমিতিয়ে জনোৱা মতে, কাৰ্যসূচী অনুসৰি কালি সন্ধিয়া পূৰ্বৰংগ অনুষ্ঠানৰ পাছতে আজি পুৱা উষা কীৰ্তন, তৰুণ শইকীয়াৰ দ্বাৰা ভাগৱত স্থাপন কৰা হয়।



পৱন কুমাৰ বৰাৰ দ্বাৰা ধৰ্মধ্বজা উত্তোলনৰ পাছত কৃতজ্ঞতা জ্ঞাপন অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ উপ-সভাপতি ৰাণা প্ৰকাশ বৰাৰ দ্বাৰা কৃতজ্ঞতা জ্ঞাপন কৰা হয়। বৃহত্তৰ গ্ৰামাঞ্চলটোৰ মাজেৰে ভাগৱতসহ শোভাযাত্ৰা, নাম-প্ৰসংগ, প্ৰসাদ বিতৰণ, সন্ধিয়া বন্তি প্ৰজ্বলন, জোৰা পৰিৱেশন, নিশালৈ কালিৰাম শইকীয়া আৰু শৰৎ শইকীয়াৰ পৰিচালনাত ভক্তপ্ৰহ্লাদ ভাওনা প্ৰদৰ্শন কৰা হয়। আনহাতে, কাইলৈ নাম-প্ৰসংগ, ঘোষা প্ৰতিযোগিতা, সন্ধিয়া আমন্ত্ৰিত শিল্পীবৃন্দৰ দ্বাৰা দিহানাম পৰিৱেশন, কৃতী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠান, নিশা আঠ বজাত শংকৰী সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। এই শংকৰী সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। সাত অক্টোবৰত অন্তিম দিনাৰ কাৰ্যসূচীসমূহৰ ভিতৰত আছে আইসকলৰ নাম-প্ৰসংগ, জোৰা পৰিৱেশন, অঞ্চলৰ আই-মাতৃৰ দ্বাৰা অভিশপ্ত কৰ্ণ ভাওনা পৰিৱেশন আদি। ইপিনে, শেতালি, খালৈগাঁও আৰু জলময়গাঁও আদিতো শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ মহোৎসৱ ভাগ আয়োজিত হৈছে।

# বৰমাত এশ ফুট উচ্চতাৰ ৰাৱণ দাহন

**বৰমা, ৫ অক্টোবৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে বাগ্‌সা জিলাৰ বৰমাতো উদ্‌যাপন কৰা হয় ৰাৱণ দাহন কাৰ্যসূচী। বৰমাৰ মৰাপাগলাদিয়া নৈৰ পাৰত হেজাৰ হেজাৰ ভক্তৰ উপস্থিতিত ৮৯ সংখ্যক বৰমা বাৰোৱাৰী দুৰ্গা পূজাৰ লগত সংগতি ৰাখি সমাপন কৰা হয় ৰাৱণ দাহন। বিটিচিৰ কৃষি বিভাগৰ ই এম ঘনশ্যাম দাসে ৰাৱণৰ মূৰ্তিত অগ্নিসংযোগ কৰে। উৎসৱ থলীত বিভিন্ন ৰং-বিৰঙৰ আতচবাজী ফুটাই আলোকিত কৰে সন্ধিয়াৰ আকাশ। ৰাৱণ দাহন কাৰ্যসূচীত উপস্থিত থাকি কোকৰাঝাৰ লোকসভাৰ সাংসদ নৱ কুমাৰ শৰণীয়াই, 'আমাৰ সমাজৰ পৰা অশুভ শক্তিৰ বিদায় দিয়াৰ কাৰণে প্ৰতীকী ৰূপত ৰাৱণক জ্বলাই দিয়া হয় বুলি উল্লেখ কৰে। তেওঁ লগতে প্ৰদূষণমুক্ত দেশ গঢ়াৰ কাৰণে প্ৰধানমন্ত্ৰীয়ে বহু পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। ৰাৱণ দাহন কাৰ্যসূচীত জিলা অতিৰিক্ত উপায়ুক্ত বন্তি তালুকদাৰ, জিলা উপ-আৰক্ষী অধীক্ষক প্ৰণৱ কলিতা, ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক সত্যৰঞ্জন শইকীয়াকে ধৰি বহু লোক উপস্থিত থাকে।

# ওদালগুৰিত সফলতাৰে মঞ্চস্থ হ'ল দ্য কাশ্মীৰ ফাইলছ

■ মঞ্চত কাশ্মীৰী পণ্ডিতৰ ওপৰত চলা নৰসংহাৰৰ দৃশ্য চাই সেমেকি উঠিল সহস্ৰাধিক দৰ্শক
■ তেজপুৰৰ বাণ থিয়েটাৰ আৰু গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনতো নাটখন মঞ্চস্থ কৰিবলৈ প্ৰস্তুতি অব্যাহত ৰাখিছে লালুপাতে সাংস্কৃতিক গোষ্ঠীয়ে



**অগ্ৰদূত বাৰ্তা**
**টংলা, ৫ অক্টোবৰ ঃ** আশী দশকৰ শেষত আৰু ৯০ দশকৰ আৰম্ভণিত কাশ্মীৰী পণ্ডিতৰ ওপৰত হোৱা নৰসংহাৰ ঘটনা আৰু কাশ্মীৰৰ পৰিস্থিতিৰ ওপৰত নিৰ্মিত বলিউডৰ চৰ্চিত চলচ্চিত্ৰ দ্য কাশ্মীৰ ফাইলছৰ নেপালী নাট্যৰূপান্তৰ যোৱা তিনি অক্টোবৰৰ নিশা ওদালগুৰিত সফলতাৰে মঞ্চস্থ হয়। ওদালগুৰিৰ লালুপাতে সাংস্কৃতিক গোষ্ঠীৰ নাট্যকৰ্মী আৰু কলা-কুশলীসকলে ওদালগুৰিৰ পূব নেপালপাৰা দুৰ্গা পূজা ৰংগমঞ্চত দ্য কাশ্মীৰ ফাইলছ চলচ্চিত্ৰৰ নেপালী নাট্যৰূপান্তৰ সফলতাৰে মঞ্চস্থ কৰি সহস্ৰাধিক দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হয়। বলিউডৰ জনপ্ৰিয় চলচ্চিত্ৰ পৰিচালক বিবেক অগ্নিহোত্ৰীৰ দ্বাৰা ৰচিত আৰু পৰিচালিত চলচ্চিত্ৰখনক নেপালী ভাষাত নাট্যৰূপান্তৰ কৰি নিৰ্দেশনা কৰিছিল নাট্যকাৰ তথা সাংবাদিক ৰাম উপাধ্যায়ে। লালুপাতে সাংস্কৃতিক গোষ্ঠীৰ জ্যেষ্ঠ নাট্যকৰ্মী যুৱৰাজ উপাধ্যায়, মেঘৰাজ ৰেগ্মী, খেম প্ৰসাদ সিৱাকোটী, পদ্মাদেৱী উপাধ্যায়, মীনা দেৱী উপাধ্যায়, হিমসাগৰ শৰ্মা, টিকাদেৱী গুৱাগাঞী, ঘনশ্যাম পোখৰেল লগতে বিৰাজ পাঠক, চেতন উপাধ্যায়, অভিশেষ অধিকাৰী, পৱন খনাল, তুষাৰ ভট্টৰাই, উমা আচাৰ্য, বিশাল ভট্টৰাই, মানস ভট্টৰাই, মিনু ভট্টৰাই, দ্বীপ বৰ্মন, কৈলাস তিমচিনা, অভিনাশ থাপা, অৰ্চনা থাপা, দীপক ছেত্ৰী, প্ৰিয়ংকা ভট্টৰাই আদি অভিনেতা অভিনেত্ৰীৰ বলিষ্ঠ অভিনয়ৰে সুসজ্জিত নাটখনে ৰংগমঞ্চত উপস্থিত সহস্ৰাধিক দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হয়। নাট উপভোগ কৰি দৰ্শকসকলে মঞ্চত কাশ্মীৰী পণ্ডিতৰ ওপৰত চলা নৰসংহাৰৰ দৃশ্য চাই তেওঁলোকৰ দুচকু সেমেকি উঠা বুলি মন্তব্য কৰাৰ লগতে প্ৰায় তিনিঘন্টা দৈৰ্ঘ্যৰ চলচ্চিত্ৰখন অতি সুন্দৰকৈ নাট্যমঞ্চৰ উপযোগী কৰি নাট্যমঞ্চত মঞ্চস্থ কৰা বুলি ব্যক্ত কৰে। পূব নেপালপাৰাৰ ৰংগমঞ্চলত নাটখনৰ সফল মঞ্চায়নৰ পাছত এতিয়া লালুপাতে সাংস্কৃতিক গোষ্ঠীয়ে নাটখনৰ দ্বিতীয় প্ৰদৰ্শনী তেজপুৰৰ বাণ থিয়েটাৰ আৰু পৰৱৰ্তী সময়ত গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱন আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত মঞ্চস্থ কৰিব বুলি জানিবলৈ দিছে।

## কৃষ্ণাইত শান্তিপূৰ্ণভাৱে দুৰ্গা পূজাৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**
**কৃষ্ণাই, ৫ অক্টোবৰ ঃ** শান্তিপূৰ্ণভাৱে সামৰণি পৰিল গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ শাৰদীয় দুৰ্গোৎসৱ। বৰষুণে অষ্টমী তথা দশমীৰ দুদিন কিছু বিধি পথালি দিয়াৰ চেষ্টা কৰিলেও কৃষ্ণাইৰ দুৰ্গা পূজাথলী লোকাৰণ্য হৈ পৰে। কৃষ্ণাইত এইবেলি মুঠ ১৪ টা মণ্ডপত দুৰ্গা পূজা অনুষ্ঠিত হয়। ইফালে ঐতিহাসিক শ্ৰীশ্ৰীটুক্ৰেশ্বৰী দেৱালয়তো মৃণ্ময় মূৰ্তি অবিহনে সম্পূৰ্ণ আধ্যাত্মিকতাৰ মাজেৰে অনুষ্ঠিত হয় শাৰদীয় দুৰ্গা পূজা। ঐতিহাসিক টুক্ৰেশ্বৰী দেৱালয়ত মহা নৱমীৰ দিনা দেৱীৰ নামত বলি হিচাপে আগবঢ়োৱা হয় দুটাকৈ ম'হ।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com